# সমবায়

একতাই বল

সম্পাদক:- নৰেন্দ্ৰনাথ শৰ্ম্মা

## …'সমবায়ৰ' নিয়মাৱলী…

(১) 'সমবায়' অসম ৰাজ্যিক সমবায় ইউনিয়নৰ দুমহীয়া মুখপত্র।
(২) প্রত্যেক দুমাহৰ আগভাগত ইয়াৰ প্রকাশ হব।
(৩) ইয়াত সমবায় আন্দোলনৰ বিষয়ে শিক্ষামূলক প্রবন্ধ, আলোচনা, সমালোচনা, আৰু সমবায় ইউনিয়নৰ অন্তর্গত বিভিন্ন সমবায় ইউনিয়নসমূহৰ কামৰ চমুটোকা আদি প্রকাশ কৰা হয়।
(৪) প্রবন্ধ আদি চমু হোৱাই বাঞ্ছনীয়।
(৫) অমনোনীত প্রবন্ধপাতি ঘূৰাই পঠোৱা নহয়।
(৬) 'সমবায়'ৰ বছেৰেকীয়া বৰঙনি ৬৲ টকা ; প্রতি সংখ্যা ১৲ টকা।
(৭) প্রবন্ধ সম্পর্কীয় সকলো চিঠি পত্র আৰু প্রবন্ধ আদি সম্পাদক 'সমবায়' এই বুলি পঠাব।

## 'সমবায়ৰ' এজেন্সীৰ চৰ্ত্ত আৰু নিয়মাৱলী

(১) যি সকললোকে 'সমবায়'ৰ এজেণ্ট হব খোজে, তেখেতসকলে আগধন জমা দিব লাগিব। অতন্তঃ পাচখনৰ কমে এজেন্সী দিয়া নহয়।
(২) কাকতত ছপা থকা দামতহে এজেণ্টে কাকত বেচিব পাৰিব।
(৩) বেচা দামৰ ওপৰত এজেণ্টসকলে শতকৰা ২৫৲ টকা হিচাবে কমিছন পাব।
(৪) প্রতি দুমাহৰ টকা কাকত পোৱাৰ ১৫ দিনৰ ভিতৰত অফিচ পোৱাকৈ পঠাব। অন্যথাই কাকত পঠোৱা বন্ধ কৰা হব। টকা পঠাওঁতে কমিছন কাটি ৰখাই সুবিধা হব।
(৫) বিক্রী নোহোৱা কাকত ঘূৰাই লোৱা নহয়।
(৬) কাকত পঠোৱা সকলো খৰচ অফিচে বহন কৰিব ; কিন্তু এজেণ্টে পঠোৱা চিঠি পত্র, টকা-পইচা, চেক আদি এজেণ্টৰহে।
(৭) এজেন্সী সম্পর্কীয় সকলো চিঠি পত্র, টকা-পইচা মেনেজাৰ 'সমবায়' বুলি পঠাব।

# অসম সমবায় এপেক্স মাৰ্কেটিং ছ'চাইটি লিঃ

## হেড্ অফিচ —গুৱাহাটী

ব্ৰাঞ্চ—নগাওঁ, নলবাৰী, মঙ্গলদৈ, তেজপুৰ, চিলচৰ, গোৱালপাৰা, নৰ্থ লক্ষীমপুৰ।

অংশীদাৰ—অসমৰ সমবায় সমিতি আৰু অসম চৰকাৰ।

অসম সমবায় সমিতি আৰু অসম চৰকাৰৰ প্ৰতিনিধিবৰ্গৰ দ্বাৰা গঠিত

**বৰ্ড অব মেনেজমেণ্ট**

অসমৰ কৃষকৰ সৰ্ব্ববৃহৎ ৰাজ্যিক সমবায়—
কৃষিজাত বস্তু বিক্ৰীৰ অনুষ্ঠান
কৃষকৰ অৰ্থ নৈতিক উন্নতিৰ প্ৰতীক

## ১৯৬০ চনত খেতিয়কে পাৰ্ত্তে পাব লগা ধানৰ দৰ।

| অঞ্চল | কোন মাহত কিমান দৰ পাব। | শীতকালীন মোটা শালি ধান (লগা চাউল) | শীতকালীন মিহি শালি ধান | শীতকালীন জহা ধান | শৰৎকালীন আহু ধান (মোটা মিশ্ৰ) | শৰৎ কালীন আহু ধান (মিহি বিধৰ) | মন্তব্য |
|---|---|---|---|---|---|---|---|
| ১নং অঞ্চল (ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ দৰং জিলা, উত্তৰ লক্ষীমপুৰ মহকুমা, উত্তৰ কামৰূপ জিলা।) | জানুৱাৰী | ৮·৭৯ নঃ পঃ | ৯-৩৬ | ১১-১৭ | ৭-৬০ | ৭ ৯৮ | আৰ্দতা বাবদ ৫% কৰ্ত্তন |
| | ফেব্ৰুৱাৰী | ৯·০১ ” | ৯-৬০ | ১১-৪৬ | ৭-৮০ | ৮-১৯ | আৰ্দতা বাবদ ২½% কৰ্ত্তন |
| | মাৰ্চৰ পৰা নভেম্বৰ | ৯-২৫ ” | ৯-৮? | ১১-৭৫ | ৮-০০ | ৮-৪০ | কৰ্ত্তন নাই |
| | ডিচেম্বৰ | ৮-৫৬ ” | ৯-১১ | ১১-২১ | ৭-৪০ | ৭ ৭৯ | আৰ্দতা বাবদ ৭½ % কৰ্ত্তন |

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| ২নং অঞ্চল (ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ দক্ষিণ কামৰূপ জিলা অঞ্চল, নগাওঁ জিলা, শিৱসাগৰ আৰু গোৱালপাৰা জিলা, কোকৰাঝাৰ, চিলচৰ, হাইলাকান্দি আৰু ডিফু অঞ্চল) | জানুৱাৰী | ৯-০৩ | ৯-৬৫ | ১১-৪৬ | ৭-৯০ | ৮-২৭ | আৰ্দ্ৰতা বাবদ ৫% কৰ্ত্তন |
| | ফেব্ৰুৱাৰী | ৯-৬ | ৯-৯১ | ১১-৭৬ | ৮-.০ | ৮-৪৯ | আৰ্দ্ৰতা বাবদ $2\frac{1}{2}$ % কৰ্ত্তন |
| | মাৰ্চৰ পৰা নৱেম্বৰ | ৯-১০ | ১০-১৬ | ১২-০৬ | ৮-৩১ | ৮-৭১ | কৰ্ত্তন নাই |
| | ডিচেম্বৰ | ৮-৭৯ | ৯-৪৫ | ১১-১৬ | ৭-৭০ | ৮-০৭ | আৰ্দ্ৰতা বাবদ $7\frac{1}{2}$ % কৰ্ত্তন |
| ৩নং অঞ্চল (ধুবুৰী, ডিব্ৰুগড়, কৰিমগঞ্জ মহকুমা) | জানুৱাৰী | ৯-৬ | ৯-৯৫ | ১১-৭৫ | ৮-১৯ | ৮-৭৯ | আৰ্দ্ৰতা বাবদ ৫% কৰ্ত্তন |
| | ফেব্ৰুৱাৰী | ৯-৫১ | ১০-২১ | ১২-০৬ | ৮-৪০ | ৮-৭৯ | আৰ্দ্ৰতা বাবদ $2\frac{1}{2}$ % কৰ্ত্তন |
| | মাৰ্চৰ পৰা নৱেম্বৰ | ৯-৭৫ | ১০-৪৭ | ১২-৩৭ | ৮-৬২ | ৯-০২ | কৰ্ত্তন নাই |
| | ডিচেম্বৰ | ৯-০২ | ৯-৬৯ | ১১-৪৪ | ৭-৯৮ | ৮-৩৫ | আৰ্দ্ৰতা বাবদ $7\frac{1}{2}$ % কৰ্ত্তন |

ওপৰত দিয়া মূল্য কৰ্ত্তন বাদ কৰি উলিওৱা হৈছে আৰু তাৰ পৰা পুনৰ কৰ্ত্তন বাদ নপৰিব। শীত কালীন মোটা শালি ধান (বগা চাউলৰ) হে চৰকাৰৰ গুদামত জমা দিয়া হয়। অন্য ধান বিলাক কেন্দ্ৰীয় মাৰ্কেটিং চছাইটিৰ নিৰ্দ্দেশ মতে ধানকল বা অন্য লোকক দিয়া হব।

## Kindly send in your advertisement.

Our magazine "Samabaya" is published every two months regularly from Gauhati. "Samabaya" is meant to reach the villages of Assam. This will be widely circulated reaching Government, Schools, Colleges, Libraries, Local Bodies, Village Panchayats, Tea Gardens, Community Projects and all the big and small industrial and commercial firms of this State and outside the State.

Please popularise goods of your esteemed firm through the organ of this popular magazine in Asam.

| | | | | |
|---|---|---|---|---|
| *Rates* :—Ordinary full | Rs. | 100·00 | per | insertion |
| ,, half : | ,, | 60·00 | ,, | ,, |
| ,, quarter | ,, | 35·00 | ,, | ,, |
| ,, one eight | ,, | 25·00 | ,, | ,, |
| Cover full : | ,, | 200·00 | ,, | ,, |
| ,, half : | ,, | 120·00 | ,, | ,, |
| ,, quarter : | ,, | 80·00 | ,, | ,, |
| 2nd and 3rd Cover full | ,, | 200·00 | ,, | ,, |
| half : | ,, | 120·00 | ,, | ,, |
| quarter : | ,, | 70·00 | ,, | ,, |

With matters 25% extra.
Extra per colour Rs. 30·00
Machanical details : Size :—Double Crown
Half tone blocks 65-85 Screen.
Certified circulation over 5000 copies

Conditions :—Display and position according to our discretion. Any objection to be made within 15 days of the receipt of the voucher copy else no complaints will be entertained.

## —ঃ সূচী ঃ—


| | বিষয় | লিখক | পৃষ্ঠা |
|---|---|---|---|
| ১। | সমবায় কৃষি পামৰ সুবিধা | শ্ৰীমান নাৰায়ণ, সদস্য, পৰিকল্পনা আয়োগ | ১ |
| ২। | সমবায় কৃষি পদ্ধতিত যুৱকৰ ভূমিকা | শ্ৰী এইচ, এছ, মান্ন | ৩ |
| ৩। | ডেনমাৰ্কৰ কথা | প্ৰাপ্ত | ৬ |
| ৪। | অসমৰ পঞ্চায়ত | শ্ৰীফখৰুদ্দিন আলি আহমেদ, বিত্তমন্ত্ৰী, অসম | ৮ |
| ৫। | অসমত ছাৰ্ভিচ কো-অপাৰেটিভ | শ্ৰীকুসুম ফুকন, ৰেজিষ্ট্ৰাৰ, কো-অপাৰেটিভ চচাইটিজ অসম | ১২ |
| ৬। | সমবায় আন্দোলনৰ কৃতকাৰ্য্যতা | শ্ৰীলীলাধৰ কটকী এম, পি | ১৫ |
| ৭। | পুৰাৰ গান ( কবিতা ) | শ্ৰীলাৱণ্য গগৈ | ১৭ |
| ৮। | কি হব উপায় ( গল্প ) | শ্ৰীতুলালচন্দ্ৰ বৰুৱা | ১৮ |
| ৯। | পাৰ্ব্বত্য অঞ্চল আৰু সমবায় আন্দোলন | শ্ৰীৰামচৰণ দাস | ২৩ |
| ১০। | অসমত সমবায় আন্দোলনৰ গুৰুত্ব | শ্ৰীমোহন চন্দ্ৰ মহন্ত | ২৫ |
| ১১। | আন্তঃৰাষ্ট্ৰীয় সমবায় আন্দোলন | শ্ৰীপ্ৰফুল্ল বৰপাত্ৰ গোহাই | ২৮ |
| ১২। | বিত্তাধাৰী মৎস্যজীৱি সমবায় সমিতি | সংগৃহীত | ৩২ |
| ১৩ | বীণাপাণি কো-অপাৰেটিভ ষ্ট'ৰ্ছ লিমিটেড | শ্ৰীভদ্ৰকান্ত শইকীয়া | ৩৪ |
| ১৪। | বিশ্বকৃষি মেলা | — | ৩৬ |
| ১৫। | অ'ৰ ত'ৰ এছোৱা | — | ৩৯ |
| ১৬। | সম্পাদকীয় | — | ৪২ |

# সমবায়

ঃ প্ৰথম বছৰ ঃ

ঃঃ দ্বিতীয় সংখ্যা ঃঃ

ডিচেম্বৰ

## সমবায় কৃষি পামৰ সুবিধা

শ্ৰীমান নাৰায়ণ, সদস্য
পৰিকল্পনা আয়োগ।

ভাৰতত 'সমবায় পদ্ধতিৰে খেতি কৰা বিষয়-লৈ অলপতে হোৱা বাদানুবাদ সমূহ কিছুক্ষেত্ৰত ভুল ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত। এইটো বোধ হয় বোধগম্য হোৱা নাই যে 'সমবায় কৃষিপামৰ আঁচনি প্ৰথম পাঁচ বছৰীয়া পৰিকল্পনাত অন্তৰ্ভুক্ত কৰা হৈছিল আৰু পিচত দ্বিতীয় পৰিকল্পনাত তাৰ প্ৰসাৰ সাধন কৰা হয়। নাগপুৰ কংগ্ৰেছৰ প্ৰস্তাৱৰ দ্বাৰা প্ৰৱৰ্তন কৰিবলৈ বিচৰা যুটীয়া খেতিৰ পদ্ধতি মূলতে জটিল নহয়। কাৰণ ই ব্যক্তিগত মাটিৰ মালিকৰ মালিকীস্বত্ব ৰক্ষা কৰি মাটিৰ পৰিমাণ অনুসৰি মুঠ আয় বিতৰণৰ ব্যৱস্থা কৰিছে। মহাত্মা গান্ধীয়ে ইয়াতকৈও সৰ্ব্বাঙ্গীন এনেকুৱা কৃষি ব্যৱস্থাৰ সমৰ্থন কৰিছিল যত মাটি, গৰুম'হ আৰু কৃষিৰ সৰঞ্জামকে ধৰি মূলধনো সমূহীয়া প্ৰচেষ্টাৰ কাৰণে সংগ্ৰহ কৰাৰ ব্যৱস্থা আছিল। সেই কাৰণে আমাৰ প্ৰধান মন্ত্ৰীয়ে জাতিটোৰ আগত উত্থাপন কৰা যুটীয়া কৃষি আঁচনিৰ বিষয়ে কোনো ভয়ৰ কাৰণ নাই বুলি কৈছে।

**আঠ প্ৰকাৰৰ সুবিধা —**

যুটীয়া সমবায় কৃষি পামৰ পৰা আঠোটা সুস্পষ্ট সুফল লাভ কৰিব পাৰি (১) বৰ্ত্তমান ব্যৱহাৰ্য্য আবাদী মাটিৰ উন্নততৰ ব্যৱহাৰ হব। বৰ্ত্তমান থকা সৰু সৰু আৰু খণ্ড খণ্ড মাটি বিলাকৰ মাজৰ সীমা (আলি) আঁতৰ কৰি প্ৰায় পঞ্চাশ লাখ একৰ অতিৰিক্ত মাটি খেতিৰ কাৰণে পোৱা হব বুলি অনুমান কৰা হৈছে। (২) শ্ৰমশক্তিৰ অধিক যুক্তি সঙ্গত প্ৰয়োগ হব, কাৰণ গাঁও অঞ্চলত সৰু পাম সমূহে শ্ৰমশক্তিৰ সম্পূৰ্ণ ব্যৱহাৰ কৰিব নোৱাৰে। (৩) অৰ্থনৈতিক ভাৱে যুক্তিসঙ্গত পামত হালৰ গৰু, কৃষি সৰঞ্জাম আৰু জলসিঞ্চন সুবিধা আদি মূলধন বিষয়ক সম্পদ সমূহৰ নিশ্চিত ভাৱে উন্নত ধৰণৰ প্ৰয়োগ হব। (৪) সমবায় পাম সমূহে বৈজ্ঞানিক গৱেষণা আৰু কাৰিকৰী সাহায্যৰ সুযোগ আৰু সুবিধা শৃঙ্খলিত পদ্ধতিত গ্ৰহণ কৰিব পাৰিব। (৫) সামাজিক জ্ঞান আৰু ঐক্যভাৱৰ প্ৰসাৰ লাভ কৰিব। (৬) সমবায় কৃষি ব্যৱস্থাই সামাজিক নিৰাপত্তাৰ বাহিৰেও উন্নত গৃহ, ডাক্তৰী আৰু শিক্ষা বিষয়ক সুবিধাৰ যোগান ধৰিব। (৭) সুসংগঠিত সমবায় পাম সমূহৰ যোগেদি কৃষি বিষয়ক তথ্যাদি সংগ্ৰহত উন্নতি হব। (৮) সমবায় কৃষিয়ে চৰকাৰ আৰু খেতিয়কৰ মাজত সহযোগিতা দৃঢ়তৰ কৰিব। কাৰণ বৰ্ত্তমানৰ দৰে অসংখ্য সৰু সৰু পামৰ সলনি বৃহৎ কৃষিগোট সমূহৰ লগত সম্পৰ্ক ৰক্ষা কৰাটো প্ৰশাসক সকলৰ কাৰণে সহজ হব।

**বাধ্য বাধকতাৰ প্ৰশ্ন নাই —**

অৱশ্যে এইটো স্পষ্টভাৱে জনা উচিত যে সমবায় খেতি কমিউনিষ্ট দেশ সমূহত প্ৰচলিত

সমূহীয়া খেতিৰ পৰা অনেক পৃথক। ভাৰতত এখন সমবায় পাম ৫০ৰ পৰা ১০০।২০০ একৰ লৈকে হোৱা উচিত; যাতে তাত যোগ দিয়া পৰিয়াল সমূহে ঘনিষ্ঠ সম্পৰ্ক আৰু দায়িত্ববোধ ৰক্ষা কৰিব পাৰে। এইটো পুনৰুক্তি হে মাথোন যে সমবায় পাম সমূহে স্বেচ্ছাপ্ৰণোদিত হোৱা উচিত আৰু তাত কোনো প্ৰকাৰ বাধ্য-বাধকতা বা চৰকাৰৰ পক্ষৰ পৰা অযথা জোৰ দিয়া অনুচিত। আমাৰ প্ৰথম কাৰ্য্য হব গোটেই দেশতে কৃষি সহায়ক সমিতি বা বহুমুখী সমবায় সমিতিৰ প্ৰচাৰ কৰা। এই কৃষি সহায়ক সমিতি সমূহৰ সাফল্যই ক্ৰমে যথা সময়ত যৌথ সমবায় পাম গঠনত সহায় কৰিব। এই বিষয়ত কোনো অযথা তত্‌তাতৈয়া কৰা উচিত নহব। ভাৰতত সমবায় খেতিৰ প্ৰচলন কৰোতে সংখ্যাতকৈ গুণৰ ওপৰতহে অধিক মনোনিবেশ কৰা শ্ৰেয়ঃ। দুই এখন সমবায় পামৰ সাফল্যই অন্যান্য অঞ্চলত প্ৰচুৰ পৰিমাণে তেনেকুৱা পাম গঠনত পথ মুকলি কৰিব।

## গ্ৰামদান গাওঁত সমবায় পাম—

নতুনকৈ আবাদ কৰা ক্ষেত্ৰসমূহত আৰু বিশেষকৈ বহুমুখী নদী উপত্যকা আঁচনিৰ জৰিয়তে সমবায় খেতিৰ বিশেষ পৰীক্ষা চলোৱা উচিত। উদাহৰণ স্বৰূপে প্ৰায় ৫০ লাখ একৰ পতিত আৰু মৰুভূমিৰ মাটি ৰাজস্থান খাল আঁচনিৰ দ্বাৰা খেতিৰ উপযোগী হব। এই মাটিত ৰাজস্থান আৰু অন্যান্য ৰাজ্যৰ পৰা অহা নতুন খেতিয়কে খেতি কৰিব। এইটো অত্যাৱশ্যকীয় যে চৰকাৰে নতুনকৈ জলসিঞ্চন কৰা এই পতিত মাটিসমূহ ব্যক্তিগত পৰিয়ালক দিয়াতকৈ কৃষি পামসমূহৰ মাজত বিভাগ কৰি দিয়াহে উচিত। ব্যক্তিগত কৃষকে সমাজৰ বা গ্ৰামসভাৰ কাৰণে মালিকী স্বত্ব এৰি দিয়াৰ ব্যৱস্থা থকা গ্ৰামদান গাঁও সমূহতো সমবায় কৃষিৰ সংগঠন কৰা উচিত। বিনোৱা ভাবেই অতি কমেও গ্ৰামদান অঞ্চলৰ শতকৰা ১৫ ভাগ সামাজিক উদ্দেশ্যৰে সমবায় পামলৈ পৰিবৰ্ত্তিত কৰাটো বাঞ্ছা কৰে। এইটো সম্পূৰ্ণ স্পষ্ট যে গ্ৰামদান গাঁও আৰু নতুনকৈ আবাদ কৰা মাটি সমূহ সমবায় খেতিৰ কাৰণে উপযোগী হব আৰু এই অনুকুল অৱস্থাৰ অঞ্চল সমূহত এই প্ৰাথমিক প্ৰচেষ্টা গাঢ়তৰ কৰাটো বাঞ্ছনীয়।

## পাবলগীয়া সা-সুবিধা—

সমবায় কৃষি পদ্ধতিৰ পৰীক্ষা কাৰ্য্যত অনু-প্ৰেৰণা যোগাবলৈ চৰকাৰে সংগঠনমূলক আৰু অৰ্থনৈতিক দুয়ো উদ্দেশ্যেৰে বিদ্যমান সুবিধা আগবঢ়োৱা উচিত। উদাহৰণ স্বৰূপে ৰাজ্য চৰকাৰে গাঁও বিলাকৰ যোগ্যতা সম্পন্ন যুৱক-সকলক শিক্ষা দিবলৈ অনতি পলমে ব্যৱস্থা গ্ৰহণ কৰা উচিত, যাতে তেওঁলোকে সমবায় পামৰ সচিব ৰূপে কাম কৰিব পাৰে। তেওঁলোকৰ বেতনৰ এটা অংশ চৰকাৰে সাহায্য হিচাবে প্ৰথম কেইবছৰ মানৰ কাৰণে আগবঢ়াব পাৰে। ঋণদান, উন্নত বীজ (সঁচ), সাৰ, উন্নত কৃষি সৰঞ্জাম আৰু অন্যপ্ৰকাৰৰ কাৰিকৰী সাহায্য যোগান ধৰাৰ ক্ষেত্ৰত কৃষি পাম সমূহক প্ৰথম সুবিধা দিয়া উচিত। এইটো কথাও সদায় মনত ৰখা উচিত যে অত্যধিক নিৰ্ভৰশীলতাও পাম সমূহৰ কাৰণে উচিত নহব, আমাৰ উদ্দেশ্য হৈছে সমবায় কৃষিক ভাৰতীয় কৃষিৰ প্ৰধান আহি স্বৰূপ কৰি তোলা আৰু একমাত্ৰ আত্মসাহায্য আৰু আত্মবিশ্বাসৰ দ্বাৰাহে ই সম্ভৱপৰ। চৰকাৰী সাহায্যৰ ওপৰত অত্যধিক নিৰ্ভৰশীলতাই সমবায় আন্দোলনৰ ভেটি স্বৰূপ আত্ম সাহায্যৰ আৱশ্যকীয় আদৰ্শটোক ভঙ্গুৰ আৰু বাধাপ্ৰাপ্ত কৰিব।

# সমবায় কৃষি পদ্ধতিত যুৱকৰ ভূমিকা

শ্ৰী এইচ, এছ, মান্ন, (লুধিয়ানা চৰকাৰী কলেজৰ অৰ্থনীতি বিভাগৰ মুখ্য অধ্যাপক)

কৃষি সহায়ক সমবায় (Service Co-operative) আৰু যুটীয়া সমবায় কৃষি পদ্ধতিক ফলৱতী কৰিবৰ বাবে দেশৰ যুৱকসকলে বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে। অৱশ্যে তেওঁলোকে এই ভূমিকা গ্ৰহণ কৰোতে গাৱঁৰ কৃষকসকলৰ লগত থাকি তেওঁলোকৰ মতামত উপলব্ধি কৰি নিষ্ঠাৰে কামত লাগিব লাগিব। যুৱকসকল যেন গাঁওবাসী সকলৰ পৰা পৃথক নহয়, এই কথাও তেওঁলোকে কামৰ দ্বাৰাই বুজাব লাগিব। তেওঁলোক বিশ্বাস ভাজন হব নোৱাৰিলে, কেৱল গা দেখা দিলেই সমস্যাৰ সমাধান নহয়।

## গাঁও অঞ্চলত সামাজিক কামৰ প্ৰস্তুতি—

গাৱঁৰ পৰা চহৰলৈ অহা বহুতো স্কুলীয়া আৰু কলেজীয়া ছাত্ৰই গাঁওবাসীসকলৰ জীৱন নিৰ্ব্বাহৰ সমস্যা উপলব্ধি কৰিবলৈ ইচ্ছা নকৰাতো দুখৰ কথা। গাৱঁত কেনেকৈ খেতি-বাতি কৰে আৰু গাঁওবাসীসকলৰ অৰ্থনৈতিক জীৱনৰ ভেটি কি তাকো ছাত্ৰসকলে বৰকৈ উপলব্ধি নকৰে। বিশেষকৈ কৃষি কলেজত অধ্যয়ন কৰা ছাত্ৰসকলে কি ভাৱে খেতি-বাতি কৰে বা কেনে ধৰণেৰে শস্যাদি উৎপাদন কৰা হয় তাক ভাল ভাৱে অধ্যয়ন কৰা উচিত। অৰ্থনীতিৰ ছাত্ৰসকলেও সময়ে সময়ে একগোট হৈ দেশৰ খাদ্য সমস্যা গাৱঁৰ নিবনুৱা সমস্যা আৰু গ্ৰাম্যজীৱনৰ অৰ্থনৈতিক জীৱনৰ কথাবোৰ সূক্ষ্ম ভাৱে অনুধাৱন কৰা দৰকাৰ। অনুন্নত দেশসমূহত সাধাৰণতে এই সমস্যাসমূহেই বিৰাজমান হৈ থাকে। চহৰৰ শিক্ষিত ডেকা সকলেই সাধাৰণতে সমূহীয়া উন্নয়ন আঁচনিৰ আৰু অন্যান্য চৰকাৰী বিভাগসমূহৰ বিশেষ বিশেষ পদবোৰ অধিকাৰ কৰেহি। গতিকে তেওঁলোকে তেওঁলোকৰ সাধাৰণ অভিজ্ঞতাৰে গ্ৰাম্য জীৱনৰ মান উন্নয়নৰ বাবে কিছুমান আৱশ্যকীয় আঁচনি প্ৰস্তুত কৰা উচিত। কিন্তু আঁচনি ফলৱতী কৰোতে অৱশ্যে বহুতো বাস্তৱ অসুবিধাই দেখা দিব পাৰে। গ্ৰাম্যজীৱন সম্পৰ্কে যাৰ অভিজ্ঞতা নাই তেনেলোকৰ ওপৰত দায়িত্ব ন্যস্ত কৰিলে আঁচনি কাৰ্য্যকৰী কৰাত অসুবিধা হবই। স্কুল আৰু কলেজসমূহত সমাজকল্যাণ আঁচনিক পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰা প্ৰয়োজন। চহৰৰ পৰা গাঁও অঞ্চললৈ যি সকল যুৱক কৰ্ম্মী আহে তেওঁলোকে সমাজ কল্যাণ কামৰ বাবে যথেষ্ট প্ৰশিক্ষণ গ্ৰহণ কৰি অহা উচিত। এনে প্ৰশিক্ষণৰ কাৰণে প্ৰশিক্ষণ কেন্দ্ৰ প্ৰতিষ্ঠা কৰাটোও অপৰিহাৰ্য্য কথা। গাঁও উন্নয়ন কৰ্ম্মীসকলক যি প্ৰশিক্ষণ দিয়া হয়, যুৱক কৰ্ম্মীসকলকো সেই ধৰণৰ প্ৰশিক্ষণকে দিয়া উচিত। ভাৰত চৰকাৰে চীনলৈ কৃষি সমবায় পদ্ধতি অধ্যয়ন কৰিবৰ বাবে যি এটা প্ৰতিনিধিৰ দল পঠাইছিল, সেই

প্ৰতিনিধিৰ দলটোৱে ঘূৰি আহি তেওঁলোকে দাখিল কৰা প্ৰতিবেদনৰ ১৬১ পৃষ্ঠাৰ কথাখিনি প্ৰশিক্ষণৰ পাঠ্যক্ৰম হিচাপে গ্ৰহণ কৰা উচিত। উদ্যোগী আৰু প্ৰশিক্ষণ প্ৰাপ্ত যুৱকসকলে গাৱঁত কাম কৰি নিশ্চয় সুখ পাব। গাঁও আৰু চহৰৰ মাজত থকা ব্যৱধানক দেশৰ যুৱকসকলেই আঁতৰ কৰিব লাগিব।

## কৃষি সহায়ক সমবায়ৰ আৱশ্যকতা—

কৃষি অৱনতিৰ কাৰণ কি? খণ্ড বিখণ্ডিত হৈ থকা মাটি, মূলধনৰ অভাৱ, নিৰক্ষৰতা, উন্নত জলসিঞ্চনৰ অভাৱ, উন্নত গৰু ম'হৰ অভাৱ, উন্নত শস্যৰ বিধান, সাৰ আৰু কৃষি পামৰ বাবে আৱশ্যকীয় আহিলা পাতিৰ অভাৱৰ ফলতেই আমাৰ কৃষিৰ অৱনতি ঘটিছে বুলি কব লাগিব। যদি নিষ্ঠাৰে আৰু সঠিকৰূপে কৃষি সহায়ক সমবায় সমূহ গঠন কৰি পৰিচালনা কৰিব পৰা যায় তেনেহলে উল্লেখিত সমস্যাসমূহ সমাধান হোৱাৰ উপৰিও কৃষকসকলে বৃহৎ কৃষিপাম গঠন কৰিব পাৰিব আৰু তাৰ দ্বাৰা কৃষিজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধি হব। তাৰোপৰি এনে ব্যৱস্থাই কৃষকৰ মান উন্নয়নতো সহায় কৰিব। গাঁও সমবায় সমূহে গাৱঁৰ খণ্ড বিখণ্ড হৈ থকা মাটি এক-গোট কৰিব পাৰে। যিসকল কৃষকৰ কম মাটি আছে তেওঁলোকে গৰু আদি পোহপাল নকৰাই ভাল; কাৰণ সমবায়ৰ যি ট্ৰেক্টৰ আছে সেই ট্ৰেক্টৰেই তেওঁলোকৰ মাটি চহ কৰি দিব। গাঁও সমবায়েই মাটিৰ উন্নতিৰ বাবে আৱশ্যকীয় খৰচো বহন কৰিব পাৰে।

সমবায় সমূহে জলসিঞ্চনৰ কাৰণে টিউব ওৱেলৰ (নলীনাদ) আৰু গৰু আদিৰ বাবে ঋণ লোৱাৰ ব্যৱস্থা কৰিব পাৰে। কৃষকসকলৰ বাবে উন্নত বিধান আৰু সাৰ আদিৰো ব্যৱস্থা কৰিব পাৰে। ইয়াৰ বাহিৰেও ক্ষুদ্ৰ উদ্যোগত নিবনুৱা ডেকা সকলক নিয়োগ কৰাত, ভূমি সংস্কাৰ কাৰ্য্যত আৰু অন্যান্য আঁচনি সমূহতো এই সমবায় সমূহেই সহায় কৰিব পাৰে।

## যুৱক কৰ্ম্মী আৰু কৃষি সহায়ক সমবায়—

কৃষি সহায়ক আঁচনিৰ তিনি বছৰীয়া আঁচনিত যুৱক কৰ্ম্মীসকলে যথেষ্ট সহায় কৰিব পাৰে। গাঁও সমবায় সমূহক সুখ্যাতিৰে পৰিচালনা কৰা অৱশ্যে কঠিন। এই সমবায় সমূহ অকৃতকাৰ্য্য হোৱাটো এটা দুৰ্ভাগ্যৰ বিষয় আৰু আনৰ কাৰণে এটা বেয়া আৰ্হি। গাঁও সমবায় সমূহ সংগঠন হোৱাৰ পূৰ্ব্বেই সদস্যসকলে সমবায়ৰ উদ্দেশ্য বিশদৰূপে গাঁওবাসীক বুজোৱা উচিত। সমাজৰ বৰ্ত্তমান প্ৰচলিত দোষ সমূহবোৰ কৰ্ম্মীসকলেই গাঁওবাসীক বুজাব লাগিব। এনে কাম কৰিবলৈ যোৱাৰ পূৰ্ব্বেই সমবায়ৰ কৰ্ম্মী আৰু যুৱককৰ্ম্মী সকলে সকলো কথা জানি বুজি লোৱা প্ৰয়োজন। প্ৰত্যেকজন কৰ্ম্মী দক্ষতা সম্পন্ন নহলে আনক অনুধাৱন কৰাব নোৱাৰিব। গাঁওবাসীসকলৰ লগত কৰ্ম্মীসকলে অলপো পাৰ্থক্য ৰাখিব নালাগিব। সঘনে যুৱক কৰ্ম্মীসকলে ব্যক্তিগত-ভাৱে কৃষক সকলকো লগ ধৰি সমবায়ৰ উদ্দেশ্য আৰু তাৰ পোৱা সকলো প্ৰকাৰৰ উপকাৰিতা বুজাব লাগিব। গাঁওৰ বেপাৰী মহাজন সকলে দুখীয়া কৃষকসকলৰ পৰা বস্তু আদি কিনি কেনেকৈ লাভ খায় তাকো বুজাব লাগে। কৃষক সকলে উৎপাদন কৰা বস্তুবোৰ লাভখোৰ মহাজনক নিদি সমবায়ৰ জৰিয়তেই বেহা-বেপাৰ কৰিব পাৰি আৰু তাৰপৰা যে উপকাৰো পোৱা হয় তাকো বুজাব লাগে। গাৱঁৰ কুমাৰ, কমাৰ আদি শিল্পী সকলক একগোট কৰি তেওঁলোকৰো সমবায় প্ৰতিষ্ঠান গঢ়িবলৈ কব লাগে আৰু আৱশ্যকীয় কেঁচা মাল আদি যোগানৰো ব্যৱস্থা কৰিব লাগে।

## যুৱক আৰু যুটীয়া সমবায় কৃষি পদ্ধতি—

যুটীয়া সমবায় কৃষি পদ্ধতিক সংগঠন কৰা আৰু তাক পৰিচালনা কৰা টান কাম। যিসকল খেতিয়কৰ খেতি কৰাৰ যোখাৰে মাটি নাই তেনে খেতিয়কক যুৱক কৰ্ম্মীসকলে লগধৰি কম মাটিত খেতি কৰাৰ আসোঁৱাহ সমূহ বুজাব লাগে। সমবায় ভিত্তিত খেতি কৰিলে কি উপকাৰ পোৱা যায় আৰু অধিক উৎপাদন কেনেকৈ হয় তাক বুজাব লাগে। ইয়াৰ উপৰিও যুৱক কৰ্ম্মীসকলে গাৱঁৰ কেন্দ্ৰ সমূহত বা গাৱঁৰ পুথিভঁৰালত অশিক্ষিত বয়সস্থ সকলক শিক্ষা দিয়াৰো ব্যৱস্থা কৰিব লাগে আৰু গাৱঁৰ সমবায় সমূহে উৎপাদন কৰা সামগ্ৰীৰ আৰু আয় ব্যয়ৰো হিচাপ পত্ৰ ৰাখিবৰ বাবে শিক্ষা দিব লাগে।

যি সকলৰ খেতি-বাতি কৰিবলৈ অধিক মাটি নাই, তেনে খেতিয়কক একেলগ হবলৈ কব লাগে। দহজন খেতিয়কে একেলগ হৈ সমবায় সমিতি গঠন কৰি ৰেজিষ্ট্ৰাৰ কৰি লব পাৰে। যদি দহজন লগ হব নোখোজে, তেনেহলে সংখ্যাও কমাব পাৰে। যদি প্ৰয়োজন হয় তেনেহলে ৰেজিষ্ট্ৰেশ্যনৰ যি আইন কানুন আছে তাকো সংশোধন কৰিবলৈ পৰামৰ্শ দিব লাগে। খেতিয়ক সকলে এইটো মনত ৰখা উচিত যে এনেধৰণৰ সমবায় পদ্ধতিৰে খেতি কৰিলে নিজৰ মালিকানা স্বত্ব লোপ নহয়। পৰাপক্ষত দুজন খেতিয়কেও একেলগ হৈ শস্য উৎপাদনৰ প্ৰতি মনোযোগ দিব পাৰে।

দেশৰ সমবায় সমিতিসমূহ ব্যৰ্থ হোৱাৰ কাৰণ হৈছে সুদক্ষ পৰিচালনা আৰু সমবায় আন্দোলনৰ প্ৰতি গভীৰ জ্ঞান নথকাৰ অভাৱ। খুব খৰখেদাকৈ এই কামত আগবাঢ়ি নগৈ ধীৰে স্থিৰে সকলো কথা উপলব্ধি কৰিহে সমবায় কৃষি পদ্ধতি সংগঠন কৰা প্ৰয়োজন। দেশৰ সমবায় আন্দোলন সুস্থিৰ ৰূপে পৰিচালনা কৰিব লগীয়া হলে এদল সুদক্ষ পৰিচালকৰো প্ৰয়োজন। তেওঁলোকে নিজৰ স্বাৰ্থ বিসৰ্জ্জন দি গাঁওবাসীসকলক সমবায়ৰ ভাবধাৰা অন্তৰত প্ৰবেশ কৰাব লাগিব আৰু তাক কৃতকাৰ্য্য কৰিবৰ বাবে এটা সুস্থিৰ পৰিবেশৰো সৃষ্টি কৰিব লাগিব। এই কাম কৰিব লগীয়া হলে দেশৰ যুৱক অনুষ্ঠানৰ যুৱক কৰ্ম্মীসকল আগবাঢ়ি আহিব লাগিব।

— ◆◆◆◆ —

# ডেনমাৰ্কৰ কথা

প্ৰাপ্ত

ডেনমাৰ্ক এখন সৰু দেশ। ইয়াৰ আয়তন হৈছে ১৬,২০০ বৰ্গ মাইল। নিউইয়ৰ্ক চহৰৰ আধাহে মাত্ৰ। জনসংখ্যা হৈছে ৪,৪০০,০০০ জন। এই সৰু দেশখনে নানান বাধা-বিঘিনিৰ মাজেদি তাহি স্বাৱলম্বী হব পাৰিছে কেৱল সমবায় আন্দোলনৰ দ্বাৰা। দেশখনৰ শতকৰা ২৮ জনে কৃষিত, ৩৩ জনে হস্তশিল্প আৰু অন্যান্য সামগ্ৰী উৎপাদনত, ১৩ জনে বেপাৰ-বাণিজ্যত, ৭ জনে যোগাযোগ আৰু পৰিবহনত, আৰু ৭ জনে প্ৰশাসনীয় কামত জীৱন নিৰ্বাহ কৰে। ডেনমাৰ্কত এনে কোনো সম্পদ নাই, যাৰদ্বাৰা দেশখন সমৃদ্ধিশালী হৈ উঠিব পাৰে। কয়লা, তেল, আৰু অন্যান্য প্ৰাকৃতিক সম্পদত ডেনমাৰ্ক চহকী নহয়। জলবিদ্যুৎ উৎপাদন কৰিবৰ বাবেও তেনে কোনো সুবিধাজনক নদীও নাই। তথাপিতো আজি ডেনমাৰ্কৰ জনসাধাৰণ নিজৰ প্ৰচেষ্টাৰ দ্বাৰা স্বাৱলম্বী হব পাৰিছে। তেওঁলোক স্বাৱলম্বী হোৱাৰ মূলতে হৈছে সমবায় আন্দোলন। কৃষিত, গৰু গাই পোহাত, হাঁহ পাৰ, কুকুৰা আদি পোহাত তেওঁলোকে সমবায় প্ৰথা প্ৰচলন কৰিছে।

এসময়ত ডেনমাৰ্কত কৃষি বিষয়ত এটা অৰ্থনৈতিক সঙ্কটৰ সৃষ্টি হৈছিল। এই সঙ্কট অবসানৰ বাবেও তাৰ জনসাধাৰণে সমবায় প্ৰথা প্ৰচলনৰ প্ৰতি যত্ন কৰে। প্ৰথমতে ডেনমাৰ্কত ১৮৮২ চনত গাখীৰৰ কাৰবাৰ কৰা সমবায় সমিতি এখন গঠন কৰা হয় আৰু ১৮৮৭ চনত সমবায় ভিত্তিত আন এখন "বেকন ফেক্টৰী" গঠন কৰা হয়। বৰ্তমানে ডেনমাৰ্কত ৬১ খন "বেকন ফেক্টৰী" সমবায় প্ৰথাৰে প্ৰচলন কৰা হৈছে।

ডেনমাৰ্কত সমবায় সমিতিসমূহৰ সদস্য সংখ্যা হৈছে ১৮০,০০০ আৰু ২০৮,০০০ খন কৃষি খণ্ড আছে। সমবায় ভিত্তিত প্ৰচলন কৰা "বেকন ফেক্টৰীৰ" সদস্য সংখ্যা হৈছে ২০৬,০০০ জন। ডেনমাৰ্ক আজি এইবিলাক বিষয়তেই সমবায় প্ৰথা প্ৰচলন কৰা নাই— ইয়াৰ বাহিৰেও তাৰ জনসাধাৰণে কণী ব্যৱসায়, হাঁহ পাৰ, কুকুৰা পোহা ব্যৱসায়তো আগবাঢ়ি গৈছে। ডেনমাৰ্কত যি বিলাক বস্তু উৎপাদন হয়, সেইবিলাক বেচা-কিনাৰ বাবেও তেওঁলোকে বেচা-কিনা সমিতি স্থাপন কৰি লৈছে। ইয়াৰ বাহিৰেও কেঁচা মাল কিনা বিষয়তো তেওঁলোকে সমবায় সমিতি স্থাপন কৰিছে। বৰ্ত্তমানে ডেনমাৰ্কত গাখীৰৰ কাৰবাৰে বিশেষ স্থান লাভ কৰিছে। কৃষিজাত আৰু গাখীৰৰ পৰা উৎপাদন হোৱা বস্তুসমূহ, এই সৰু দেশখনে জাৰ্ম্মানী, ইটালি, ফ্ৰান্স আদি ইউৰোপৰ দেশসমূহৰ বাহিৰেও পৃথিবীৰ প্ৰায় সকলো দেশলৈকে ৰপ্তানি কৰিব পাৰিছে।

ডেনমাৰ্কত স্থাপন হোৱা ১,৪৫০ খন ডায়েৰী ফাৰ্ম্মৰ পৰা মাখন, ঘিউ, উৎপাদন কৰা হয় আৰু এই বিলাক বৈজ্ঞানিক পদ্ধতিৰে নিয়ন্ত্ৰণ কৰি নানান দেশলৈ পঠোৱা হয়।

দ্বিতীয় মহাযুদ্ধৰ পিছতো কৃষিৰ বিষয়তো ডেনমার্ক আগবাঢ়ি গৈছে। তেওঁলোকে বৈজ্ঞানিক আৰু নানান কাৰিকৰী পদ্ধতিৰে দেশৰ কৃষি ব্যৱস্থাক আগবঢ়াই নিছে। ১৯৪৪ চ'নত ৪,৪০০ খন টেক্টৰ ফাৰ্ম গঠন কৰা হয় আৰু ১৯৫৬ চনত সেই ফাৰ্মৰ সংখ্যা হয়গৈ ৬৫,০০০ খন। ডেন-মাৰ্কৰ কৃষকসকলৰ মাজত নানান ৰাজনৈতিক মতবাদ যদিও আছে, তথাপি তেওঁলোকে এই বিলাক বিষয়ত একগোট হৈ—নিজৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল কৰিছে। সৰু-বৰ হিচাবে তেওঁলোকে কৃষিপাম গঠন কৰিছে আৰু তাৰ কৃষি পামসমূহৰ সংখ্যা হৈছে ১৪২,০০০ খন। যি বিলাক সৰু সৰু কৃষি পাম আছে তাৰ সদস্য সংখ্যা হৈছে ১১৪,০০০ জন। বৃহৎ আৰু সৰু কৃষি পামসমূহৰ মাজত আজি তেওঁলোকৰ কোনো মতভেদ নাই। সমবায় আন্দোলন দেশত গঢ়ি উঠিব লাগে তাকেই তেওঁলোকে কামনা কৰে।

হেনছ এণ্ডাৰছ'নে বৰ্ণনা কৰা ডেনমাৰ্ক আজি বাস্তৱ ক্ষেত্ৰত পৰিণত হৈছে।

"দেশখন বৰ সুন্দৰ। বৰ্ষাকাল, গমবিলাক হালধীয়া আৰু ওট (জই) বিলাক সেউজীয়া... পথাৰৰ চাৰিও ফালে ডাঙৰ ডাঙৰ গছ আৰু ঘাঁহনি। পথাৰৰ মাজে মাজে বহল দ হ্ৰদ। এয়েই দেশখনক বৰ সুন্দৰ কৰি তুলিছে"।

+++++++

# ডেনমাৰ্কৰ কথা

প্ৰাপ্ত

ডেনমাৰ্ক এখন সৰু দেশ। ইয়াৰ আয়তন হৈছে ১৬,২০০ বৰ্গ মাইল। নিউইয়ৰ্ক চহৰৰ আধাহে মাত্ৰ। জনসংখ্যা হৈছে ৪,৪০০,০০০ জন। এই সৰু দেশখনে নানান বাধা-বিঘিনিৰ মাজেদি আজি স্বাৱলম্বী হব পাৰিছে কেৱল সমবায় আন্দোলনৰ দ্বাৰা। দেশখনৰ শতকৰা ২৮ জনে কৃষিত, ৩৩ জনে হস্তশিল্প আৰু অন্যান্য সামগ্ৰী উৎপাদনত, ১৩ জনে বেপাৰ-বাণিজ্যত, ৭ জনে যোগাযোগ আৰু পৰিবহনত, আৰু ৭ জনে প্ৰশাসনীয় কামত জীৱন নিৰ্বাহ কৰে। ডেনমাৰ্কত এনে কোনো সম্পদ নাই, যাৰদ্বাৰা দেশখন সমৃদ্ধিশালী হৈ উঠিব পাৰে। কয়লা, তেল, আৰু অন্যান্য প্ৰাকৃতিক সম্পদত ডেনমাৰ্ক চহকী নহয়। জলবিদ্যুৎ উৎপাদন কৰিবৰ বাবেও তেনে কোনো সুবিধাজনক নদীও নাই। তথাপিতো আজি ডেনমাৰ্কৰ জনসাধাৰণ নিজৰ প্ৰচেষ্টাৰ দ্বাৰা স্বাৱলম্বী হব পাৰিছে। তেওঁলোক স্বাৱলম্বী হোৱাৰ মূলতে হৈছে সমবায় আন্দোলন। কৃষিত, গৰু গাই পোহাত, হাঁহ পাৰ, কুকুৰা আদি পোহাত তেওঁলোকে সমবায় প্ৰথা প্ৰচলন কৰিছে।

এসময়ত ডেনমাৰ্কত কৃষি বিষয়ত এটা অৰ্থনৈতিক সঙ্কটৰ সৃষ্টি হৈছিল। এই সঙ্কট অৱসানৰ বাবেও তাৰ জনসাধাৰণে সমবায় প্ৰথা প্ৰচলনৰ প্ৰতি যত্ন কৰে। প্ৰথমতে ডেনমাৰ্কত ১৮৮২ চনত গাখীৰৰ কাৰবাৰ কৰা সমবায় সমিতি এখন গঠন কৰা হয় আৰু ১৮৮৭ চনত সমবায় ভিত্তিত আন এখন "বেকন ফেক্টৰী" গঠন কৰা হয়। বৰ্ত্তমানে ডেনমাৰ্কত ৬১ খন "বেকন ফেক্টৰী" সমবায় প্ৰথাৰে প্ৰচলন কৰা হৈছে।

ডেনমাৰ্কত সমবায় সমিতিসমূহৰ সদস্য সংখ্যা হৈছে ১৮০,০০০ আৰু ১০৮,০০০ খন কৃষি খণ্ড আছে। সমবায় ভিত্তিত প্ৰচলন কৰা "বেকন ফেক্টৰীৰ" সদস্য সংখ্যা হৈছে ২০৬,০০০ জন। ডেনমাৰ্ক আজি এইবিলাক বিষয়তেই সমবায় প্ৰথা প্ৰচলন কৰা নাই— ইয়াৰ বাহিৰেও তাৰ জনসাধাৰণে কণী ব্যৱসায়, হাঁহ পাৰ, কুকুৰা পোহা ব্যৱসায়তো আগবাঢ়ি গৈছে। ডেনমাৰ্কত যি বিলাক বস্তু উৎপাদন হয়, সেইবিলাক বেচা-কিনাৰ বাবেও তেওঁলোকে বেচা-কিনা সমিতি স্থাপন কৰি লৈছে। ইয়াৰ বাহিৰেও কেঁচা মাল কিনা বিষয়তো তেওঁলোকে সমবায় সমিতি স্থাপন কৰিছে। বৰ্ত্তমানে ডেনমাৰ্কত গাখীৰৰ কাৰবাৰে বিশেষ স্থান লাভ কৰিছে। কৃষিজাত আৰু গাখীৰৰ পৰা উৎপাদন হোৱা বস্তুসমূহ, এই সৰু দেশখনে জাৰ্ম্মানী, ইটালি, ফ্ৰান্স আদি ইউৰোপৰ দেশসমূহৰ বাহিৰেও পৃথিৱীৰ প্ৰায় সকলো দেশলৈকে ৰপ্তানি কৰিব পাৰিছে।

ডেনমাৰ্কত স্থাপন হোৱা ১,৪৫০ খন ডায়েৰী ফাৰ্ম্মৰ পৰা মাখন, ঘিউ, উৎপাদন কৰা হয় আৰু এই বিলাক বৈজ্ঞানিক পদ্ধতিৰে নিয়ন্ত্ৰণ কৰি নানান দেশলৈ পঠোৱা হয়।

দ্বিতীয় মহাযুদ্ধৰ পিছতো কৃষিৰ বিষয়তো ডেনমাৰ্ক আগবাঢ়ি গৈছে। তেওঁলোকে বৈজ্ঞানিক আৰু নানান কাৰিকৰী পদ্ধতিৰে দেশৰ কৃষি ব্যৱস্থাক আগবঢ়াই নিছে। ১৯৪৪ চ'নত ৪,৪০০ খন টেক্টৰ ফাৰ্ম গঠন কৰা হয় আৰু ১৯৫৬ চনত সেই ফাৰ্মৰ সংখ্যা হয়গৈ ৬৫,০০০ খন। ডেন-মাৰ্কৰ কৃষকসকলৰ মাজত নানান ৰাজনৈতিক মতবাদ যদিও আছে, তথাপি তেওঁলোকে এই বিলাক বিষয়ত একগোট হৈ—নিজৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল কৰিছে। সৰু-বৰ হিচাবে তেওঁলোকে কৃষিপাম গঠন কৰিছে আৰু তাৰ কৃষি পামসমূহৰ সংখ্যা হৈছে ১৪২,০০০ খন। যি বিলাক সৰু সৰু কৃষি পাম আছে তাৰ সদস্য সংখ্যা হৈছে ১১৪,০০০ জন। বৃহৎ আৰু সৰু কৃষি পামসমূহৰ মাজত আজি তেওঁলোকৰ কোনো মতভেদ নাই। সমবায় আন্দোলন দেশত গঢ়ি উঠিব লাগে তাকেই তেওঁলোকে কামনা কৰে।

হেনছ এণ্ডাৰছনে বৰ্ণনা কৰা ডেনমাৰ্ক আজি বাস্তৱ ক্ষেত্ৰত পৰিণত হৈছে।

"দেশখন বৰ সুন্দৰ। বসন্তকাল, গমবিলাক হালধীয়া আৰু ওট (জই) বিলাক সেউজীয়া··· পথাৰৰ চাৰিও ফালে ডাঙৰ ডাঙৰ গছ আৰু ঘাঁহনি। পথাৰৰ মাজে মাজে বহল দ হ্ৰদ। এয়েই দেশখনক বৰ সুন্দৰ কৰি তুলিছে"।

✦✦✦✦✦✦✦

# অসমৰ পঞ্চায়ত

**শ্ৰীফখৰুদ্দিন আলি আহমেদ**
অসমৰ বিত্ত আৰু স্বায়ত্ত শাসন
বিভাগৰ মন্ত্ৰী।

পঞ্চায়ত ব্যৱস্থা ভাৰতৰ বা অসমৰ কাৰণে একো নতুন কথা নহয়। বৃটিছ অহাৰ বহু পূৰ্ব্বৰে পৰা আৰু আধুনিক সভ্যতাই ভাৰতৰ গ্ৰাম্য অৰ্থনীতি বিজতৰায়া কৰাৰ আগতেই আমাৰ অসমত "দহৰ কাৰণে একজনে" আৰু "একজনে দহৰ কাৰণে" এই ভাবেৰে কাম কৰাৰ মনোভাব প্ৰচলিত আছিল। এনে ভাবধাৰাৰেই অসমৰ গ্ৰাম্য প্ৰশাসনীয় ব্যৱস্থাও চলিছিল। গঞা ৰাইজৰ ইচ্ছানুসাৰেই পঞ্চায়তসমূহ গঠন কৰা হৈছিল আৰু তেওঁলোকৰ অৰ্থনৈতিক সমস্যা সমাধান কৰাৰ উপৰিও সামাজিক বাদ-বিসম্বাদ সমূহো মীমাংসা কৰা হৈছিল। সাধাৰণতে এনে অনুষ্ঠান সমূহ ৰাইজৰ স্বতঃ স্ফুট অনুষ্ঠান হিচাবে গঢ়ি উঠিছিল। ইয়াৰ দ্বাৰা তেওঁলোকে একেলগে উঠাবহা কৰিছিল আৰু একেলগে কাম কৰিছিল। উমৈহতীয়া সুখ সুবিধাৰ বাবে সকলোৱে যত্নও কৰিছিল। কিন্তু কালৰ কুটিল গতিত এই অনুষ্ঠানসমূহ জঁয় পৰি গ'ল। দেশ স্বাধীন হোৱাৰ পিচত ৰাইজৰ অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক বিকাশৰ কাৰণে পঞ্চায়ত অনুষ্ঠানক আকৌ পুনঃজীৱিত কৰাৰ প্ৰচেষ্টা চলোৱা হয়।

গাঁও পঞ্চায়ত গঠনৰ বাবে ভাৰতীয় সংবিধানে ব্যৱস্থা দিছে। এই অনুযায়ী ১৯৪৭ চনতে অসমে পঞ্চায়ত গঠনৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰে আৰু ১৯৪৮ চনত অসমত পঞ্চায়ত আইন এখন প্ৰণয়ন কৰা হয়। এই আইন অনুসাৰে অসমৰ গাঁও এলেকাৰ বয়সস্থ লোকসকলৰ দ্বাৰা প্ৰাথমিক পঞ্চায়ত গঠন কৰা হয়। ইয়াৰ পিচত একোখন কাৰ্য্যনিৰ্ব্বাহক কমিটীও নিৰ্বাচিত কৰি লোৱা হয়। প্ৰাথমিক পঞ্চায়ত সমূহে "কৰেল" পঞ্চায়তসমূহলৈ প্ৰতিনিধি নিৰ্ব্বাচিত কৰি পঠায়। চৰকাৰৰ ৰাজহ সংগ্ৰহ কৰা এলেকাবিলাক লৈয়েই "কৰেল" পঞ্চায়ত গঠন কৰা হৈছিল। গাঁৱৰ স্বাস্থ্যৰক্ষা, সাৰ প্ৰস্তুত কৰা, কৃষি উৎপাদন কৰা, কুটিৰ আৰু অন্যান্য ক্ষুদ্ৰায়তন শিল্পৰ প্ৰসাৰ সাধন কৰা, ৰাস্তা-পদূলি নিৰ্ম্মাণ কৰা আৰু গাঁও অঞ্চলৰ দেৱানী আৰু ফৌজদাৰী মেল মোকৰ্দ্দমা কৰাৰ ক্ষমতাও দিয়া হৈছিল। অৱশ্যে ফৌজদাৰী আৰু দেৱানী বিষয়ত ইয়াৰ ক্ষমতা কিছু সীমাবদ্ধ আছিল। ইয়াৰ বাহিৰেও এই পঞ্চায়তেই গাঁও সমবায় আদি গঠন কৰি কৃষি ব্যৱস্থা প্ৰচলন কৰিছিল। কাম পৰিচালনা কৰিবৰ বাবে পঞ্চায়ত সমূহৰ একোটা নিজা পুঁজিও আছিল—তাৰ বাহিৰেও গাঁও অঞ্চলৰ উন্নয়নমূলক কাৰ্য্য পৰিচালনা

কৰিবৰ বাবে চৰকাৰৰ তৰফৰ পৰাও সাহাষ্য আগবঢ়োৱা হৈছিল।

অসমৰ ৬ষ্ঠ অনুসূচীত অঞ্চলসমূহৰ বাহিৰে বাকী সমগ্র ৰাজ্যতে ২৬৫৭ খন প্রাথমিক আৰু ৪২২ খন গ্রাম্য পঞ্চায়ত গঠন কৰা হৈছিল। কিছুমান অঞ্চলত পঞ্চায়ত আদালতো গঠন কৰা হৈছিল। স্থানীয় যিবিলাক নিকায় আছিল, সেই নিকায় সমূহৰ কিছুমান কাম আৰু সম্পদ পঞ্চায়ত সমূহক দিয়া হৈছিল। জিলা আৰু মহকুমা সমূহত ইউনিয়ন পঞ্চায়ত গঠন কৰি অৱশেষত স্থানীয় নিকায় সমূহক লুপ্ত কৰাৰ সিদ্ধান্ত কৰা হয়। স্থানীয় স্বায়ত্ব শাসন আদি চলোৱাৰ বাহিৰেও নিজ নিজ অঞ্চলত এই পঞ্চায়ত সমূহে অন্যান্য উন্নয়ন মূলক কামৰ দায়িত্ব বহন কৰিব লগাত পৰিছিল।

অসমত পুৰণিযে পৰা পঞ্চায়ত ব্যৱস্থাৰ এটা বিশেষ খ্যাতি আছে; কিন্তু তাকে সমূহীয়া উন্নয়ন আঁচনিৰ ভিতৰ নাইবা সম্প্রসাৰণ সেৱা খণ্ডৰ কামত তাক ব্যৱহাৰ কৰা হোৱা নাছিল। শ্রীবলৱন্তৰায় মেহতাৰ নেতৃত্বত গঠিত হোৱা অধ্যয়ন কমিটীৰ প্রতিবেদনত কোৱা হয় যে এই আঁচনিয়ে জনসাধাৰণৰ বিশেষ সমাদৰ লাভ কৰিব পৰা নাই আৰু উন্নয়নমূলক কাম কৰিবৰ বাবে আশানুৰূপ ভাবে বাইজৰ পৰাও সহযোগো লাভ কৰিব পৰা নাই। প্রকৃত উদ্দেশ্যত উপনীত হব লগীয়া হলে আৰু গ্রাম্য জীৱনৰ সকলো প্রকাৰৰ উন্নতি কৰিব লগীয়া হলে, পঞ্চায়তৰ পৰিসৰ বৃদ্ধি কৰিব লাগিব আৰু তাৰ প্রশাসনীয় ব্যৱস্থাৰো উন্নতি কৰিব লাগিব। সমূহীয়া উন্নয়ন মূলক আঁচনি কাৰ্য্যকৰী কৰিবৰ বাবে এই অনুষ্ঠান সমূহৰ ক্ষমতা বিকেন্দ্রীকৰণ কৰাৰ কথাও চিন্তা কৰা হয়। ৰাজ্যিক চৰকাৰে উক্ত কমিটীৰ অনুমোদনাৱলী গ্রহণ কৰে আৰু ১৯৪৮ চনৰ পঞ্চায়ত আইনৰ সংশোধন কৰিবলৈ সিদ্ধান্ত কৰে।

ইয়াৰ ফলত ১৯৫৯ চনত পঞ্চায়ত আইন নতুনকৈ প্রণয়ন কৰা হয় আৰু ১৯৫৯ চনৰ ১ অক্টোবৰৰ পৰা তাক কাৰ্য্যকৰী কৰা হয়। এই আইন মতে দুটা পৰ্য্যায়ত পঞ্চায়ত গঠন কৰা হয়।

(১) গাঁও পৰ্য্যায়ৰ মূল ভেটি স্বৰূপে গাঁও পঞ্চায়ত গঠন আৰু (২) ব্লক পৰ্য্যায়ত আঞ্চলিক পঞ্চায়ত গঠন। এই পঞ্চায়ত আইন বলবৎ হোৱাৰ লগে লগেই ১৯৪৮ চনৰ পঞ্চায়ত আইন। গাঁও পঞ্চায়ত আৰু ৰুৰেল পঞ্চায়ত ব্যৱস্থাৰ অৱসান ঘটে ইয়াৰ বাহিৰেও ৰাজ্যৰ ১৫ খন মহকুমাৰ ১৫খন স্থানীয় নিকায়ৰো অৱসান ঘটে। এটা সীমাবদ্ধ ক্ষমতাৰ ভিতৰত মহকুমা পৰ্য্যায়ত একোখন মহকুমা পৰিষদ গঠনৰ সিদ্ধান্ত কৰা হয়।

এই আইন অনুসাৰে গাঁও সভাৰ বয়সস্থ ৰাইজৰ প্রত্যেক্ষ ভোট দানৰ দ্বাৰা গাঁও পঞ্চায়তত সভাপতি, উপ সভাপতি, আৰু সদস্য সকলক নিৰ্ব্বাচিত কৰাৰ ব্যৱস্থা কৰা হয়। ইয়াৰ উপৰিও আঞ্চলিক পঞ্চায়তৰ প্রতিনিধি সকলকো নিৰ্ব্বাচিত কৰা হয়। আইন মতে, অনুসূচীত জাতি, অনুসূচীত জনজাতি সকলৰ পৰাও একোজন সদস্য ভৰ্ত্তি কৰি লোৱাৰ ব্যৱস্থা কৰা হয়। অৱশ্যে উক্ত সম্প্রদায়ৰ লোক যদি পঞ্চায়ত সমূহলৈ নিৰ্ব্বাচিত হৈ আহে তেন্তে ভৰ্ত্তি কৰি লোৱাৰ প্রশ্ন আৰু নুঠে। ইয়াৰ বাহিৰেও, যদি কোনো মহিলা নিৰ্ব্বাচিত হৈ নাহে তেন্তে গাঁও পঞ্চায়তত মহিলাকো ভৰ্ত্তি কৰি লোৱাৰো ব্যৱস্থা আছে। আঞ্চলিক পৰিষদৰ অন্তৰ্গত কোনো সমবায় অনুষ্ঠানৰ পৰা চেয়াৰমেনৰ দ্বাৰা প্রতিনিধি নিৰ্ব্বাচিত কৰাৰো ব্যৱস্থা আছে। অঞ্চলৰ লোক সভাৰ সদস্য আৰু বিধান সভাৰ সদস্য সকলকো আঞ্চলিক পঞ্চায়তত ভৰ্ত্তি কৰি লব পাৰিব; কিন্তু তেওঁলোকৰ কোনো ভোট দানৰ ক্ষমতা নাথাকিব।

মহকুমা ভিত্তিত মহকুমা পৰিষদ গঠন কৰা হব। সাধাৰণতে ইয়াক কম বেছি পৰিমাণে উপদেষ্টা কমিটী হিচাপেও গণ্য কৰা হব। সকলো আঞ্চলিক পঞ্চায়তৰ সভাপতি, এম, পি, আৰু এম, এল, এ, সকলক লৈয়েই এই মহকুমা পৰিষদ গঠন কৰা হব। মিউনিচিপালিটীৰ নগৰ কমিটীৰ আৰু স্কুল বৰ্ডৰ চেয়াৰমেন সকলক ইয়াৰ পদেন সদস্য হিচাবে লোৱা হব। মহকুমা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ বাবে ৰাজ্যিক চৰকাৰে কাৰিকৰী লোকসকলক মনোনীত কৰাৰো ক্ষমতা আছে।

এই আইন বলবৎ হোৱাৰ লগে লগেই স্থানীয় নিকায় সমূহৰ সলনি ১৬ খন মহকুমা পৰিষদ গঠন হয় আৰু ১৯৪৮ চনত পঞ্চায়ত আইন মতে গঠন হোৱা ৪২২ খন কেৱল পঞ্চায়তৰো অৱসান ঘটে। কেৱল পঞ্চায়তসমূহ অৱসান হোৱাৰ ফলত অসমৰ পাৰ্বত্য জিলা কেইখনৰ বাহিৰে বাকী জিলা কেইখনত ১১৮ খন আঞ্চলিক পঞ্চায়ত গঠন হয়। পূৰ্ব্বৰ প্ৰাথমিক পঞ্চায়তসমূহৰ সলনি গাঁও পঞ্চায়তে ৰূপ লয়।

মহকুমা পৰিষদ সমূহৰ প্ৰধান কাৰ্য্য হব উপদেষ্টা কমিটী হিচাবে কাম কৰা। আঞ্চলিক পঞ্চায়ত সমূহৰ বাজেট নিৰীক্ষণ কৰাৰ বাহিৰেও, এই পৰিষদে মহকুমাৰ উন্নয়নমূলক আঁচনি আদি প্ৰণয়ন কৰাত সহায় কৰিব। আগতে স্থানীয় নিকায় সমূহৰ যি কাৰ্য্য আছিল বৰ্ত্তমানে সেই কাৰ্য্যসমূহ আঞ্চলিক আৰু গাঁও পঞ্চায়ত সমূহৰ হাতলৈ আহে। অঞ্চলৰ স্বাস্থ্যৰক্ষা, গড়কাপ্তানি, শিক্ষা, গাঁও প্ৰতিৰক্ষা, কল্যাণমূলক কাম, কৃষি, উৎপাদন, পশু আদিৰ উন্নয়ন আৰু বন আদি সংৰক্ষা কৰাৰ সকলো উন্নয়নমূলক কামবোৰ এই আঞ্চলিক পঞ্চায়তৰ দ্বাৰা সম্পাদন কৰা হব। আইন অনুসাৰে গাঁও পঞ্চায়ত সমূহেও একোটা স্বতন্ত্ৰ গোট হিচাপে কাম কৰাৰ ক্ষমতা থাকিব। এই পঞ্চায়ত সমূহৰ নাগৰিক আৰু প্ৰশাসনীয় কাৰ্য্যসমূহ পৰিচালনা কৰাৰ ক্ষমতা থাকিব আৰু ইয়াৰ উপৰিও, খোৱা পানীৰ যোগান ধৰা, ৰাস্তা পদূলিত পোহৰৰ ব্যৱস্থা কৰা, খাল দোং পৰিষ্কাৰ কৰা, মাতৃ-মঙ্গল আৰু শিশুকল্যাণ কাৰ্য্য কৰা, বজাৰ, জলসিঞ্চন, পুখিভঁৰাল, শিক্ষা সম্প্ৰসাৰণ কৰা, সাংস্কৃতিক বিকাশ সাধন কৰা আদি কাৰ্য্যবোৰ সম্পাদন কৰিব।

গাঁও পঞ্চায়ত সমূহক অঞ্চলৰ শতকৰা ১৫ ভাগ মাটিৰ ৰাজহ দিয়া হব; আৰু তাৰ উপৰিও সমষ্ট স্থানীয় কৰ কাটলৰ অংশও দিয়া হব। ইয়াৰ বাহিৰেও সৰু সৰু বজাৰ আদিৰ পৰাও কৰ আদি পাব আৰু আইনমতে কৰ কাটলো ধাৰ্য্য কৰিব পাৰিব। প্ৰত্যেক গাঁও পঞ্চায়তৰে একোটা পুঁজি থাকিব আৰু বাজেট তৈয়াৰ কৰিব। বাজেটৰ নিকাৰে অঞ্চলৰ সকলো উন্নয়নমূলক কামতো নিয়োগ কৰিব।

খণ্ডৰ ভিতৰৰ সমষ্টীয়া উন্নয়ন আঁচনিক আঞ্চলিক পঞ্চায়ত সমূহে কাৰ্য্যকৰী কৰিব। উন্নয়ন খণ্ডৰ যি জন বিষয়া থাকিব, তেওঁৱেই আঞ্চলিক পঞ্চায়তৰ সম্পাদক হিচাবে কাম কৰিব। তেওঁলোকে খণ্ডৰ সকলো উন্নয়নমূলক কামৰ আঁচনি প্ৰস্তুত কৰিব। অঞ্চলৰ পৰা হোৱা মাটিৰ ৰাজহৰ শতকৰা ১০ ভাগ পুঁজিৰে তেওঁলোকৰ একোটা পুঁজি থাকিব আৰু অন্যান্য বিষয় সমূহৰ পৰাও ৰাজহ আদায় কৰিব। ইয়াৰ দ্বাৰাই তেওঁলোকে বাজেট তৈয়াৰ কৰিব।

ইয়াৰ বাহিৰেও পঞ্চায়ত আদালত গঠন কৰা হব। এই পঞ্চায়ত আদালতত সীমাবদ্ধ ভাৱে দেৱানী আৰু ফৌজদাৰী বিবাদ সমূহো নিষ্পত্তি কৰিব পৰাৰ ক্ষমতা থাকিব। গাঁও

পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু মহকুমা পৰিষদৰ নিৰ্বাচন স্থগিত ৰাখিবৰ বাবে আৱশ্যকীয় আইন জাৰি কৰি আঞ্চলিক আৰু মহকুমা পৰিষদৰ বাবে এডহক কমিটী গঠন কৰিব পাৰিব।

এই ক্ষেত্ৰত অসমে নিম্ন পৰ্য্যায়ৰ পৰাই ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰিবৰ বাবে এটা বৈপ্লৱিক পদক্ষেপ গ্ৰহণ কৰিছে। ভাৰতৰ ৰাজস্থান, অন্ধ্ৰ আদি অন্যান্য ৰাজ্যই যি এটা পন্থা গ্ৰহণ কৰিছে অসমেও তাকে গ্ৰহণ কৰিব পাৰিছে। নিম্ন পৰ্য্যায়ৰ পৰাই দেশক গঢ় দিবৰ বাবে ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰা হৈছে। ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ দ্বাৰা অঞ্চলৰ উন্নয়নমূলক কাম আৰু দায়িত্ব পালনৰ ভাৰ ৰাইজক অৰ্পণ কৰা হৈছে। এই ব্যৱস্থাবোৰ গ্ৰহণ কৰাৰ মূল লক্ষ্য হৈছে বাপুজীৰ "ৰামৰাজ্য" বা "পঞ্চায়তৰাজ" প্ৰতিষ্ঠা কৰা। এই পঞ্চায়তৰাজ প্ৰতিষ্ঠাৰ বাবে সকলোৰে এটা উল্লেখনীয় দায়িত্ব আছে। আমি আশা কৰো দেশৰ সকলো নাগৰিকে এই দায়িত্ব পালন কৰি বৈপ্লৱিক পন্থাক কাৰ্য্যকৰী কৰিব।

# অসমত ছাৰ্ভিচ কো-অপাৰেটিভ

শ্ৰীকুসুম ফুকন

অসমৰ দ্বিতীয় পাচবছৰীয়া পৰিকল্পনাৰ কাল ছোৱাত সমবায় উন্নয়ন আঁচনিৰ ভিতৰত বৃহৎ ঋণ-দানসমিতি গঠনৰ আঁচনি লোৱা হৈছিল। এই আঁচনি মতে পৰিকল্পনাৰ কালছোৱাত ৰাজ্যত ৩০০ খন বৃহৎ ঋণ-দান সমবায় গঠনৰ কাম হাতত লোৱা হয়। এনে বৃহৎ সমিতি গঠন কৰোতে ডাঙৰ এলেকা ধৰি সৰহ সংখ্যক সভ্যৰে সমিতি গঠন কৰা কথা লক্ষ্য ৰখা হৈছিল আৰু তেনে কৰাৰ উদ্দেশ্য আছিল সমিতি বোৰত সৰহ সংখ্যক সভ্য হলে ব্যৱসায় বহুল হব; সমিতিৰ ব্যৱসায়ৰ পৰা সৰহ আয় হব। সমিতিয়ে নিজৰ ভৰিৰ ওপৰত নিজে থিয় হব পাৰিব। ১৯৫৮-৫৯ চনৰ শেষলৈকে মুঠতে ২১৯ খন এনে সমবায় সমিতি গঠন কৰা হয়। ভাৰতৰ প্ৰায় সকলো ৰাজ্যত এনে বৃহৎ ঋণ-দান সমিতি গঠন হোৱাৰ পিচত দেখা গ'ল যে এনে সমিতিৰ আৰ্থিক অৱস্থাৰ ফালৰ পৰা অচ্ছল হলেও সমিতিৰ সভ্য সকলৰ মাজত বিশ্বাস আৰু মিলাপ্ৰীতি ভাৱৰ অভাৱ হয়। আনহাতে সমবায়ৰ সভ্যসকলৰ মাজত এনেবিলাক ভাব অতি প্ৰয়োজনীয় আৰু ইয়াৰ অভাৱ হলে সভ্যসকলৰ মাজত প্ৰকৃত সমবায় মনোভাৱ গঢ়ি নুঠে। বৃহৎ ঋণ-দান সমবায় সমিতিৰ এনেবিলাক আসোৱাহ ওলোৱাৰ ফলত ভাৰত চৰকাৰে দেশৰ সমবায় আঁচনি পুনৰ বিবেচনা কৰিব লগা হয় আৰু ১৯৫৮ চনৰ নবেম্বৰ মাহত বহা জাতীয় উন্নয়ন সন্থা ( N. D. C. )ৰ অধিবেশনত বৃহৎ ঋণ-দান সমিতিৰ পৰিবৰ্ত্তে প্ৰতি গাৱেঁ গাৱেঁ সৰু সৰু ছাৰ্ভিচ কো-অপাৰেটিভ বা কৃষি সহায়ক সমবায় সংগঠনৰ অনুমোদন কৰে আৰু মহীশূৰত ১৯৫৯ চনৰ জুলাই মাহত বহা সমবায় মন্ত্ৰীসকলৰ সন্মিলনত দেশত ছাৰ্ভিচ ক'-অপাৰেটিভ গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ ফলত প্ৰত্যেক ৰাজ্যতে বৃহৎ ঋণ-দান সমিতি গঠনৰ আঁচনিৰ ঠাইত পৰিকল্পনাৰ বাকী থকা কালছোৱাত ছাৰ্ভিচ ক'-অপাৰেটিভ গঠনৰ আঁচনি হাতত লোৱা হৈছে। এই অনুসৰে এতিয়া অসমতো ছাৰ্ভিচ ক'-অপাৰেটিভ গঠনৰ আঁচনিৰ কাম চলিছে।

"ছাৰ্ভিচ কো-অপাৰেটিভ' 'নো কি? এই বিষয়ে অৱশ্যে অনেকৰ মনত এটা অস্পষ্ট ধাৰণা আছে। একেষাৰে কবলৈ গলে ছাৰ্ভিচ ক'-অপাৰেটিভ হ'ল খেতিয়ক ৰাইজক খেতিৰ কামত সকলো ধৰণে সহায় দিব পৰা সমবায় সমিতি।

এই উদ্দেশ্যৰ ফালৰ পৰা চাই ইয়াক "কৃষি সহায়ক সমবায় সমিতি" বোলা হৈছে। কৃষি সহায়ক সমিতিৰ ঘাই কামবোৰ হব খেতিয়কক বছেৰেকীয়া, মধ্য কালিন ঋণ যোগান দিয়া, খেতিৰ কাৰণে প্ৰয়োজনীয় আন আন বস্তু যেনে — সাৰ, বীজ, উন্নত ধৰণৰ সা-সৰঞ্জাম যোগান ধৰা, পানী যোগানৰ ব্যৱস্থা কৰা আদি। ইয়াৰ বাহিৰেও সমিতিয়ে গাওঁৰ খেতিয়ক সকলৰ শস্য ওপৰৰ মাৰ্কেটিং ক'-অপাৰেটিভ বা বেচা-কিনা সমবায় সমিতিৰ জৰিয়তে লাভ জনক ভাৱে বিক্ৰী কৰাৰ ব্যৱস্থা কৰিব। সমিতিৰ আৰু এটা প্ৰধান কাম হব ওপৰৰ "ফিল্ড মেনেজমেণ্ট কমিটি" বা পথাৰ পৰিচালনা কমিটিৰ লগত লগ লাগি বা তেনে সমিতি নাথাকিলে পঞ্চায়তৰ সহযোগে খেতিয়ক সকলে অধিক শস্য উৎপাদন কৰিবৰ বাবে কেনে ভাৱে খেতি কৰিব, কি খেতি কৰিব, কিমান কৰিব, খেতি কৰিবৰ কাৰণে খেতিয়কক লগা বস্তু কেনেকৈ যোগান ধৰিব—আদি সকলো কথা খৰচি মাৰি আলোচনা কৰি গাওঁৰ কাৰণে এখন সুচিন্তিত কৃষি উৎপাদন আঁচনি তৈয়াৰ কৰিব। সেই আঁচনি মতে গাওঁখনত খেতি কৰিব। কৃষিৰ লগত সম্বন্ধ থকা এই সকলো কামৰ দায়িত্ব পৰিব এতিয়া গাওঁৰ কৃষি সহায়ক সমিতিৰ ওপৰত। আৱশ্যক মতে খেতিয়কসকলৰ নিত্য প্ৰয়োজনীয় বস্তু যেনে—কেৰাচিন, নিমখ, চেনি ইত্যাদি বস্তু যোগান ধৰাও সমিতিৰ উদ্দেশ্যৰ ভিতৰতে পৰিব। আৰম্ভণীতে এই সকলোবোৰ কাম হাতত লোৱা সম্ভৱ নহয়। আৰু নতুন সমিতি এখনৰ কাৰণে সি উচিতো নহব। সেইবাবে প্ৰথম অৱস্থাত সমিতিয়ে কৃষি উন্নতিৰ সকলো কাম হাতত লৈ উৎপাদন বৃদ্ধিৰ ব্যৱস্থা কৰিব। অন্যান্য কাম-বিলাকো লাহে লাহে হাতত লব লাগিব।

খেতিয়কক খেতিৰ কামত সকলো প্ৰকাৰে সহায় কৰিবলৈ এতিয়া অসমতো কৃষি সহায়ক সমবায় গঠনৰ চেষ্টা কৰা হৈছে। এই আঁচনি মতে ১৯৫৯-৬০ চনৰ ভিতৰতে মুঠ ৩০০০ এনে সমিতি গঠন কৰিবলৈ লোৱা হৈছে। ইয়াৰ ভিতৰতে ১৪০০ খন হব নতুন সমিতি বাকী ১৬০০ খন পুৰণি ঋণ-দান সমিতি পুনৰ গঠন কৰি কৃষি সহায়ক সমিতিলৈ পৰিবৰ্ত্তন কৰি লোৱা হব। যিহেতু চলিত বছৰৰ বাকী কালছোৱা আৰু দ্বিতীয় পৰিকল্পনাৰ শেষ বছৰতে (১৯৬০-৬১ চনত) গোটেই দেশখন ছাৰ্ভিচ কো-অপাৰেটিভেৰে ভৰাই পেলোৱা টকা পইচা আৰু কৰ্ম্মীৰ অভাৱৰ বাবে সম্ভৱ নহব, সেইবাবে বৰ্ত্তমান বছৰৰ বাকী কালছোৱাৰ ভিতৰত নগাওঁ, দৰং, কামৰূপ, কাছাৰ জিলা, উত্তৰ-লক্ষীমপুৰ আৰু ডিফু মহকুমাহে ছাৰ্ভিচ ক'-অপাৰেটিভেৰে সম্পূৰ্ণ ৰূপে গঠন কৰিবলৈ কাম হাতত লোৱা হৈছে। উপৰুক্ত অঞ্চলৰ বাহিৰে ভৈয়ামৰ বাকী কেইখন জিলা কেৱল সমূহীয়া উন্নয়ন খণ্ড বোৰতে কৃষি সহায়ক সমিতি সম্প্ৰতি গঠন কৰা হব। জাতীয় উন্নয়ন সংস্থাৰ (N.D.C.) প্ৰস্তাৱ মতে তৃতীয়পঞ্চবাৰ্ষিক পৰিকল্পনাৰ শেষত গোটেই দেশখন ছাৰ্ভিচ ক'-অপাৰেটিভেৰে চাটি পেলাবলৈ পৰামৰ্শ দিছে। আমি ওপৰত উল্লেখ কৰা গতিৰে আগ বাঢ়িব পাৰিলে তৃতীয় পৰিকল্পনাৰ মাজ ভাগতে গোটেই ৰাজ্যতে ছাৰ্ভিচ ক'-অপাৰেটিভ গঠন কৰিব পৰা হব।

কৃষি সহায়ক সমিতিৰ এলেকা সাধাৰণতে এখন গাওঁৰ মাজতে আবদ্ধ থাকিব। কাৰণ গাওঁৰ ৰাইজৰ মাজত থকা একতা সৎভাব মিলাপ্ৰীতি পাৰস্পাৰিক সহায় সহানুভূতি মনোভাৱৰ ওপৰত ভেটি কৰিয়েই সমিতিখন গঠিত হব লাগিব। একোখন সমিতিয়ে ১০০০ লোক সংখ্যা বা ২০০

পৰিয়ালতকৈ বেছি মানুহ সামৰিব নালাগিব। এই হিচাবত একো একোখন পঞ্চায়তৰ এলেকাত এখনতকৈ বেছি সমবায় সমিতি দৰ্কাৰ হব পাৰে। এখনতকৈ বেছি সমিতি গঠন কৰিলেও অৱশ্যে চাব লাগিব যাতে কোনোখন সমিতিৰে এলেকা দুখন পঞ্চায়তত নপৰে। যি গাওঁত লোকসংখ্যা অতি কম তেনে ঠাইত গাওঁখনৰ ভিতৰতে এলেকা ৰাখি সমিতি গঠন কৰা সম্ভৱ নহব পাৰে; তেতিয়া হলে ওচৰৰ আন গাওঁত সকলো ৰাইজৰ সম্মতিক্ৰমে দুখন বা তাতোকৈ বেছি গাওঁ লগ লাগি ২০০ মান পৰিয়ালকে সামৰি একোখন কৃষি সহায়ক সমিতি গঠন কৰিব পাৰিব। মুঠৰ ওপৰত সভ্যসকলৰ ইচ্ছা অনুসৰি সমিতি গঠন হব লাগিব সভ্যসকলৰ মাজত চিনা পৰিচয় আৰু পৰস্পৰৰ ভিতৰত সৎভাৱ আৰু সহানুভূতিশীল মনোভাৱৰ ওপৰত। সকলো কথাত সমিতিয়ে তাৰ এলেকাত থকা পঞ্চায়তৰ লগত সংযোগ ৰাখি চলিব লাগিব। পঞ্চায়তৰ এলেকাৰ লগত খাপ খুৱাই সমিতি গঠনত এই কাৰণেই জোৰ দিয়া হৈছে।

কৃষি সহায়ক সমিতিৰ দায়িত্ব সীমাবদ্ধ বা অসীম হব পাৰিব। দায়িত্ব কেনে ধৰণৰ হব সি সভ্যসকলৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিব।

এতিয়া কৈ অহা নিয়মবিলাক ঠাইত এই বছৰত ১৪০০ খন নতুন ছাৰ্ভিচ ক-অপাৰেটিভ গঠনৰ কাম আগবাঢ়িব আৰু লগে লগে ১৬০০ খন পুৰণি সমিতি পুনৰ গঠন কৰি ছাৰ্ভিচ-কো-অপাৰেটিভলৈ সলনি কৰা হব সেই ন-পুৰণি সকলো সমিতিকে ১৫০৲ টকাকৈ এই বছৰত চৰকাৰে সাহায্য হিচাবে দিবলৈ ঠিক কৰিছে। এই টকা সমিতিয়ে তেওঁলোকৰ কৰ্ম্মচাৰীৰ বানচত খৰচ কৰিব পাৰিব।

বৰ্ত্তমান অসমত প্ৰায় ৩০০০ ৰো ওপৰ গাওঁলীয়া ঋণ দান সমিতি আছে। ইয়াৰ ভিতৰত চাই চাই ১৬০০ খন কমিটিহে ছাৰ্ভিচ ক-অপাৰেটিভলৈ পৰিবৰ্ত্তন কৰা কথা ভবা হৈছে। কৃষি সহায়ক সমবায় সমিতিৰ ওপৰত ভৱিষ্যতে ৰাইজৰ আৰ্থিক উন্নতি, সম্পদ আৰু আত্মোন্নতি বহুখিনি নিৰ্ভৰ কৰিছে। ই ৰাইজৰ নিজা গণতান্ত্ৰিক অনুষ্ঠান। এই অনুষ্ঠানবিলাক কাৰ্য্যকৰী কৰি তুলিবলৈ হলে সকলোৰে সহায় সহযোগিতা আৰু সক্ৰিয় চেষ্টাৰ আৱশ্যক হব। এইবিলাক অনুষ্ঠান সুন্দৰকৈ গঢ়ি তুলিব পাৰিলে ৰাইজে বহু দুখ কষ্ট পৰা হাত সাৰিব পাৰিব আৰু দেশৰ আৰু দহৰ উন্নতি সাধন হব।

আমি সকলোৱে এতিয়া ছাৰ্ভিচ ক-অপাৰেটিভ বা কৃষি সহায়ক সমিতিত যোগ দি আমাৰ গাৱঁলীয়া জীৱনক এক নতুন সংগঠনৰ পথত আগবঢ়াই নিবলৈ আগবাঢ়ি অহা উচিত।

# সমবায় আন্দোলনৰ কৃতকাৰ্য্যতা

—শ্ৰীলীলাধৰ কটকী, এম, পি

কৃষি প্ৰধান অনুন্নত দেশৰ বাবে সমবায় পদ্ধতিয়েই যে একমাত্ৰ পথ তাক দেশৰ অৰ্থনীতিবিদ আৰু ৰাজনৈতিক নেতাসকলে স্বীকাৰ কৰি লৈছে। সমবায় আন্দোলনক আগবঢ়াই নিবৰ কাৰণে আমাৰ দেশত প্ৰচেষ্টা চলোৱা হৈছে; কিন্তু অন্যান্য দেশসমূহত সমবায় আন্দোলন যেনে ভাবে আগবাঢ়ি গৈছে, আমাৰ দেশত তেনে ভাবে আগবাঢ়ি যাব পৰা নাই। এই বিষয়ে কোনো কথা বিশেষ ভাবে বিশ্লেষণ নকৰিলেও এইটো কথা সত্য যে, আন্দোলন কৃতকাৰ্য্য নোহোৱাৰ ফলতে হৈছে আমাৰ মানুহে তাৰ উদ্দেশ্য আৰু তাৎপৰ্য্য উপলব্ধি কৰিব পৰা নাই।

পৰিকল্পনা আয়োগে গাৱঁলীয়া জনসাধাৰণৰ অৰ্থনৈতিক মান উন্নত কৰিবৰ উদ্দেশ্যে প্ৰথম আৰু দ্বিতীয় পাঁচ বছৰীয়া পৰিকল্পনাত সমবায় আন্দোলনৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। এখন সমাজবাদী সমাজ প্ৰতিষ্ঠা কৰিবৰ উদ্দেশ্যে দেশত কৃষি উৎপাদন আৰু ঔদ্যোগিক উন্নয়নৰ ওপৰত গুৰুত্ব দিয়া হৈছে। কিন্তু এই বিষয়ত এতিয়ালৈকে আশানুৰূপ ফল লাভ কৰিব পৰা নাই। এতিয়াও আমাৰ দেশে বিদেশী ৰাষ্ট্ৰৰ পৰাই খাদ্য আমদানি কৰিব লগাত পৰিছে। ইয়াৰ ফলত আমাৰ দেশৰ পৰা এশ কোটি টকা বৈদেশিক মুদ্ৰা বাহিৰলৈ ওলাই গৈছে আৰু তাৰ ফলত আৱশ্যকীয় চাহিদা আমি পূৰণ কৰিব পৰা নাই।

নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে গঠন কৰি দিয়া শাখা কমিটীৰ অনুমোদন অনুসাৰে নাগপুৰৰ কংগ্ৰেছে ভূমি সংস্কাৰৰ প্ৰস্তাৱ গ্ৰহণ কৰিলে। প্ৰস্তাৱত কৃষি উন্নয়ন আৰু খাদ্য উৎপাদনৰ কাৰণে গাওঁ পঞ্চায়ত আৰু কৃষি সহায়ক সমবায় গঠন কৰা উচিত বুলি কৈছে। অৱশ্যে এই বিষয়ে দ্বিতীয় পাঁচ বছৰীয়া পৰিকল্পনাত যথেষ্ট পৰিমাণে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অৱস্থাৰ গুৰুত্বলৈ চাই এই বিষয় সমূহক, ৰাষ্ট্ৰীয় ভিত্তিত অনতিপলমে কাৰ্য্যকৰী কৰা উচিত।

সংসদ, ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদ, আৰু ৰাজ্যিক চৰকাৰ সমূহে নাগপুৰ প্ৰস্তাৱৰ তাৎপৰ্য্য গ্ৰহণ কৰিছে আৰু তাক কাৰ্য্যত পৰিণত কৰিবৰ বাবে যত্নও কৰিছে। এই প্ৰচেষ্টা সফলকাম কৰিব লগীয়া হলে, কিছুমান আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। প্ৰথমতে ৰাজ্যিক চৰকাৰ সমূহৰ উদ্যোগত দেশজুৰি চৰকাৰী-বেচৰকাৰী, বিভিন্ন

ৰাজনৈতিক দল আৰু শিক্ষক আৰু চাত্ৰসকলৰ দ্বাৰা এবেকাটা অভিযান আৰম্ভ কৰিব লাগে। গ্ৰাম্য জীৱনৰ সমস্যা সমূহ পঞ্চায়ত আৰু সমবায়ে যে সমাধান কৰিব পাৰিব তাক গাৱঁলীয়া লোক সকলক ভাল ধৰণেৰে বুজাই দিব লাগে। এই বিষয়ত প্ৰচাৰ বিভাগেও আঁচনিৰ উপকাৰিতা আৰু তাৰ উদ্দেশ্যৰ কথা বিষদৰূপে বুজাই দিয়া উচিত।

দ্বিতীয়তে প্ৰায় এহেজাৰ জন মানুহৰ মাজত এবেকাটা গোট বান্ধি প্ৰত্যেক গাৱঁতে গাওঁ পঞ্চায়ত আৰু গাওঁ সমবায় অতি শীঘ্ৰে স্থাপন কৰিব লাগে। এই অনুষ্ঠানসমূহ স্থাপন হোৱাৰ লগে লগেই বৈজ্ঞানিক পদ্ধতিৰে খাদ্য উৎপাদন আঁচনি, খোৱা পানীৰ ব্যৱস্থা আদি কাৰ্য্যসূচী গ্ৰহণ কৰিবলৈ উদ্গনি যোগাব লাগে। পঞ্চায়ত আৰু সমবায় সমিতি সমূহেই আঁচনি প্ৰণয়ন কৰিব লাগে আৰু এই বিষয়ত চৰকাৰেও আৰ্থিক সাহায্য, পৰামৰ্শ আৰু নিৰ্দ্দেশ আদি দিবৰ বাবে যত্ন কৰিব লাগে।

তৃতীয়তে গাওঁ পৰ্য্যায়ত ঋণ আৰু বেঙ্কিং, বেচা-কিনা আদি বিভাগৰ দ্বাৰা এবেকাটা বহুমুখী সমবায় সমিতি গঠন কৰা দৰকাৰ। গাওঁ সমবায় সমূহ কোনো খণ্ড বা মহকুমাৰ সমবায়ৰ লগত অন্তৰ্ভুক্ত হব লাগে। ইয়াৰ দ্বাৰা বিভিন্ন সমবায় বিভাগৰ মাজত এটা সমন্বয় ৰক্ষা কৰিব পৰা হয়। ঠিক সেইদৰে, মহকুমাৰ ইউনিয়ন সমূহো ৰাজ্যিক নাইবা এপেক্স চচাইটিৰ লগত অন্তৰ্ভুক্ত হব লাগে। গাওঁ সমবায়ৰ বাহিৰে খণ্ড, ইউনিয়ন, এপেক্স আৰু ফেডাৰেল সমবায় সমূহৰ গাঠন পৰোক্ষ্য নিৰ্ব্বাচনৰ দ্বাৰা হোৱা দৰকাৰ। গাৱঁৰ জনসাধাৰণক তেওঁলোকৰ নিজৰ ভাগ্য নিজকেই নিৰ্ণয় কৰিবলৈ দিব লাগে।

চতুৰ্থতে পঞ্চায়ত সমূহ, গাওঁ পৰ্য্যায়ত চৰকাৰৰ এজেণ্ট হব লাগে আৰু আন হাতেদি সমবায় সমূহক ব্যৱসায়ৰ কেন্দ্ৰ হিচাবে গঠন কৰিব লাগে। চৰকাৰী বিষয়াসকলে কেৱল পৰামৰ্শ দিব লাগে আৰু হিচাব পত্ৰৰ বিষয়তহে চকু আদি দিব লাগে।

পঞ্চমতে পঞ্চায়তৰ আৰু সমবায়ৰ সকলো বিষয়ববীয়াক গাৱঁৰ পৰাই নিয়োগ কৰিব লাগে আৰু তেওঁলোকক উপযুক্ত ভাবে প্ৰশিক্ষণ দিয়াৰ দিহা কৰিব লাগে। যদি উপযুক্ত মানুহৰ অভাৱ হয় তেনে ক্ষেত্ৰতহে বাহিৰৰ পৰা মানুহ নিয়োগ কৰিব লাগে। কামৰ প্ৰতি এটা প্ৰেৰণা আৰু দেশপ্ৰেমৰ ভাব জাগ্ৰত কৰিবৰ বাবে যত্ন লোৱা দৰকাৰ। যিবিলাক লোকক দায়িত্ব অৰ্পণ কৰা হয় তেওঁলোকে যাতে এটা মিছনেৰী ভাবধাৰাৰে কাম কৰে তাৰ প্ৰতি বিশেষ মনোযোগ দিয়া দৰকাৰ।

স্থানীয় অৱস্থা বিশেষে সমবায়ৰ আইন-কানুন প্ৰণয়ন কৰা উচিত। গাৱঁৰ অৱস্থানুযায়ী কেন্দ্ৰীয় আৰু ৰাজ্যিক পৰিকল্পনা সমূহ প্ৰণয়ন হোৱা উচিত। বিভিন্ন সমবায় সমূহৰ আৱশ্যক অনুযায়ী চৰকাৰে সাহায্য আগবঢ়োৱা উচিত। চৰকাৰী সাহায্যৰ বিনিয়মত যাতে এটা নিশ্চিত ফল পোৱা যায় তাৰ বাবেও চকু দিব লাগে।

দেশৰ জনসাধাৰণৰ অৱস্থা আৰু তেওঁলোকৰ আৱশ্যক কি তাৰ প্ৰতি বিশেষ মনোযোগ দিয়া দৰকাৰ; কাৰণ গণতান্ত্ৰিক দেশত ই এটা প্ৰধান কথা। যেতিয়ালৈকে জনসাধাৰণে কোনো এটা কথা গ্ৰহণ কৰিবলৈ ইচ্ছা নকৰে, তেতিয়ালৈকে ওপৰৰ পৰা কোনো কথা জাপি দিব নোৱাৰি। জনসাধাৰণৰ মত সাপেক্ষেহে সকলো কৰিব লাগিব। তেওঁলোকক আৱশ্যক অনুযায়ীয়েই সকলো প্ৰচেষ্টা চলোৱা উচিত।

# "পুৱাৰ গান"

[ কৱিতা ]

—শ্ৰীলাৱণ্য গগৈ

হেমন্তৰ পেথাৰত হীমৰ আঁৰত
সোণাই হঁতৰ হাঁহিৰ হিল্লোল
বিস্তীৰ্ণ পথ খেদি
পোহৰৰ লুকাভাকু
পলাশবনৰ স্বপ্নীল মনত।
ৰক্তজবা মদাৰৰ ৰাঙলী পাহিৰ
দৰে ৰঙচুৱা মন
চকুৰ পতাত সপোন সিচিলে কোনে?
কিছুমান মুঠি মুঠি চিনাকি মৰমৰ
ইয়াতেই বেচা-কিনা হয়
জুহালৰ উম আৰু চুঙা চাউলৰ গোন্ধ
ইমান ভাল লাগে জানো কেঁচাসোন
ৰঙমনে পেপাঁটি বজাই
চিনাকি সুখৰ গুঞ্জন
হাঁহি হাঁহি গুছি যায় এজাক গাভৰু
আৰু এজাক বোৱাৰী নহয় অচিনা॥
পুৱাৰ ৰ'দ এপিয়লা আহে
গছপাতৰ সুৰুঙাৰে,
স্বপ্নাবিষ্ট মনবোৰ মুকলি হ'ল।
হাঁহিয়ে উৰুৱালে যত আৱৰ্জনা
দমবান্ধি থকা সেই পদূলিমুখত
তন্দ্ৰালস চুচকুত মৰম মিহলি
হাঁহি বিৰিঙিলে—
হয়তো এয়ে ভাৱৰ আবেদন।
ৰিণিকি ৰিণিকি মোৰ মনত পৰে
আধাৰচা আধাগোৱা গান
এইয়ে তাৰ মধুৰ আৰম্ভন॥
ৰূপহী চুলিমেলি নৈত জোবোৰা মাৰে
লাজুকী লতাৰ দৰে;
কোমল আবেশ ইমান শুৱনি তাই
স্বপ্নাৰ্কীন সুৰুকায়া বাটে বাটে
ৰদালীয়ে সিচি দিয়ে
পুৱাৰ লয়লাস আৰু তান,
সোৱৰ্ণশিৰীৰ সোণচেকুৰা
তিৰবিৰাই জিলিকিছে—
নিত্যম পুৱাৰ এইয়ে সমবেত গান॥

# কি হব উপায়

[ গল্প ]

—শ্ৰীদুলালচন্দ্ৰ বৰুৱা

সাগৰমল বাবু খাতাপত্ৰ আগত ৰাখি গাদীত বহি আছে। "ৰাম ৰাম শেঠ সাগৰমল বাবু" বুলি কৈ গোসাঁই সোমায় আহিল। আহক, আহক ৰাম, ৰাম, হেই চেয়াৰখনতে বহক।

গোসাঁয়ে চকীখনত বহি মাত লগালে, বোলো বহুদিন শেঠ বাবুৰ ঘৰলৈ অহা নাই। মনটো বেয়া লাগি আছে। এইদিনে বজাৰলৈ আহিছো যেতিয়া এবাৰ শেঠ বাবুক দেখা কৰি যাওঁ।

হেতু কথা নকবা গোসাঁই বাবু। অসমীয়া মানুহে যেতিয়া কোপাৰেতি খুলি, কাৰবাৰতে হাত দিলা, আমাৰে শেঠ হটাটু গেল। হেই ভদিয়াৰ লৰাটু এম-এ, বি-এল, পাচ কৰি, কপাৰেতি খুলি কাৰবাৰতে হাত দিছে। হিতু বেঙ্কাৰৰ কেমান ডাঙৰ চাকৰি পালে হয়। আমাৰ দেশৰে অসমীয়া লৰাচব একদম বেয়া হ'ল।

অৱশ্যে সাগৰমল বাবু, সেই কো-অপাৰেটিভ বেঙ্কবিলাক খুলি আমাৰ দুখীয়া মানুহৰ হলে বৰ উপকাৰ কৰিছে। আমাৰ মানুহে টানত দুই চাৰি পইচা ধাৰলৈ লব পাৰিছে! গোসাঁয়ে কলে।

এ নকবা গোসাঁই বাবু। হেতু কথা আপুনি নকবা। হেই কোপাতি বেঙ্ক খুলি আমাৰ মানুহকে একদম গিলি খালা। আপনাৰ গাৱঁতে হেই হাহিবাবুৰে কাথাতু নাচাৱা কিয়া। কোপাতি বেঙ্কৰে পেৰা ধাৰ লই মানুহটো একদম মাৰা নেগল। তাৰে ভাগিনটু টাকা খালেক আৰু হি মাৰা গেল। চৰকাৰে তাৰে হক্‌লো ক্ৰোক কৰি নিয়ে গেল —

গোসাঁয় কলে, অৱশ্যে সেইটো হয়। কিন্তু আজিৰ যুগত গোটেই ভাৰতে কো-অপাৰেটিভত হে বৰ জোৰ দিছে।

নকবা গোসাঁই বাবু। কোপাতি এতে থাকবা নাপাৰে। মুইটো আপনাৰ গাৱঁতে কেমান দিন থাকিছো, কেমান মানহুকে ধাৰ দি সাহায্য কৰিছো। কুনু বেটাই কবা নাপাৰে মুই এটা পইচা সুদ বেছি লৈছো। আপনিতু জানে গোসাঁই বাবু।

হয় সাগৰমল বাবু। আপোনাৰ কথা বেলেগ। আমাৰ এই গাৱঁৰ কিমান মানুহক আপুনি টকা পইচা দি সহায় কৰিছে।

হেদিন আপনাৰ গাৱঁৰে কলিয়াতু খাবাৰ নাপায় মাৰা পৰে, মোৰে পেৰা তেৰ টাকা নিয়ে গেল।

নকব সাগৰমল বাবু, আমাৰ গাৱঁত সকলোৱে আপোনাৰ গুণ বখানে। পিছে পলমো হ'ল, মই তেন্তে উঠোঁহে। অ' পিছে এটা কথা, মই পাহৰিয়ে গৈছিলো। পৰহিলৈ মোৰ পিতাৰ শ্ৰাদ্ধ। জানেই নহয়, গোসাঁই বামুণ মানুহ। শ্ৰাদ্ধ বুলিলে হাড় ভাগি যায়। আপুনি ভাবিব নেলাগে, এসপ্তাহৰ ভিতৰতে মই দিম। মোক ৰূপ এশ ধাৰলৈ দিয়ক।

এ' ধাৰ বলিন্নু কি কওৱা গোসাঁই বাবু।

এইটো আপনাৰে দুকান। মুইটু আপনাৰে চাকৰ। হক্‌'লো টাকা পইচা, আপনাৰে। একশ নাহয় দুশ নিয়ক্। আপনাকে টাকা দিয়াত মুইটো মুঠেই আপত্তি নাকৰো।

সাগৰমল বাবুৱে এশ টকা ৰূপ বাকচৰ পৰা উলিয়াই লৈ কি যে ভাবিলে। গোসাঁই এই গাৱঁৰে ডাঙৰ মানুহ। তেওঁক এশ টকা ধাৰলৈ দিলে, দুশ টকাৰ কাম আদায় কৰি লব পাৰিব। এশ টকা লাভ হব।

টকাখিনি গোসাঁইৰ হাতত দি, এখন খাতা উলিয়াই তাতে এটি চহী দিবলৈ গোসাঁইক কলে। আপ্‌নি এতে দস্তখত্‌তু দিয়োক। এটাতু আমাৰ হিচাব ৰাখিব লাগে। আপ্‌নাৰে পৰা মুইটু দলিল লিবা নাপাৰো। এতে আপ্‌নি ভয় নাকৰিবা।

সাগৰমল বাবু, আপোনাক মো মই অবিশ্বাস কৰিব পাৰেনে। বাৰু আহিলো, ৰাম ৰাম।

উমেশ দাস সেই গাৱঁৰে ভদিয়া পণ্ডিতৰ লৰা। যোৱা বছৰ এম-এ, ল, পাচ কৰিছে। তেওঁৰ গাত তৰণি নাই। ভাৰত চৰকাৰৰ আঁচনি অনুসাৰে তেওঁ ওচৰৰ গাওঁবিলাকত সমবায় ভিত্তিত কৃষি পাম, গাৱঁলীয়া বেঙ্ক, বেচা-কিনা আদি বহু সমবায় সমিতি গঠন কৰিছে। নতুন হলেও তেওঁৰ গাৱঁৰ বেচা-কিনা চোচাইটিয়ে ভাল নাম কৰিছে। যোৱা বছৰ ধানৰ বতৰত ওচৰৰ গাওঁ বিলাকৰ পৰা প্ৰায় দুহেজাৰ মোন ধান সংগ্ৰহ কৰিছিল। বতৰত বিক্ৰি কৰিব পাৰিলে চোচাইটিৰ ভাল লাভ হব।

গাৱঁৰ সভাৰাম মহাজন সাগৰমল বাবুৰ দোকানত বহি আছে। তেওঁ গাৱঁৰ ভিতৰত এজন ধনী মানুহ। টকা ধাৰলৈ দি ধানৰ কাৰবাৰ কৰি কিছু নগদ জমা কৰিছে।

ৰাম ৰাম, আহক গোসাঁই বাবু, হেই চকীতে বহক। ৰাম ৰাম শেঠ বাবু বুলিকৈ গোসাঁই চকীত বহিল।

ৰামলাল বাবু, আপোনাৰ কাৰবাৰ ইবেলি কেনেকুৱা হল। গোসায়ে সুধিলে।

এ' কি কুৱা গোসাঁই বাবু, বজাৰ একেবাৰে মন্দা একদম মন্দা। একচুলভৰ চাহ লিবা পাৰা নাই। হামাৰ এই সভামহাজনকে গোদকচোন। তেওঁভি কটা ধান লিবা পাৰা নাই। এই মুলুকৰ হকলো ধান সেই ভদিবাবুৰ লৰাটুৱে নি গেছে। হি মানহু বিলাকক বহুত বহুত টাকা দিছে।

সভামহাজনে মাত লগালে, হয় গোসাঁই ঠাকুৰ আমাৰ কাৰবাৰ একেবাৰেই বন্ধ কৰি দিলে। সেই উদ্দেশে ছোচাইটিৰ কাৰণে ওচৰৰ গাৱঁৰ সকলো ধানকে কিনি ললে। এতিয়া কি হব উপায়।

উপায় এক্‌টা আছে। গোসাঁই বাবু, আমাকে সাহায্য কৰ্‌লে সব কাম হৈ যাবে। হেই ভদিয়া বাবুৰ লৰটুকে ফাণ্ডতে ফেলাই দিবা পাৰলে সব কামটো হৈ যাব।

সভামহাজনে মাত লগালে গোসাঁই ঠাকুৰ ভাল মানুহ, তাতে আপোনাৰ বৰ বন্ধু। তেওঁনো কেলৈ সহায় নকৰিব। তেখেতৰ আপুনি কিমান উপকাৰ কৰিছে।

তিনিজনে মিলি আৰু কিবা মন্ত্ৰণা কৰিলে। ভালকৈ শুনা নগল। অৱশেষত সাগৰমল বাবুৱে কই উঠিল, ভদিয়া বাবুৰে লৰাটুৰ কিস্তি মাথ। কপাৰেতিভ অফিচৰে হেই বড়ালী বাবুটো মৰে লগতে বৰ বন্ধু আছে। মৰে দুকানৰ হিতো মাল খায়।

এবা ঠিক হব, গোসাঁয়েমাত লগালে। সেই কো-অপাৰেটিভ দোকানৰ মই মেম্বৰ, মোকে দি এসেৰ চেনি বাকীকৈ নিদিলে।

তাৰে দুকানতে আপ্‌নি কিয়া যোওৱা গোসাঁই বাবু। মুৰে দুকানতে কেমান চিনি লাগে গুদাম

ভৰ্ত্তি আছে। এতিয়া মই বেচবা নাপৰো নাহয়। মানহু গুলাই ধৰ্ব। আপনাকে লাগ্লে মই দিবাৰ পাৰো। মই এই গাৱঁৰে সমস্ত মিঠাই দুকানতে কেমান চিনি দিছু। ইটিয়া গবর্ণমিণ্টে বুলে চিনিৰে কাৰবাৰতু কোপাতিকে দিলা। আমাৰে মহাজন গুলাকে অলপ অলপ চিনি দেব। হেতু হলেভি সেহতুৰ কপাতি দুকান ফেইল মাৰাই দিম নাহয়। মৰ্এ গুদাম ভৰ্ত্তি চিনি, হস্তাতে দিলেভি বহু মুনাফা থাকুব।

গোসাঁয়ে মাত লগালে। সাগৰমল বাবু, আপোনালোক হল সদাগৰ মানুহ। আপোনালোকৰ কাৰবাৰ কোনেনো বন্ধ কৰিব পাৰে। পিচে আজি দুদিনে কোনো দোকানতে চেনি বিচাৰি পোৱা নাই। মোক এসেৰ মান চেনি দিয়ক। কেইদিনমান পিছতে পইচা দি যামহি।

পইচাৰে কথাতু নাকৰা গোসাঁই বাবু। মই আপ্নাৰে পইচা নালও। আপ্নি এসেৰ কিয় দুসেৰ লিয়ক। আ'ৰে বন্ধুৰাম, গোসাঁইকে দুসেৰ চিনি দি যাওৱা। গোসাঁই বাবু, আপনি কিন্তু কাকো নাকবা।

কলিয়া সেই গাৱঁৰে মানুহ অৱস্থা বৰ বেয়া নহয়। চাৰি ছয় পুৰা খেতিৰ মাটি আছে। সেই মাটিৰ ধানেৰে এবছৰ ভালকৈ খায় বৈ থাকিও দুপইচা ৰাহী কৰিব পাৰে। কিন্তু আজি দুই তিনি বছৰ বান পানীৰ কাৰণে ভাল খেতি হোৱা নাই। বিধিৰবিপাক ইবেলি শালি ধানৰ খেতিৰ ভৰ বতৰতে হালৰ গৰু এটিও মৰিল। আটৈকুৰি ৰূপ হলে কোনোৰকমে গৰু এটি কিনি শালি ধানৰ খেতিখন কৰিব পাৰে। গাৱঁৰ মানুহৰ সকলোৰে সেই একে অৱস্থা। কোনেনো তাক টকা ধাৰলৈ দিব। সি ভাবি চিন্তি বহি আছে। কি হব উপায়!

তাক ভেনেকৈ ভাবি চিন্তি বহি থকা দেখি ঘৈণীয়েকে মাত লগালে। ভাবি চিন্তিনো কিয় বহি থাকিব লাগে? সেই গাৱঁৰ কোপাতি বেঙ্কে বোলে গৰু আৰু ধানৰ সঁচ কিনিবলৈ টকা ধাৰলৈ দিছে। আমাৰ ইয়াৰে মনিয়াহঁতে আনিছে নহয়। আমাৰো তাৰে পৰা আনিলে দেখো হয়। ধান কটা মৰা হলে ধাৰ মাৰি দিব পাৰিব। আৰু আমাৰ ভদিয়া পণ্ডিতৰ লৰা উমেশ, তেওঁ বোলে আগতীয়াকৈ টকা দিয়ে। পিছত ধানত মাৰি দিলেও হয়। তাৰে পৰানো নানে কিয়?

তই মোক বুধি শিকাব নেলাগে। তহঁতৰ মইকী মানুহৰ কি বুধি আছে সেইটো কথা মই আগতে ভং কৰি চাইছো।

এদিন ধলপুৱাতে ভগুলা কছাৰী গাওঁবুঢ়া উমেশ দাসৰ ঘৰ ওলাল। লগত এজন মানুহ লৈ আহিছে। তাৰ কান্ধত কিছুমান বহী আৰু কাকত পত্ৰ।

গাওঁবুঢ়াই কলে, বাপাতু আমাকে ৰইখা কৰ দে আৰো। হেই বঙালী কোপাতি বাবুটু আমাক কইছে ফাটেকৰ ভাত খুৱাব। আমাৰ বহী গিলান ৰাখ। আমি আৰো কোপাতি বেঙ নকৰং দে। আমি কছাৰী মছাৰি মানহ, একো নাজনং।

উমেশে মাত লগালে, গাওঁবুঢ়া ককাই। কথাটো কি হৈছে ভালকৈ বুজায় কোৱা।

কিথান হবং আৰো, হেই বঙালী কোপাতি বাবুটো আমাৰে বেঙৰ বহী গুলাক চালেক আৰো। হিচাপটু এ বুলে ভাল নহলাক। আমি বুলে টাকা পইচা খাইচং। ফাটেকৰ ভাত খাবা লাগিব। তুই বাপাতু জানবিদে, আমি হলে টাকা পইচা নাখায়। হেতু ঈশ্বৰ মহাপ্ৰভু আছে। আমাকনু ইগ্লান বদনাম দিবা পাইনা। আমিতু পহৰবা নাজনং। হেই খেদলাৰ লৰাটু মাইনাৰ পাছ কৰছি মুইনা, হিয়ে হিচাবটু ৰাখে। তুই

এটাউপায় দি দে আৰো। আমাৰনো কি উপায় হব।

অ'বুজিছো। গাওঁবুঢ়া ককাই! তুমি একো ভয় কৰিব নেলাগে। মই কো-অপাৰেটিভ অফিচাৰ জনক এই কথা ধৰিম। তেওঁ তোমালোকক ভয় দেখুৱা কথাটো ভাল হোৱা নাই। মানুহৰ দোষ নিবিচাৰি, কেনেকৈ হিচাব পত্ৰ ভালকৈ ৰাখিব লাগে তাকেহে বুজাই দিব লাগে। আমাৰ গুৱাহাটী ৰাজ্যিক সমবায় ইউনিয়নৰ পৰা, বেংকৰ হিচাব আদি কেনেকৈ ৰাখিব লাগে তাৰ শিক্ষা দিবলৈ এজন অফিচাৰ আহিব। তেওঁ তোমালোকক সকলো শিকায় দিব। গাওঁবুঢ়া ককাই! তুমি এতিয়া বস্তী বিলাক লৈ যোৱাগৈ।

আজি বেচা-কিনা সমিতিৰ কাৰ্য্য নিৰ্ব্বাহক সভাৰ বৈঠক বহিব। সেই সমিতিৰ সম্পাদক উমেশ দাসে দুহেজাৰ টকাৰ হিচাব দিব পৰা নাই। কো-অপাৰেটিভ অফিচাৰ বঙালী চক্ৰবৰ্ত্তী বাবুৱে ৰিপোৰ্ট দিছে। আমাৰ হলধৰ গোস্বামী তাৰে সভ্য। মুঠ ৭জন সভ্যৰ ভিতৰত চাৰিজনক হাত কৰি দল গোটায় আনিছে, উমেশ দাসক গৰিহণা দিব আৰু তেওঁক সম্পাদক কামৰ পৰা আতৰাব। লগতে বঙালী কো-অপাৰেটিভ অফিচাৰ চক্ৰবৰ্ত্তী বাবু বহি আছে।

সম্পাদক উমেশচন্দ্ৰ দাসে সভাৰ উদ্দেশ্য বুজায় কবলৈ ধৰিছে। তেওঁ কিছুমান টিকট মৰা ৰচিদ সভাৰ আগত দাঙি ধৰি কলে, যে দুহেজাৰ টকাৰ হিচাব দিব নোৱাৰা যি অভিযোগ তেওঁৰ ওপৰত আনিছে সেইটো সম্পূৰ্ণ সঁচা নহয়। মহাজনসকলে আমাৰ গাৱঁলীয়া মানুহক আগধন হিচাবে কিছু টকা দি তেওঁলোকৰ আটাইখিনি ধান কম দামতে কিনি লয়। গতিকে মই গাৱঁলীয়া মানুহক সিবিলাক মহাজনৰ হাতৰ পৰা ৰক্ষা কৰিবলৈ আৰু আমাৰ সমিতিৰ কাৰণে সৰহ ধান পোৱাৰ আশাতে খেতিয়কসকলৰ পৰা ৰচিদ লৈ আগধন হিচাবে সেই টকাটো দিয়া সঁচা। অৱশ্যে সেইটো মই ৰাইজৰ উপকাৰ আৰু সমিতিৰ লাভ হব বুলিয়েই কৰিছিলোঁ। এতিয়াও মোক দুমাহ সময় দিলে, অহা পুহ মাহৰ ভিতৰত সমিতিৰ কাৰণে আঠ দহ হেজাৰ মোন ধান গোটাই দিব পাৰিম।

এই বিষয়ে সভাত নানা তৰ্ক বিতৰ্কৰ পিছত সিদ্ধান্ত হল যে সম্পাদক উমেশ দাসক দুমাহ সময় দিয়া হল। অহা পুহ মাহৰ ভিতৰত সেই টকাৰ ধান গোটাব নোৱাৰিলে, তেতিয়া তাৰ এটা ব্যৱস্থা লোৱা হব।

পুহ মাহ আহিল। আই লক্ষ্মীয়ে ইবেলি সকলোকে মোৰ বুলিছে। কলিয়াই উমেশ দাসৰ পৰা এশ টকা ধাৰ লৈ, তাৰে হালৰ গৰু এটা কিনি পাঁচ পুৰামান মাটিত শালি ধানৰ খেতি কৰি ১০০/ এশমোন ধান পাইছে। তাৰে কিছুধান বেচি পোনে পোনে গৈ উমেশ দাসৰ সমিতিৰ ধাৰ মাৰিলে। সি নিজৰ কাৰণে এবছৰৰ ভাত কাপোৰৰ ধান ৰাখি বাকীখিনি ধান অইন মহাজনক নিদি উমেশ দাস হঁতৰ সমিতিক বিক্ৰি কৰি দিলে। গাৱঁৰ যি সকল মানুহে উমেশৰ পৰা আগধন হিচাবে টকা লৈছিল সিবিলাক মানুহেও নিজৰ নিজৰ ধান সমিতিকে বিক্ৰি কৰিলে। এই দৰে সম্পাদক উমেশ দাসে তেওঁলোকৰ বেচা-কিনা সমিতিৰ কাৰণে প্ৰায় ৮-১০ হেজাৰ মোন ধান গোটালে।

বছৰ শেষ হল। সমিতিৰ লাভৰ হিচাব হল ত্ৰিশ হেজাৰ টকা। অকল ধানতে হল দহ হেজাৰ টকা লাভ। লাভৰ অংশ সভ্য সকলে ৫০।১০০৲ টকাকৈ পালে। ইয়াৰ উপৰিও যি সকলৰ পৰা ধান সংগ্ৰহ কৰি আনিছিল তেওঁলোকেও লাভৰ

অংশ ১০০/১৫০, টকাকৈ পালে। সকলোৱে সম্পাদক উমেশ দাসক নথৈ ধন্যবাদ দিলে আৰু তেওঁৰ কল্যাণ কামনা কৰিলে।

এদিন নিশা ন মান বজাত সাগৰমল বাবুৰ দোকানত বহি চাৰিজন মানুহে কিবা মন্ত্ৰণা কৰি আছে। এজনে কলে সাগৰমল বাবু আমাৰটো ইবে'ল ৰক্ষা নাই। গাৱঁৰ সকলো মানুহে আমাক এঘৰীয়া কৰি জুই পানী নিষেধ কৰি থব খুজিছে। আন এজনে মাত লগালে, সেইটো বাদেই দিয়কচোন গোসাঁই প্ৰভু! গাৱঁৰ ডেকা লৰা বিলাকে, উমেশ দাসৰ বিৰুদ্ধে মিছা অভিযোগ অনা বুলি আমাক বাটত ধৰি অপমান কৰিব খুজিছে। হয়, গোসাঁই প্ৰভু! মই হলো বিদেশী মানুহ, মোৰনো কি উপায় হব।

এনেতে আলি বাটেদি এজন বৈৰাগীয়ে আপোন-মনে গায় যোৱা এটি গীতৰ সুৰ ভাহি আহি তেওঁলোকৰ কাণত পৰিল।

ভুল নকৰিবা ভুল বাটে গই
দেশৰে মৰমী ভাই,
পাইছে বৰাগী সমবায় নীতি
সবাৰে ঘাই উপায়।
ভু-উ-উ-উ-ল নকৰিবা ............
গাদীতে বহিলৈ কি মন্ত্ৰণা কৰা
কি হব এবে উপায়,
হিংসা দ্বেষ এৰি সমবায় কৰা
হবযে ভাবো উপায়।
ভু-উ-উ-উ-ল নকৰিবা...............

# পাৰ্ব্বত্য অঞ্চল আৰু সমবায় আন্দোলন

শ্ৰীৰামচৰণ দাস

বৰ্ত্তমান ভাৰতত সকলোৱেই স্বীকাৰ কৰিছে যে মাটি খেতিয়কসকলৰহে হোৱা উচিত। আৰ্চাৰ্য্য বিনোৱা ভাবেই উদ্ভাৱন কৰা ভূদান আন্দোলনে সমাজক সকীয়াই দিছে যে বায়ু আৰু পানীৰ ওপৰত যেনেকৈ মানুহৰ কোনো অধিকাৰ নাই তেনেকৈ মাটিৰ ওপৰতো কোনো মানুহৰে অধিকাৰ থকা উচিত নহয়। এইবিলাক ভগবানৰ অবদান আৰু সমাজে ইয়াক সমূহীয়া ভাৱে সকলোৰে কল্যাণৰ বাবে গ্ৰহণ কৰিব লাগে। সেইদৰে পাহাৰত থকা লোক সকল পাহাড়ৰীয়া সম্পদৰ গৰাকী হব লাগে আৰু সমূহীয়া ভাবে সেই সম্পদ উপভোগ কৰিবলৈ সুবিধা দিব লাগে। পাহাড়ৰ সম্পদৰাজী পাহাড়ীয়া লোকসকলৰ উন্নতিৰ অৰ্থে সংৰক্ষিত হৈ থকা উচিত। বৃটিছ শাসনৰ পূৰ্ব্বে পাহাড়ৰ সকলো সম্পদ পাহাড়ৰ জনজাতি লোক সকলেই উপভোগ কৰিছিল; কিন্তু দুৰ্ভাগ্যবশতঃ বৃটিছৰ নীতি অনুসৰি চৰকাৰে বন বিভাগৰ জৰিয়তে জনজাতিসকলক এই উপভোগৰ পৰা বঞ্চিত কৰিলে আৰু তেওঁলোকৰ বনৰ ওপৰত থকা জন্মগত স্বত্ব বা অধিকাৰ বন সংৰক্ষণৰ দোহাই দি বহু পৰিমাণে হ্ৰাস কৰিলে।

অসম প্ৰদেশৰ বহুঠাই যে হাবি জঙ্ঘলেৰে পৰিপূৰ্ণ তাত কোনো সন্দেহ নাই। অসমক সমৃদ্ধিশালী কৰিবলৈ হলে বন বিভাগক বিশেষ প্ৰাধান্য দিয়া উচিত। কিন্তু সেই বুলি পাহাড়ত থকা লোকসকলক অৱহেলা কৰি কেৱল দেশৰ স্বাৰ্থৰ কাৰণে চকু দিলেই নহব। খেতি কৰা মানুহৰ যেনেকৈ খেতি কৰা মাটিৰ ওপৰত সম্পূৰ্ণ স্বত্ব থকা উচিত সেইদৰে পাহাড়ত থকা মানুহৰ হাবি-বননিৰ ওপৰত সম্পূৰ্ণ স্বত্ব থকা উচিত। এই স্বত্ব সামূহিক ভাবে থাকিলে বেছি কাৰ্য্যকৰী হব বুলি আশা কৰা যায়। অৱশ্যে অব্যৱহৃত জঙ্ঘলসমূহ চৰকাৰৰ অধীনত থকাই সমীচিন হব। ভাৰত স্বাধীন হোৱাৰ লগে লগে বন সংৰক্ষণ আৰু ইয়াৰ উন্নতিৰ অৰ্থে যথেষ্ট প্ৰচেষ্টা কৰা হৈছে। সেইদৰে পাহাড়ত থকা জনজাতিসকলৰ কল্যাণৰ অৰ্থেও বহু আঁচনি প্ৰস্তুত কৰা হৈছে। কিন্তু দুৰ্ভাগ্যবশতঃ এতিয়ালৈকে পাহাড়ৰ আভ্যন্তৰিণ ঠাইত থকা জনজাতিসকলৰ অৰ্থনৈতিক অৱস্থাৰ মৌলিক পৰিবৰ্ত্তন একো হোৱা নাই বৰং অৱনতিহে ঘটিছে। যদি পাহাড়ত থকা লোকসকলৰ উন্নতি নহয় তেনেহলে বনৰ উন্নতি সাধন কৰি কোনো লাভ নহব আৰু বনৰ সংৰক্ষণো কঠিন হৈ পৰিব। সেই কাৰণে চৰকাৰৰ বন বিভাগ আৰু পাহাড়ত থকা লোকসকলৰ সম্পূৰ্ণ সহযোগিতা আৰু সমন্বয়তহে দেশৰ বন সম্পদৰ সমৃদ্ধি আশা কৰিব পাৰি। এইটো এটা সুখৰ বিষয় যে বোম্বাই চৰকাৰে বোম্বাই ৰাজ্যতে থকা পাহাড়ীয়া জনজাতি লোকসকলৰ মাজত স্থাপন হোৱা সমবায় সমিতি সমূহৰ গুৰি ধৰিছে আৰু ইয়াৰ যোগেদি তেওঁলোকৰ উন্নতি সাধন কৰিবলৈ চেষ্টা কৰা হৈছে। ১৯৪৭ চনৰ পৰা স্বৰ্গীয় বি-জি খেৰৰ নেতৃত্বত বোম্বাই ৰাজ্যত মদ নিবাৰণী অভিযান আৰম্ভ হৈছিল। এই অভিযানৰ ফলত বহুতো

জনজাতি লোক উপকৃত হোৱা বুলি কব পাৰি। যদিও এই অভিযানৰ কাৰণে বোম্বাই চৰকাৰৰ বহুতো টকা ক্ষতি হৈছে, তথাপি ইয়াৰ মহত্ব আৰু তাৎপৰ্য্যৰ কথা নুই কৰিব নোৱাৰি। এই অভিযানত অৰম্ভণিতে চৰকাৰে বহুতো বাধা বিঘিনিও পাইছে। সেইদৰে বোম্বাই ৰাজ্যত থকা পাহাড়ীয়া লোকসকলৰ মাজত সমবায় সমিতি স্থাপন হোৱাৰ পৰাও চৰকাৰৰ বহুতো ৰাজহ কমি গৈছে। আন-হাতে জনজাতিসকলৰ অৰ্থনৈতিক মান ওপৰলৈ উঠিছে। চৰকাৰ স্থাপন হয় দুখীয়াৰ দুখ নিবাৰণৰ কাৰণে—ধনৰ ভঁৰাল টনকিয়াল কৰিবৰ বাবে নহয়। জনসাধাৰণৰ উন্নতি কেনেকৈ হয় তাৰ কথা চিন্তা কৰিহে নীতি নিদ্ধাৰণ কৰা উচিত। দুখীয়াৰ মুৰৰ ওপৰত কঠোৰ ভাৱে চৰকাৰৰ ৰাজহ বৃদ্ধি কৰি উচ্চ চৰকাৰী বিষয়াৰ পেট পোহা নীতি গ্ৰহণ কৰা উচিত নহয়।

বোম্বাই ৰাজ্যৰ পাহাড়ত বাসকৰা জনজাতি মজদুৰসকলৰ মাজত প্ৰতিষ্ঠা হোৱা ১১৮ খন সমবায় সমিতিৰ ভিতৰত ৫০ খন সমিতিয়ে ১৯৫০ চনত ৬ লাখ টকা আয় কৰি এটা নিদৰ্শন দাঙি ধৰিছে। যদিও বহুতো সমবায় সমিতিয়ে আশানুৰূপ ভাবে আয় কৰিব পৰা নাই তথাপি চৰকাৰী, বেচৰকাৰী অনুষ্ঠান আৰু ৰাইজে মিলি একসুৰে সমবায় আন্দোলন গঢ় তোলাত বৰঙনি যোগাইছে। ইয়াৰ সুফল সুনিশ্চিত। সঠিকৰূপে সমবায় অনুষ্ঠান গঢ় তুলিলে কৃতকাৰ্য্যতা লাভ কৰাত কোনো সন্দেহ নাই। সেই কাৰণে বোম্বাইত এটা আঁচনি কমিটী স্থাপন কৰাৰ প্ৰচেষ্টা কৰা হৈছে। সকলো ফালৰ পৰা এটা সহায় আৰু সহযোগিতা পাবৰ বাবেই এই প্ৰচেষ্টা চলোৱা হৈছে।

এই কমিটীত চৰকাৰৰ বন বিভাগ, সমবায় বিভাগ, অৰ্থ বিভাগ আৰু সমবায় সমিতিসমূহৰ প্ৰতিনিধিসকলক লৈ গঠন কৰা হব বুলি কোৱা হৈছে। সমবায় সমিতিৰ সুবিধাৰ বাবে চৰকাৰে যান বাহনৰো সুব্যৱস্থা কৰি দিছে। গতিকে জনজাতিসকলৰ অৱস্থা ক্ৰমান্বয়ে উন্নতি হৈছে। শেষত সমবায় আন্দোলনৰ বিফলতা আমি যেতিয়া বিশ্লেষণ কৰি চাওঁ, তেতিয়া আমি দেখিবলৈ পাওঁ যে কৰ্ম্মচাৰীসকলৰ দোষৰ বাবেই সমবায় আন্দোলন ধ্বংসৰ পথলৈ যায়। সমবায় আন্দোলনত জড়িত থকা কৰ্ম্মচাৰীসকল যাতে সাধু আৰু নিষ্ঠাবান হয় তাৰ বাবে যত্ন কৰা উচিত। নিজৰ ঠাইত তেনে মানুহ বিচাৰি নাপালে অন্য ঠাইৰ পৰা হলেও তেনে মানুহ আনি সমবায় সমিতিসমূহ পৰিচালনা কৰা উচিত। কেৱল সাধু লোক হলেও নহব, তাৰ লগে লগে তেওঁলোক উপযুক্ত ৰূপে প্ৰশিক্ষণ প্ৰাপ্তও হব লাগিব। ভৱিষ্যতে যাতে এই সমিতিসমূহে কোনো অৰ্থনৈতিক সংকটৰ সন্মুখীন নহয় তাৰ বাবেও যত্ন কৰা উচিত।

পাহাড়ত থকা লোকসকল দুখীয়া আৰু আন-হাতেদি কোনো ব্যৱসায় বাণিজ্য চলাবৰ বাবেও অসমৰ্থ। চৰকাৰৰ বা অন্যান্য বেচৰকাৰী অনুষ্ঠানৰ সহায় সহানুভূতি পালে তেনে লোকসকলৰ মাজত পাহাড়ীয়া অঞ্চলত সমবায় সমিতি গঠন হব পাৰে আৰু ব্যৱসায়-বাণিজ্যও গঢ়ি উঠিব পাৰে। মুনাফাখোৰ বেপাৰীসকলৰ লগত ফেৰ মাৰিবলৈকো এই লোকসকল অক্ষম। গতিকে নিয়ন্ত্ৰিত আঁচনিৰ দ্বাৰা কামত আগবাঢ়ি জনজাতি লোকসকলৰ মঙ্গল সাধন কৰিবলৈ যত্ন কৰা উচিত। আমাৰ উদ্দেশ্য মহৎ। এই মহৎ উদ্দেশ্য আৰু বহল দৃষ্টি ভঙ্গীৰে কামত আগবাঢ়ি গলে ভৱিষ্যত যে মঙ্গল হব সি সুনিশ্চিত।

# অসমত সমবায় আন্দোলনৰ গুৰুত্ব

—শ্ৰীমোহনচন্দ্ৰ মহন্ত

সমবায় আন্দোলনৰ গুৰুত্বক আজি কোনেও অস্বীকাৰ কৰিব নোৱাৰে। দেশৰ বিভিন্ন অনুষ্ঠান আৰু বিশিষ্ট নেতৃ-বৃন্দই সমবায় আন্দোলনক প্ৰাধান্য দিছে। আৰু এই আন্দোলনৰ জৰিয়তেই দেশৰ অৰ্থনৈতিক সমস্যা সমাধানৰ প্ৰচেষ্টা চলাইছে। প্ৰধান মন্ত্ৰী শ্ৰীনেহৰুৱে অসমতে বিভিন্ন ঠাইত দিয়া এটা বক্তৃতাত কৈছিল যে "সমবায়েই হৈছে দেশৰ আৰ্থিক আৰু সমাজিক উন্নতিৰ প্ৰধান মন্ত্ৰ।" প্ৰায় ডেৰকুৰি বছৰ পূৰ্বে বৃটিছ চৰকাৰে নিযুক্ত কৰা ৰাজকীয় কৃষি আয়োগে এই ৰূপে মত প্ৰকাশ কৰি কৈছিল যে "যদি সমবায় আন্দোলন বিফল হয়, তেনেহলে ভাৰতৰ গ্ৰাম্য জীৱনৰ সৰ্ব্বোত্তম আশা-আকাঙ্ক্ষা নিষ্ফল হব।" সমবায় আন্দোলনৰ ওপৰত যথেষ্ট গুৰুত্ব দি অসমৰ মুখ্য মন্ত্ৰী শ্ৰীবিমলাপ্ৰসাদ চলিহাই মঙ্গলদৈত অনুষ্ঠিত হোৱা সমবায় সন্মিলন এখন উদ্বোধন কৰি কৈছিল—"ভাৰতীয় ৰাইজৰ আৰ্থিক মুক্তি সাধনৰ একমাত্ৰ উপায় হৈছে সমবায় আন্দোলন।" অসমৰ সমবায় বিভাগৰ মন্ত্ৰীয়েও সমবায় আন্দোলনৰ ওপৰত প্ৰাধান্য দি কামত আগবাঢ়িছে।

অসমৰ পক্ষে আৰ্থিক মুক্তিসাধনৰ আন্দোলনৰ গুৰুত্ব ভাৰতৰ অন্যান্য ৰাজ্যতকৈ অনেক বেছি হৈ উঠিছে। ভাৰতৰ সকলো ৰাজ্যৰ ভিতৰত অসমেই আৰ্থিক বিষয়ত পিছপৰা। এই দুখীয়া অসমৰ পৰা বছৰি অতি কমেও এশকোটি টকা বাহিৰলৈ ওলাই যায়। এই শোষণ বন্ধ কৰিব পাৰিলে অসমেই হৈ উঠিব ভাৰতৰ ভিতৰত সকলোতকৈ সমৃদ্ধিশালী প্ৰদেশ। এই শোষণৰ মাত্ৰা বছৰি কেনেকৈ কমাই যাব পৰা যায় সেয়েই হব লাগিব অসমৰ পক্ষে ৰাজ্যিক আৰ্থিক পৰিকল্পনা আৰু এই পৰিকল্পনা সমবায় নীতিৰ বাহিৰে অসমৰ সমূহ ৰাইজৰ বিশেষকৈ কৃষক শ্ৰমিক খিলঞ্জীয়া অধিবাসীসকলৰ পক্ষে হিতজনক অন্য কোনো উপায়েৰেই কৰিব নোৱাৰি। অসমে বৰ্ত্তমান সমগ্ৰ ভাৰতবৰ্ষতে ৰাষ্ট্ৰীয় নীতি হিচাপে অনুসৃত হোৱা এই সমবায় আন্দোলনৰ সকলো সুবিধা যাতে পৰিপূৰ্ণ ভাৱে গ্ৰহণ কৰি এই প্ৰদেশৰ শোষণ ৰহিত কৰাৰ বাটত আগবাঢ়ি যাব পাৰে সেয়ে হৈছে অসমৰ সন্মুখত বৰ্ত্তমান একমাত্ৰ ৰাজ্যিক নীতি। নাস্ত স্বাৰ্থৰ পুঁজিবাদীসকলৰ বাহিৰে আন কোনো ৰাজনৈতিক বা অন্য প্ৰকাৰৰ দল-উপদলে এই নীতিৰ বিৰোধিতা কৰা নাই। এই সমবায় আন্দোলনৰ নিমিত্তে আমাৰ জনপ্ৰিয় চৰকাৰে আগবঢ়োৱা সা সুবিধবিলাক যদি অসমৰ ৰাইজে অনতিপলমে গ্ৰহণ কৰিব নোৱাৰে, তেন্তে অসমে চিৰকাললৈ আৰ্থিক দাসত্বৰ পৰা মুক্তি পাব নোৱাৰে আৰু হয়তো ৰাজনৈতিক ক্ষেত্ৰতো এটা অস্থিৰ অৱস্থা আহিব পাৰে। সেই কাৰণে অসমবাসী মাত্ৰেই এই আন্দোলনত যোগ দিয়াটো প্ৰধান কৰ্ত্তব্য।

আন এটা ফালৰ পৰা চাবলৈ গলেও সমবায় আন্দোলন আমাৰ ৰাইজৰ পক্ষে অপৰিহাৰ্য্য হৈ উঠিছে। স্বাধীন ভাৰতে সমাজ বাদী আদৰ্শৰে সমাজ গঠন কৰিবলৈ দৃঢ় সংকল্প হৈছে আৰু সমবায় প্ৰচেষ্টাৰ যোগেদিয়েই এই আদৰ্শ অনুশীলন আৰু প্ৰতিষ্ঠা কৰিবলৈ একমাত্ৰ উপায় নিৰ্দ্ধাৰণ কৰিছে। সমবায় আন্দোলন অন্য বিষয়ত কৃতকাৰ্য্য হওক নহওক, সমাজবাদী আদৰ্শৰে লোকতান্ত্ৰিক ভিত্তি তৈয়াৰ কৰাত ই সকলো অনুষ্ঠানতকৈ বেছি আৱশ্যকীয়। সমবায় আন্দোলনৰ বৈশিষ্ট্য এয়ে যে, ইয়াত বহু-সংখ্যাকে অল্পসংখ্যকৰ ওপৰত প্ৰাধান্য কৰা বিধৰ লোকতন্ত্ৰতকৈ সকলো সভ্যৰ মতৈক্যতাৰ ভিত্তিত অনুষ্ঠান পৰিচালনা কৰি যথাৰ্থতে মহাত্মা গান্ধীৰ পৰিকল্পিত সৰ্ব্বোদয় আদৰ্শৰ সমাজবাদী লোকতন্ত্ৰৰ অনুশীলন কৰিবলৈ সমবায়ীসকল অভ্যস্ত হৈ উঠে। সেইখনেই আদৰ্শ সমবায় সমিতি য'ত এদলে আনদলৰ ওপৰত প্ৰভুত্ব কৰাতকৈ সেই সমিতিৰ অন্তৰ্ভুক্ত সকলো দল উপদলৰে হিতসাধন কৰিব পৰাকৈ তাৰ কাৰ্য্য পদ্ধতি পৰিচালনা কৰে। য'ত দলাদলি আছে তাত সুস্থ সমবায় নীতি নাই আৰু হয়তো দলাদলিয়েই সমবায় সমিতি ভঙ্গৰ প্ৰধান কাৰণো হয়। অসমৰ গাৱঁলীয়া ৰাইজে চিৰকালেই সৰ্ব্বসম্মতিক্ৰমে ৰাজহুৱা কাম কৰাৰ ৰীতি আৰু অভ্যাস লাভ কৰি আহিছে। সেইকাৰণে অসমৰ সমবায় আন্দোলনে ভাৰতৰ অন্যান্য ৰাজ্যক বাট দেখুৱাব পৰাৰ সম্ভাৱনাও আছে বুলি অনেক সুবিজ্ঞ লোকে কোৱা শুনা যায়।

অসমৰ খিলঞ্জীয়া অধিবাসীসকলৰ প্ৰধান অভাৱ হৈছে মূলধন। সমবায় আন্দোলনে এই মূলধন লাভ কৰাৰ সুবিধা আনি দিছে। এই মূলধনৰ যাতে সদ্ব্যৱহাৰ কৰি আৰ্থিক মুক্তিৰ সংগ্ৰাম জোৰেৰে চলাব পৰা যায় তাৰ নিমিত্তেই আমি বেছি মনোনিবেশ কৰিব লগীয়া হৈছে।

অসমৰ সমবায় আন্দোলনটোৰ নেতৃত্ব এতিয়ালৈকে চৰকাৰেহে কৰি আহিছে। এনে হোৱাত অসমীয়া ৰাইজে ইয়াক নিজৰ আন্দোলন বুলি নাভাবি চৰকাৰী আন্দোলন বুলি ভাবিবলৈ ধৰিলে। এই ভাব দূৰ কৰিবৰ নিমিত্তে সমবায় সঙ্ঘৰ আবিৰ্ভাব হৈছে। সমবায় সঙ্ঘবিলাকৰ প্ৰধান কৰ্ত্তব্য হব সমবায় আন্দোলনটো ৰাইজৰ আন্দোলনত পৰিণত কৰা। চৰকাৰী প্ৰচেষ্টাৰ দোষ-গুণলৈ লক্ষ্য নকৰি সমবায় প্ৰচেষ্টাটো যে ৰাইজৰ নিজৰ আন্দোলন আৰু এই আন্দোলনৰ পৰা চৰকাৰতকৈ ৰাইজৰ নিজৰহে উপকাৰ, এই কথা ৰাইজৰ মাজত প্ৰচাৰ কৰি উপলব্ধি কৰাব লাগিব। "নৈত বলেহে কুটা কাটিত বল" বোলাৰদৰে ৰাইজৰ বলেহে ৰাইজৰ ওপৰত উঠি থকা চৰকাৰৰ বল। ৰাইজৰ আৰ্থিক মুক্তিৰ কাৰণে লোক প্ৰিয় চৰকাৰে অনুসৰণ কৰা সমবায় নীতি ৰাইজে নিজৰ কৰি লব লাগিব আৰু ৰাইজৰ এই নিজা নীতিৰ প্ৰভাৱেৰে চৰকাৰৰ সকলো নীতি এনেকৈ প্ৰভাৱান্বিত কৰিব লাগিব যাতে চৰকাৰী বিভাগসমূহ ৰাইজৰ সমবায় নীতিৰ অনুগামী হৈ উঠিব পাৰে আৰু অৱশেষত সমবায় আন্দোলনৰ সম্পূৰ্ণ দায়িত্ব ৰাইজে নিজৰ মূৰৰ ওপৰত লবগৈ পাৰে। অনেক ডাঙৰ ডাঙৰ সমবায় সমিতিত চৰকাৰী কৰ্ম্মচাৰীসকলক নিযুক্ত কৰা হৈছে। ভাৰতৰ কোনো ৰাজ্যত সমবায় কৰ্ম্মচাৰী বুলিলে সমবায় অনুষ্ঠানৰ অধীনত কাম কৰা চৰকাৰী কৰ্ম্মচাৰীক হে বুজায়। যেতিয়া স্বাৱলম্বী সমবায় সঙ্ঘৰ নিৰ্দ্দেশক্ৰমে চৰকাৰী সমবায় বিভাগ চলাগৈ হব, তেতিয়াহে সমবায় সঙ্ঘৰ জন্ম সাৰ্থক হব। অখিল ভাৰত সমবায় সঙ্ঘই কব লাগিছে,

বৰ্ত্তমান চৰকাৰী সমবায় আন্দোলনক বেচৰকাৰী আন্দোলনলৈ ৰূপান্তৰ কৰাটোৱেই সমবায় সঙ্ঘৰ লক্ষ্য। সেই কাৰণে সমবায় আন্দোলনত সমবায় সঙ্ঘৰ ভূমিকা সম্পৰ্কে আমি চৰকাৰী সমবায় বিভাগৰ পৰা শিকিবলৈ বাট চাই থাকিব নেলাগিব। সমবায় সঙ্ঘই নিজৰ গন্তব্য পথত কেনেকৈ অগ্ৰসৰ হৈ লক্ষ্যত উপনীত হবগৈ সেইটো সমবায় সঙ্ঘই নিজে নিজেই থিৰ কৰিব লাগিব। চৰকাৰী কৰ্ম্মচাৰীসকলে নিজৰ উপযোগিতা বা ক্ষমতা কমাই সমবায় সঙ্ঘ তথা সমবায় সমিতিবিলাকৰ উপযোগিতা বা ক্ষমতা বৃদ্ধি হোৱাৰ উপায়টো শিকাই দিব বুলি আশা কৰাটো বৃথা। চৰকাৰে সমবায় সঙ্ঘৰ যিটো গছ-পুলি ৰোৱাত সহায় কৰিছে, সেই পুলিটো কাল ক্ৰমত এজোপা বৰগছ হৈ উঠিবগৈ যে, চৰকাৰী বিভাগটোৱেই সেই বৰগছ জোপাৰ তলত লুকাই পৰিব লাগিব। এতিয়ালৈকে আমাৰ চৰকাৰে সমবায় সঙ্ঘবিলাকক সমবায় আইনমতে ৰেজেষ্ট্ৰী হোৱা এবিধ সমবায় সমিতি বুলিহে ব্যৱহাৰ কৰি আহিছে। আমি সমবায় সঙ্ঘৰ কৰ্ম্মীসকলেও সমবায় সঙ্ঘটোৰ স্বৰূপ উপলব্ধি কৰি আমাৰ কৰ্ত্তব্য পালন কৰিব জনা নাই। অনেকেই মজদুৰ সঙ্ঘ, ছাত্ৰ সঙ্ঘ আদিৰে সমবায় সঙ্ঘটোকো একে বুলি ভাবে। অসমত সমবায় আন্দোলন বলবান কৰিবলৈ হলে, সমবায় সঙ্ঘবিলাক জীৱন্ত আৰু কৰ্ত্তব্য পৰায়ণ কৰি গঢ়ি তুলিব লাগিব। তাকে কৰিবলৈ হলে সমবায় সঙ্ঘৰ এটা নিজা নিৰ্দ্ধাৰিত কৰ্ম্মপদ্ধতিৰ আৱশ্যক হৈছে।

> উৎপাদন বৃদ্ধি কৰাটোৱেই হৈছে আজি দেশৰ আটাইতকৈ প্ৰধান কাম। বিশেষকৈ খাদ্যসামগ্ৰীৰ উৎপাদন বৃদ্ধি কৰিব লগীয়া হলে খেতিয়কসকলৰ ক্ষুদ্ৰ ক্ষুদ্ৰ মাটিবোৰ একত্ৰিত কৰি সমবায় পদ্ধতিৰে খেতি কৰিব লাগিব। তাকে নকৰিলে দুখীয়া খেতিয়ক-সকল চিৰকালৰ কাৰণে দৰিদ্ৰতাকেই সাৰথি লব লাগিব।
>
> —শ্ৰীনেহৰু

# আন্তঃৰাষ্ট্ৰীয় সমবায় আন্দোলন

( যোৱা সংখ্যাৰ পিচৰ পৰা )

—শ্ৰীপ্ৰফুল্ল বৰপাত্ৰ গোহাই

## ছুইডেন

ইউৰোপৰ আন আন দেশসমূহৰ তুলনাত ছুইডেনে আৰ্থিক আৰু সাংস্কৃতিক ক্ষেত্ৰত উল্লেখযোগ্য ভাবে আগবাঢ়ি গৈছে। ইয়াৰ মূল কাৰণ হৈছে ছুইডেনৰ সমবায় আন্দোলনৰ কৃতকাৰ্য্যতা আৰু নিৰপেক্ষ ৰাষ্ট্ৰীয় নীতি। অলপতে ছুইডেনৰ প্ৰধান মন্ত্ৰী ভাৰতলৈ আহোঁতে, তেওঁৰ সন্মানাৰ্থে আয়োজন কৰা দিল্লীৰ সভা এখনত ভাৰতৰ প্ৰধান মন্ত্ৰী শ্ৰীনেহৰুৱেও উক্ত কথাকেই উল্লেখ কৰিছিল। ছুইডেনৰ ইতিহাস ফঁহিয়াই চালে দেখা যায় যে প্ৰায় ডেৰশ বছৰ ধৰি ছুইডেনে কোনো যুদ্ধ বা বিপ্লৱৰ মাজত নিজকে লিপ্ত নকৰি নিজৰ প্ৰগতিত শক্তি নিয়োজিত কৰি আহিছে। যোৱা দুয়োখন মহাসমৰতে ইউৰোপৰ অন্যান্য দেশসমূহ কম বেছি পৰিমাণে লিপ্ত হোৱাত নিজৰ আৰ্থিক আৰু নৈতিক অৱনতি ঘটিছিল; কিন্তু ছুইডেনে তাৰ পৰা আঁতৰত থাকি নিজৰ প্ৰগতিৰ প্ৰতি মনকাণ কৰিছিল।

ইংলণ্ডৰ দৰে ছুইডেনতো প্ৰথমতে গ্ৰাহক সমবায় সমিতি যোগে সমবায় আন্দোলন আৰম্ভ হয়। ১৮৫০ চনত ওৰচানচব্ৰ ( orsundsbro ) নামৰ ঠাইত প্ৰথম গ্ৰাহক সমবায় সমিতি স্থাপিত হয়। ১৮৬০ চনৰ পৰা ছুইডেনৰ অধিক জনসংখ্যা থকা ঠাইবিলাকত এনে সমবায় সমিতি গঢ়ি উঠে। এই সময়ত সমবায় সমিতিবিলাক জইণ্টষ্টক কোম্পানী বিলাকৰ দৰেই ৰেজিষ্টাৰ কৰা হৈছিল। কিন্তু পিচত সমবায় সমিতিৰ সভ্যসকলে উপলব্ধি কৰিলে যে প্ৰকৃত সমবায় সমিতি গঢ়ি তোলাৰ পথত কোম্পানীৰ (জইণ্টষ্টক) আইনখনেই পদে পদে বাধা দিয়ে। ইয়াৰ পৰা মিলমালিক, জমিদাৰ, আৰু অন্যান্য ব্যক্তিগত স্বাৰ্থজড়িত লোকসকলে ইয়াৰ বিৰোধিতা কৰিবলৈ সুবিধা পায়। এই সমস্যা দূৰ কৰিবৰ কাৰণে ১৮৯৫ চনত এছ'চিয়েচন আইন ( Association Act ) পাচ হয়। আৰু তাৰ লগে লগে সমবায় সমিতি আৰু কোম্পানীৰ আইন সম্বন্ধীয় পাৰ্থক্য অনুভৱ কৰিব পৰা হয়। এই আইন প্ৰচলন হোৱাতহে ছুইডেনত প্ৰকৃত সমবায় আন্দোলন গঢ় তোলাৰ অনুকূলে এটা বাতাবৰণ সৃষ্টি হয়।

এই আইন অনুসৰি সমবায় সমিতিবিলাকে ইংলণ্ডৰ ৰচডেল্ পদ্ধতি মানি চলিবলৈ ঠিক কৰে। এই আইনমতে সমিতিৰ সভ্য নোহোৱা লোকৰ লগত কিনা বেচা কৰা বন্ধ কৰিছিল। কিন্তু বহুতো এলেকাত এই আইনৰ ধাৰা স্থানীয় কৰ্তৃপক্ষই বেলেগ বেলেগ নীতি অনুসৰি বলবৎ কৰিছিল আৰু ইয়াৰ ফলতেই অশান্তিৰ সৃষ্টি হোৱাত এই আইন সংশোধন কৰিব লগা হয়।

## কুপাৰেটিভা ফৰবানর্ডেচ্ (সমবায় ইউনিয়ন)

সমবায় আন্দোলন গঢ়ি তোলাৰ পথত বিপদ বিঘিনী, আৰু স্বার্থজড়িত লোকৰ দ্বাৰা পৰিচালিত সমবায় সমিতিৰ বিৰুদ্ধে কৰা ষড়যন্ত্র আদি নির্মূল কৰি আন্দোলনটোক সুষ্ঠু আদর্শত সংগঠন কৰি আগুৱাই নিবৰ কাৰণে "কুপাৰেটিভা ফৰবানর্ডেচ্ (চমুকৈ যাক কে. এফ্. বুলি কোৱা হয়) ১৮৯৯ চনত প্রতিষ্ঠা হয়। এই ইউনিয়নে সমবায় কংগ্রেছ আদি সময়ে সময়ে পাতি আৰু সমবায় আলোচনী আদি প্রকাশ কৰি সমবায় নীতি আদর্শ আদি জনসাধাৰণৰ মাজত প্রচাৰ কৰি লৈ যায়। ১৯০৪ চনত প্রথমে প্রকাশ কৰা সমবায় আলোচনী 'কুপাৰেটৰেন্' হালিও এখন দেশত ল[illegible]গীয়া সমবায় আলোচনী হিচাপে চলি আছে।

১৯০০ চনত প্রতিষ্ঠা কৰা হ'লেও সমবায় সমিতি পুঁজিপতিসকলৰ ষড়যন্ত্রত কৃতকার্য্য হব নোৱাৰিলে। কে. এফৰ প্রচেষ্টাত অনেক হ'লচেল সমিতি স্থাপন হল কিন্তু ব্যক্তিগত ব্যৱসায়ী লোকসকলে কে, এফ বয়কট অর্থাৎ ইউনিয়নৰ লগত সংস্কোৰে যাতে কাৰবাৰ নকৰে তাৰ কাৰণে আন্দোলন আৰম্ভ কৰিলে। এনে কৰাত কে, এফ, এ নিজৰ গুদামঘৰ (ware-house) পাতিলে তেতিয়া ভাৰতী বস্তু উৎপাদন কৰা পুঁজিপতি মিলমালিক আদিৰ "কাৰটেলে" সমবায় ইউনিয়ন বর্জ্জন কৰিবলৈ ধৰিলে। আৰু বস্তু আদি ইউনিয়নক যোগান ধৰা বন্ধ কৰিলে। এনে অৱস্থাত সমবায় ইউনিয়নে আন উপায় নাপাই নিজৰ কল কাৰখানা আদি পাতি বস্তু উৎপাদন কৰা প্রচেষ্টা চলাবলৈ ধৰিলে। তেতিয়া পুঁজিপতি অনুষ্ঠানে (কার্টেল) বস্তুৰ মূল্য কমাই অলপ দিনৰ কাৰণে কিছু লোকচান দিও সমবায় কল কাৰখানাবিলাক অকৃতকার্য্য কৰাৰ প্রচেষ্টা চলাবলৈ ধৰিলে। ১৯০৯ চনৰ পৰা ১৯১১ চনলৈ এই অভিযানক যাক মূল্য যুদ্ধ (Price war) বুলি আখ্যা দিয়া হয়। কিন্তু সমবায় সমিতিৰ নিষ্ঠাবান সভ্য, কর্ম্মীসকলৰ ধৈর্য্য সমবায়ৰ প্রতি থকা বিশ্বাস, আৰু একাণপতীয়া চেষ্টাৰ আগত এই পুঁজিপতি "কার্টেল" ঠাৰৰিব নোৱাৰি ডুবি গল। এই অভিজ্ঞতাই সমবায় ইউনিয়নৰ ভবিষ্যত কার্য্যপন্থাত সকলো প্রকাৰ উদগনি যোগালে। সমবায় ইউনিয়নৰ নেতাসকলে গ্রাহকসকলক ব্যৱসায়ীসকলৰ শোষণৰ পৰা মুক্ত কৰাৰ লগতে গ্রাহকসকলৰ স্বার্থ ৰক্ষা আৰু উন্নতিৰ কাৰণেও যত্নবান হয়। তেওঁলোকে দৈনন্দিন গ্রাহকসকলে, আৱশ্যকীয় বস্তুৰ কাৰণে দিব লগা বস্তুৰ মূল্যৰ ওপৰত সদায় চকু ৰাখে যাতে ব্যৱসায়ী লাভখোৰ অনুষ্ঠান (কার্টেল) আদিয়ে উচিত দামতকৈ উচ্চ মূল্য আদায় কৰিব নোৱাৰে। তেওঁলোকে ইয়াৰ কাৰণে অর্থনৈতিক ব্যৱস্থা লোৱাৰ লগতে গ্রাহকসকলক এই বিষয়ে সকলো কথাৰ বুজ দি থাকে।

## ষ্টকহলম কনজিউমার্চ ছচাইটি (K. F. S.)

সমবায় আন্দোলন গণতান্ত্রিক ভিত্তিত সংগঠন কৰাৰ লগতে ব্যৱসায় নিপুণতা বঢ়াই জনসাধাৰণৰ লগত সংযোগ ৰাখি কাম কৰাৰ কাৰণে ইউনিয়নে ষ্টকহলম কনজিউমার্চ ছচাইটি (K.F.S) গঠন কৰি তাৰ এলেকা, সভ্যসকলৰ সুবিধাৰ কাৰণে ১৮ খন জিলাত বিভক্ত কৰে। প্রতি জিলা-শাখাৰ সভাসকলে এক সমিতিৰ সাধাৰণ সভালৈ সভ্য বাছি পঠায় আৰু এই শাখাৰ কাম চাবৰ কাৰণে এটা কমিটীও বাছি দিয়ে। ইয়াৰ সাধাৰণ সভাই কেন্দ্রীয় পৰিচালনা কমিটীৰ প্রতিবেদন লয় আৰু সমিতিৰ লাভ বিতৰণ আৰু

ভৱিষ্যত নীতি আঁচনি আদি ঠিক কৰে। এই সাধাৰণ সভাই ১৫ জনীয়া এটা কাৰ্য্যনির্ব্বাহক কমিটি বাচি লয় আৰু এই কাৰ্য-নিৰ্ব্বাহকে সমিতিৰ পৰিচালক কমিটী বা একজিকিউটিভ বৰ্ড নিযুক্ত কৰে। এই বৰ্ডৰ সাধাৰণতে বেলেগ বেলেগ বিভাগৰ মুখ্য কৰ্ম্মকৰ্ত্তা সকলক দৈনন্দিন কাৰ্য্য-পৰিচালনাৰ সুবিধাৰ কাৰণে ৰখা হয়। এনে বিলাক ব্যৱস্থা লোৱাৰ কাৰণে সমিতিৰ সভ্য সংখ্যা দিনে দিনে বাঢ়ি প্ৰায় ১০ বছৰৰ ভিতৰত দুগুণ হয়। আৰু খাদ্যদ্ৰব্যৰ মূল্য হ্ৰাস কৰাত জনসাধাৰণৰ বহুতো হিতসাধন হয়। এই সম্পৰ্কত ছুইডিছ চৰকাৰৰ এটা কমিছনে ১৯২২ চনত এইদৰে কয় :—

"Many examples could be mentioned where large organisations of shopkeepers have been forced by the Co-operative society to scale down their prices—an act which the Trade associations by themselves otherwise would have prevented."

—Sweedish Government Commissions on middlemen's Profit 1922

ছুইডিছ সমবায় আন্দোলনে ব্যক্তিগত ব্যৱসায়ী আৰু ডাঙৰ ডাঙৰ কোম্পানীবিলাকৰ 'কাৰ্টেলৰ' ষড়যন্ত্ৰৰ বিৰুদ্ধে বহুদিন ধৰি কৃতকাৰ্য্যতাৰে চলোৱা অভিযানে পৃথিবীৰ সমবায় আন্দোলনৰ সকলো-কৰ্ম্মীকে উদগনি যোগালে আৰু প্ৰমাণ কৰি দেখুৱালে যে "মাউথে উটিলে গুৰি পকৰাবো মৰণ নাই" আৰু ক্ষুদ্ৰ শক্তিৰ সমষ্টিৰে বৃহৎ শক্তিকো পৰাভূত কৰিব পাৰি। অৱশ্যে সমবায় সমিতিয়ে প্ৰতিযোগিতাত জয়ী হৈছে বুলি কলে ভুল কৰা হব, কাৰণ সমবায় আন্দোলন প্ৰতিযোগিতাৰ পক্ষপাতী নহয়। ছুইডিছ সমবায় আন্দোলনে সভ্য আৰু গ্ৰাহক জনসাধাৰণক উচিত মূল্যত নিভাঁজ বস্তু নিয়মীয়াকৈ যোগান ধৰি, ব্যৱসায়ী সকলে লাভ কৰিবলৈ গৈ সমাজত যিবিলাক গৰ্হিত কাম কৰে—সেইবিলাক আঁতৰ কৰি, সকলোকে সমান সুবিধা দি সহায় কৰাৰ কাৰণে যত্নবান হয়।

প্ৰথমতে যেতিয়া শিল্পৰ ক্ষেত্ৰত ১৯১৪ চনৰে পৰা আৰম্ভ হোৱা কাৰ্টেলৰ ষড়যন্ত্ৰত কে, এফ, এ বহুতো অসুবিধাৰ সন্মুখিন হয়। শেষত ১৯২২ চনত ৩টা ডাঙৰ ঘেহুৰ কল প্ৰতিষ্ঠা কৰাৰ লগে লগে এই কাৰ্টেল লোপ পায়।

তাৰ পাছত বৰবৰ বস্তু যেনে জোতা, মটৰ টায়াৰ, বাইচাইকেল আদিৰ কাৰবাৰ সমবায়ে লোৱাত ডাঙৰ ডাঙৰ ব্যৱসায়ী অনুষ্ঠানবিলাকে তাৰ দাম কমাই সমবায় সমিতিবিলাক অকৃতকাৰ্য্য কৰিবলৈ চেষ্টা কৰে। এই ক্ষেত্ৰতো কে, এফ, এ নিজৰ কল আদি বহুৱাই এইবিলাক তৈয়াৰ কৰিবলৈ আৰম্ভ কৰাত তাৰ অৱসান ঘটিল।

পৃথিৱী বিখ্যাত ছুইডিছ ইলেক্ট্ৰিক লেম্প—'লোমা কাৰখানাও এনে অৱস্থাত পৰিছিল। শেষত ইয়াৰ ভাৰ কে, এফ, এ লব লগা হৈছিল। ইউৰোপৰ বাকীবিলাক দেশৰ সমবায় আন্দোলনে এই কাৰ্য্যত সহযোগিতা কৰাত আন্তঃৰাষ্ট্ৰীয় পুঁজিপতি কাৰ্টেলে সৃষ্টি কৰা সমস্যা আন্তঃ-ৰাষ্ট্ৰীয় সমবায় আন্দোলনে এনেদৰে সহজেই সমাধান কৰিবলৈ সক্ষম হল। প্ৰথম বছৰতেই কে, এফ, ৰ লোমা কাৰখানাই ৩০০০,০০০ লেম্প তৈয়াৰ কৰে।

## সমবায় ঘৰনিৰ্ম্মাণ কাৰ্য্য

ছুইডিছ সমবায় আন্দোলনৰ এটা বিশেষ উল্লেখযোগ্য আঁচনি হল ষ্টকহলম মহানগৰীত আৰু

ছুইডেনৰ আন আন চহৰত ঘৰ নিৰ্ম্মাণ কৰা কাৰ্য্য। ১৯১৬ চনত প্ৰতিষ্ঠা কৰা "ষ্টকহলম কো-অপাৰেটিভ হাউছিং ছচাইটি আৰু কিছু-বছৰৰ পাছত প্ৰতিষ্ঠা কৰা 'টেনেণ্ট ছেভিং বেঙ্ক আৰু বিল্ডিং ছচাইটি' গঠনৰ লগে লগে ঘৰ নিৰ্ম্মাণ কাৰ্য্য দ্ৰুগুণে চলে। এই সমিতিৰ ঘৰ নিৰ্ম্মাণ কাৰ্য্যৰ কাৰণে আৱশ্যকীয় সকলো সাজ-সৰঞ্জাম, ইঞ্জিনীয়াৰ আৰু বেলেগ বেলেগ বিভাগ আছে। আজি ষ্টকহলম্ মহানগৰীত মুঠ জনসংখ্যাৰ প্ৰায় ৫ ভাগৰ ১ ভাগ সমবায় সমিতিয়ে নিৰ্ম্মাণ কৰা ঘৰত থাকে।

## সমবায় শিক্ষা

সমবায় আন্দোলনৰ উন্নতি সমবায় শিক্ষাৰ ওপৰত বহুখিনি নিৰ্ভৰ কৰে। ছুইডেনত প্ৰথমে শিক্ষা ব্যৱস্থা নকৰাকৈ কোনো ডাঙৰ সমবায় আঁচনি আদি লোৱা নহয়। ছুইডেনত এই সমবায় শিক্ষাৰ গুৰি ধৰিছিল একজেল গৰচ্ (Axel Gjores) আৰু হেৰল্ড্ এল্‌ডিনে (Harold Elldin)। গ'ৰচ ছুইডেন সমবায় ইউনিয়নৰ (K. F.) প্ৰধান বিষয়া আছিল। তেখেতে সৰু সৰু আলোচনা চক্ৰ পাতি সমবায়ৰ আদৰ্শ, উদ্দেশ্য, মূলনীতি আদি আলোচনা কৰিবলৈ শিকাইছিল। হেৰল্ড এলডিন্ ছুইডেন সমবায় শিক্ষা বিষয়ৰ প্ৰধান বিষয়া আছিল। তেখেতে চল্‌চ জোৱাডেন (Saltsjobaden) ত এখন সমবায় স্কুল স্থাপন কৰিছিল।এইখনেই ছুইডেনৰ একমাত্ৰ সমবায় স্কুল।

ছুইডেন সমবায় ইউনিয়নে আজিকালি আলোচনা চক্ৰবোৰ পৰিদৰ্শন কৰিবলৈ এটা নতুন বিভাগক ভাৰ দিছে। এই বিভাগে এই চক্ৰবোৰত কি কি বিষয়ে আলোচনা কৰিব বাছি দিয়ে আৰু কিছুমান প্ৰশ্ন দিয়ে। তাৰোপৰি এই আলোচনা চক্ৰৰ সভ্যবোৰৰ কাৰণে এখন আলোচনী প্ৰকাশ কৰিছে।

ইউনিয়নে সমবায় শিক্ষা বিস্তাৰৰ কাৰণে আলোচনী প্ৰচাৰ কৰিছে। তাৰ ভিতৰত 'ভি' (vi--'we') আৰু 'কুপাৰেটৰেণ' (Kooperatoren—The co-operator) — এই দুখনেই উল্লেখযোগ্য। 'ভি' নামৰ আলোচনীখন ছুইডেনত সৰ্ব্বাধিক প্ৰচাৰিত হয়।

এইবিলাক কামৰ যোগে ছুইডেনত সমবায় শিক্ষা বিভাগে শিক্ষা প্ৰচাৰ কৰা কাৰ্য্যত যথেষ্ট কৃতকাৰ্য্য হৈছে বুলি কব পাৰি।

# বিদ্যাধাৰী মৎসজীৱি সমবায় সমিতি

সংগৃহীত

কলিকতাৰ পৰা অলপ দূৰৈতে দাত্তাবাদ গাওঁ। দাত্তাবাদ গাওঁতেই আছে বিদ্যাধাৰী মৎস্য-জীৱি সমবায় সমিতি। জমিদাৰসকলৰ অনাচাৰ অত্যাচাৰৰ ফলত এই সমিতিখন গঢ়ি উঠে ১৯২৬ চনতে। জমিদাৰ সকলৰ শোষণৰ পৰা ৰক্ষা পাবৰ বাবে গাৱঁৰ আৰু ওচৰৰ পাজৰৰ মাছ ব্যৱসায় কৰা লোকসকল সমবেত হৈ উক্ত সমবায় সমিতিখনগঠন কৰে আৰু তাৰ জৰীয়তেই তেওঁ-লোকে, তেওঁলোকৰ অৰ্থ-নৈতিক অৱস্থা টনকিয়াল কৰিবলৈ ধৰে। ইমান দিনলৈকে অঞ্চলটোৰ নিৰিহ লোকসকলে অতি কষ্টেৰে ওচৰৰ বিল, নদী, খাল, ডোংলিগাতৰ পৰা মাছ ধৰি সেইবোৰকে বেচি কিনি দুবেলা দুমুঠি মাত্ৰ পেটৰ ভাত যোগাৰ কৰিছিল। জমিদাৰসকলে প্ৰায়েই তেওঁলোকৰ মানুহ লগাই মাছবোৰ জব্দ কৰি বিক্ৰী কৰাত বাধা দিছিল। সেই সমিতিৰে বৰ্তমান ধনভঁৰালী শ্ৰীৰতনচন্দ্ৰ কাৰাই সমিতি চাবলৈ যোৱা এজন দৰ্শকক কৈছিল, "মাত্ৰ কেইবছৰমানৰ আগলৈকে দুখীয়া মাছ ব্যৱসায় কৰা লোকসকলে পানীত থকা বিষাক্ত সাপ, ডকাইত জমিদাৰসকলৰ অত্যাচাৰৰ মাজতো অতি কষ্টে মাছ মাৰি কোনোমতে তেওঁলোকে পেটৰ ভাত মুঠি যোগাৰ কৰিছিল।"

যদিও তেওঁলোকে ইমান কষ্টেৰে মাছ মাৰি তাৰ ব্যৱসায় কৰি আছিল তথাপি তেওঁলোকৰ অৱস্থা ভাল হোৱা নাছিল। ইয়াৰ কাৰণ হল ইমান দিনলৈকে তেওঁলোকে গাইগুটীয়া হিচাবে ব্যৱসায় কৰি আছিল। গাইগুটীয়াকৈ ব্যৱসায় কৰাৰ ফলতেই তেওঁলোকৰ অৱস্থা উন্নত হোৱা নাই বুলি মৎসজীৱিসকলে উপলব্ধি কৰিবলৈ ধৰে আৰু তাৰ উপায় উদ্ভাৱনৰ কাৰণে সকলোটি সমবেত হল। চহৰৰে সমবায় আন্দোলন কৰা কেইজন মানে তেওঁলোকক সমবায় আন্দোলনৰ কথা বুজাই দিলে। তেওঁলোকৰে উদ্গনিত গাওঁবাসী সকলে প্ৰথমতে ৫০ জন সদস্যৰে মাছ ব্যৱসায় কৰিবলৈ সমবায় সমিতি এখন গঠন কৰে। ১৯৩৭ চনলৈকে সমিতিখনে বিশেষ গা কৰিব পৰা নাছিল। ইয়াৰ পিছত সমিতিখনে চৰকাৰৰ সাহায্য আদি পাই ঠন ধৰি উঠিল আৰু ইয়াৰ সদস্য সংখ্যা

হলগৈ ৪০০শ। অৱশেষত পাচশটা পৰিয়ালে এই সমবায় সমিতিত প্ৰতিনিধিত্ব কৰিবলৈ সক্ষম হল। ১৯৪৭ চনলৈকে সমিতিৰ কোনো লাভো হোৱা নাছিল। কিন্তু ১৯৫১-৫২ চনত লাভৰ অঙ্ক এক লাখৰো ওপৰ হল। ১৯৫৪-৫৫ চনত ৩২,০৪৮ টকা লাভ হল। ১৯৫৫-৫৬ চনত এই সমিতিখনেই চৰকাৰৰ জলসিঞ্চন বিভাগক ৭৪,০০০ টকা কৰ হিচাবে দিয়াৰ যোগ্যতা অৰ্জ্জন কৰে।

ক্ৰমান্বয়ে সমবায় সমিতিখন উন্নতিৰ পথলৈ আগবাঢ়ি আহিল। সমিতিৰ জৰীয়তে গোটেই অঞ্চলৰ এটা ৰূপ পৰিবৰ্ত্তন হল। সমিতিৰ সদস্য শ্ৰীগকুল মালাই কয় "মোৰ পৰিয়ালৰ সাতজন। আমি সকলোৱেই সমিতিত কাম কৰো আৰু প্ৰতি মাহে চাৰিশ টকা উপাৰ্জ্জন কৰো।" সমবায় সমিতিৰ কাম বিবিধ ধৰণৰ। কোনোৱে সূতা কাটে, কোনোৱে জালবয়, কোনোৱে বজাৰ কৰে, কিছুমান কৰ্ম্মীয়ে মাছ ধৰে; খাল ডোং পৰিষ্কাৰ কৰে; পুখুৰীৰ পানীমেটেকাও পৰিষ্কাৰ কৰে। বহুতেই আকৌ নাও আদিও মেৰামতি কৰাত ব্যস্ত থাকে। ল'ৰা-ছোৱালী আৰু মহিলাসকলৰ প্ৰধানকৈ কাম হল মাছধৰা জাল বোৱা আৰু তাক মেৰামতি কৰা আৰু পুখুৰীৰ পানীমেটেকা আদি আঁতৰ কৰা। নিৰ্দ্দিষ্ট সময়ৰ ওপৰত কাম কৰা সকলে ওপৰঞ্চি দৰমহাও পায়। বয়সৰ অনুপাতে কামৰো বিভাগ আছে।

সমিতিৰ সদস্যসকলে একোটাকৈ ঘৰ পায় আৰু খাবৰ বাবে প্ৰত্যেকদিনেই এসেৰকৈ মাছ পায়। সমিতিৰ সদস্যসকল প্ৰত্যেকেই সুখী আৰু আজি সেই দাঙাবাদ গাৱঁৰো ৰূপ সম্পুৰ্ণৰূপে পৰিবৰ্ত্তন হৈছে। মহিলা আৰু লৰা-ছোৱালী সকলৰো ভৱিষ্যত সুখ-সুবিধা নিৰূপণ কৰি দিয়া হৈছে। সমিতিৰ এনে সা-সুবিধাৰ বাবেই পূৰ্বৰ বুঢ়াসকলেও এটা সন্তুষ্টিৰ ভাব দেখুৱাব পাৰিছে। সমিতিৰ এজন সদস্যই এজন দৰ্শকৰ আগত গৰ্বৰে কৈছিল— "চৰকাৰে সমূহীয়া উন্নয়ন আঁচনি গ্ৰহণ কৰাৰ বহুতো পূৰ্ব্বেই আমি সমূহীয়া ভিত্তিত এই কাম আৰম্ভ কৰিছিলো আৰু আজি তাৰ সুফল পাইছোহঁক।"

দাঙাবাদ বিদ্যাধাৰী মৎস জীৱি সমিতিৰ জৰীয়তেই লৰা-ছোৱালীৰ বাবে শিক্ষা প্ৰতিষ্ঠান, চিকিৎসাৰ বাবে চিকিৎসালয়, মাতৃ-মঙ্গল, খেল-ধেমালিৰ ঘৰ আদি প্ৰতিষ্ঠা কৰি দিয়া হৈছে। স্কুল ঘৰটো দুমহলীয়া। লৰা-ছোৱালীসকলক ঠিক বয়সতেই স্কুললৈ পঠিওৱা হয়। ৭ম মান শ্ৰেণীলৈকে লৰা-ছোৱালীসকলক বিনামূলীয়াভাবে শিক্ষা দিয়া হয়। লৰা-ছোৱালীসকলৰ খেল-ধেমালিৰ বাবে সুন্দৰকৈ খেল-পথাৰবো ব্যৱস্থা কৰি দিয়া হৈছে।

সমিতিৰ সদস্যসকলৰ বাবে বিজ্ঞান সম্মত ভাবে থকা ঘৰবোৰ নিৰ্ম্মাণ কৰা হৈছে। প্ৰত্যেক পৰিয়ালৰ বাবে আহল-বহল কোঠা, চেনিটেৰী লেট্ৰিন, সু-পানীৰ ব্যৱস্থাও কৰি দিয়া হৈছে। কিছু দিনৰ পূৰ্ব্বলৈকে এই সুবিধাবোৰ কৰিব পৰা নহৈছিল। অৱশেষত সমিতিৰ লাভৰ টকাৰে সৈতে এই ঘৰ দুৱাৰ আৰু অন্যান্য সা-সুবিধাবোৰ কৰি দিয়া হৈছে। গাৱঁৰ ৰাস্তা পদূলিও সুন্দৰ ভাবেই নিৰ্ম্মাণ কৰি দাঙাবাদ আজি আদৰ্শ গাৱঁত পৰিণত হৈছে।

সমিতিৰ ধন-ভঁৰালী শ্ৰীকাৰাই আৰু কয় যে "আমাৰ সমস্যা নোহোৱা নহয়; কিন্তু এই সমস্যাবোৰ সমবায়ৰ জৰীয়তেই সমাধান হব বুলি আশা কৰিব পাৰি।" আজি যি জন দৰ্শকেই এই সমবায় সমিতিৰ ভিতৰত প্ৰবেশ কৰে তেৱেঁই ইয়াৰ কাৰ্য্যকলাপ দেখি অভিভূত হৈ পৰিব।

# বীণাপাণি কো-অপাৰেটিভ ষ্টʼৰ্চ লিমিটেড

—শ্ৰীভদ্ৰকান্ত শইকীয়া

দৰং জিলাৰ নাট্যানুষ্ঠান সমূহৰ অন্যতম, বিশ্বনাথ চাৰিআলিৰ "বীণাপাণি নাট্যসমাজৰ সভ্যসকলে যুদ্ধৰ সময়ত বস্তুৰ মূল্য বৃদ্ধি প্ৰতিৰোধ, নিয়ন্ত্ৰিত বস্তুৰ সু-বিতৰণ অনুষ্ঠানৰ সমজুৱাসকলক আৰু এই অঞ্চলৰ বাইজকো সুলভ মূল্যত আৱশ্যকীয় বস্তু যোগান আৰু লভ্যাংশৰ এটি নায্য অংশ এই নাট্যানুষ্ঠানত নিয়োজিত কৰি, এই অনুষ্ঠানক জীয়াই ৰাখি ইয়াৰ সৰ্বাঙ্গীন উন্নতি সাধিবৰ উদ্দেশ্যে, ১৯৪৩ চনত বীণাপাণি কো-অপাৰেটিভ ষ্টʼৰ্চ সংগঠন কৰে।

১৯৪৫ চনৰ জানুৱাৰী মাহত এই অনুষ্ঠান চৰকাৰী নিয়মমতে ৰেজেষ্ট্ৰী হয় যদিও ১৯৪৪ চনৰ পৰাই এই অনুষ্ঠানে ব্যৱসায় আৰম্ভ কৰিছিল। অনুষ্ঠানৰ নিয়মাৱলী মতে "বীণাপাণি নাট্য সমাজৰ সভ্যইহে, এই ষ্টʼৰ্চৰ অংশীদাৰ হব পাৰে। এতেকে অসমৰ প্ৰায় সকলো ঠাইৰ, আৰু ভাৰতৰ বিভিন্ন ঠাইৰ লোকৰ উপৰিও, দুজন ইংৰাজ ভদ্ৰলোকো এই অনুষ্ঠানৰ সভ্য। বৰ্ত্তমান ষ্টʼৰ্চৰ সভ্য সংখ্যা ৪৫০ জন। সাধাৰণ সভাৰ দ্বাৰা নিৰ্ব্বাচিত ১১ জন সদস্যৰ এখনি কাৰ্য্যনিৰ্ব্বাহক সভাই ষ্টʼৰ্চৰ যাবতীয় কাৰ্য্য পৰিচালনা কৰে।

আৰম্ভণিতে এই ষ্টʼৰ্চৰ প্ৰতি অংশৰ মূল্য ১০ টকাকৈ অনুমোদিত মূলধন ১০,০০০ হাজাৰ টকা আছিল যদিও ব্যৱসায়ৰ পৰিসৰ বৃদ্ধি কৰিবৰ উদ্দেশ্যে বৰ্ত্তমান অনুমোদিত মূলধন ১০০০০০ এক লাখলৈ বঢ়োৱা হৈছে। ষ্টʼৰ্চৰ বৰ্ত্তমান আদায়াকৃত মূলধন ২৮,৭৬২ টকা।

১৯৪৪ চনত ষ্টʼৰ্চৰ অনিয়ন্ত্ৰিত বস্তুৰ খুচুৰা বিক্ৰীৰ দোকান স্বৰূপে ব্যৱসায় আৰম্ভ কৰা হৈছিল যদিও, ষ্টʼৰ্চৰ সুপৰিচালনা আৰু ব্যৱসায়ৰ উন্নতিলৈ লক্ষ্য কৰি, চৰকাৰৰ যোগান বিভাগে এই ষ্টʼৰ্চকে সমগ্ৰ অঞ্চলৰ বাবে নিয়ন্ত্ৰিত বস্তুৰ পাইকাৰী বিক্ৰেতা ( whole-seller ) নিযুক্ত কৰে।

ইতিমধ্যে দৈনন্দিন ব্যৱহাৰ্য্য বস্তুৰ মূল্য স্থিৰীকৃত কৰিবলৈ আৰু বস্তুৰ নিয়ন্ত্ৰণ উঠি গলেও এই ষ্টʼৰ্চক জীয়াই ৰাখিবলৈ, ষ্টʼৰ্চৰ পৰিচালক সভাই অন্যান্য বস্তুৰো ব্যৱসায় আৰম্ভ কৰে। সেই উদ্দেশ্যে, এই ষ্টʼৰ্চে, মনোহাৰী, ঔষধ, কাপোৰ, লোহাৰ বস্তু, খেলাৰ সামগ্ৰী, থিয়েটাৰ ভাওনাৰ বস্তু, ফটো, ফটোৰ সামগ্ৰী, কাঠ আৰু কাঠৰ আচবাব তৈয়াৰী, চিলাই কাম, জোতা আদিৰ ব্যৱসায় হাতত লয়। এই ব্যৱসায়সমূহৰ যোগে, ১৯৫৮ চনলৈকে এই ষ্টʼৰ্চে আশাতীত ভাবে লাভ কৰে আৰু সভ্যসকলৰ মাজত সমবায় বিভাগৰ নিয়মানুসৰি দুবাৰো লভ্যাংশ বিতৰণ কৰে; তাৰোপৰি স্থানীয় দাতব্য চিকিৎসালয়ৰ দূৰবীক্ষণ যন্ত্ৰ স্থাপনৰ বাবে দুই হাজাৰ টকা

মূল্যৰ একোঠালী ঘৰ নিৰ্ম্মাণ কৰি দিয়ে।

১৯৪৯ চনৰ পৰা ১৯৫১ চন সমবায় অনুষ্ঠান সমূহৰ দুৰ্য্যোগৰ বছৰ। বস্তুৰ নিয়ন্ত্ৰণ উঠি যোৱা হেতু, প্ৰায়বোৰ সমবায় অনুষ্ঠানেই বন্ধ হোৱাত আসমৰ বহু গাৱঁলৈকে শাখা বিস্তাৰ কৰা কেইবাটাও বেঙ্ক দেৱলীয়া হোৱাত ৰাইজৰ মাজত সমবায় অনুষ্ঠানসমূহৰ প্ৰতি আস্থা লোপ পায়। বীণাপাণী কো-অপাৰেটিভ ষ্ট'ৰ্চেও এই দুৰ্যোগৰ হাত সাৰিব পৰা নাছিল। আংশিকভাবে পৰিচালনাৰ বেমেজালিয়ে আৰু বিশেষ ভাবে ৰাইজৰ সমবায় অনুষ্ঠানসমূহৰ প্ৰতি আস্থাহীন ভাবে এই ষ্ট'ৰ্চক উক্ত কেইবছৰতে উল্লেখ যোগ্য ভাবেই ক্ষতিগ্ৰস্ত কৰিছিল। আনকি সেই সময়ত চৰকাৰক দিব লগা হোৱা, বিক্ৰীকৰৰ ৫৭০০ টকাও পৰিশোধ কৰিব পৰা নহৈছিল।

কিন্তু নাট্য সমাজৰ প্ৰতিষ্ঠাতা কৰ্ম্মীসকলৰ আশাশুধীয়া যত্নত পুনঃ ১৯৫১-৫২ চনত দুই এটা নিয়ম সালসলনি কৰাত এই অনুষ্ঠানে ঠন ধৰি উঠে। ১৯৫০-৫১ চনলৈকে এই ষ্ট'ৰ্চৰ কোনো নিজা ঘৰ-দুৱাৰ নথকাত, ভাড়া ঘৰতে ব্যৱসায় চলাব লগা হৈছিল। ১৯৫১-৫২ চনত মাটি লিজ লৈ ষ্ট'ৰ্চৰ নিজা দোকানঘৰ সজা হয়। নিজা ঘৰলৈ দোকান অনাৰ পিছত ষ্ট'ৰ্চৰ ব্যৱসায় সংকোচন কৰি, মাত্ৰ মনোহাৰী বস্তু, ঔষধ আৰু বিভিন্ন সময়ত চৰকাৰৰ যোগান বিভাগে বিতৰণ কৰিবলৈ দিয়া বস্তুৰ ব্যৱসায়কে লৈ চৰকাৰৰ দেয় বিক্ৰীকৰ আৰু অন্যান্য দেনা পৰিশোধ কৰি, কেইবছৰমানৰ ভিতৰতে, ষ্ট'ৰ্চে পুনঃ লাভ কৰিবলৈ সমৰ্থ হয়।

বৰ্ত্তমান ষ্ট'ৰ্চৰ কাৰ্য্যকৰী মূলধন ৬০,০০০ হেজাৰ টকা। ষ্ট'ৰ্চৰ নিজা দোকান ঘৰৰ উপৰিও সাত কুঠলীয়া এটি ঘৰ ভাড়াত দিয়া হৈছে। তাৰোপৰি উত্তৰ ট্ৰাঙ্কৰোডৰ নিচেই কাষতে ষ্ট'ৰ্চৰ নিজা মাটিত ২৫,০০০ হাজাৰ টকা মূল্যৰ এটি পকী দুমহলীয়া ঘৰৰ কাম প্ৰয়োজনীয় লোহা আদি বস্তুৰ অভাৱত আধা সজা হৈ আছে। ষ্ট'ৰ্চত বৰ্ত্তমান বিক্ৰীৰ বাবে মজুত থকা মনোহাৰী বস্তু আৰু ঔষধৰ মূল্য প্ৰায় ৩৩,০০০ হাজাৰ টকা। ১৯৫৯ চনৰ নৱেম্বৰ মাহৰ পৰা, চৰকাৰৰ নিৰ্দ্দেশ মতে চেনিৰ পাইকাৰী ব্যৱসায়ো হাতত লোৱা হৈছে।

১৯৫৭-৫৮ চনত এই ষ্ট'ৰ্চে ব্যৱসায়ত ৯৪০৩.৪৫ নয়া পইচা লাভ কৰিছে। লভ্যাংশ বিতৰণৰ এটি প্ৰস্তাৱ বৰ্ত্তমান কাৰ্য্যনিৰ্ব্বাহক সভাৰ বিবেচনাধীন। স্থানীয় পাঁচজন ডেকা কৰ্ম্মীয়ে এই ষ্ট'ৰ্চৰ কৰ্ম্মচাৰী নিয়োগ হৈ নিজ পৰিয়াল পোষপাল দিয়াৰ সুবিধা পাইছে। বৰ্ত্তমানলৈকে এই ষ্ট'ৰ্চে চৰকাৰৰ পৰা কোনো ঋণ লোৱা নাই আৰু ১৯৫৮ চনৰ ১০ মাৰ্চ্চলৈকে পোৱা মাত্ৰ ৯৬ টকাৰ বাহিৰে আজিলৈকে চৰকাৰৰ পৰা কোনো সাহায্যও পোৱা নাই।

তৃতীয় পাচ বছৰীয়া পৰিকল্পনাত ক্ষুদ্ৰায়তন উদ্যোগ বিলাকৰ বাবে ২৩৮.২ কোটি টকা খৰচ কৰিবলৈ ক্ষুদ্ৰায়তন উদ্যোগ বৰ্ডে সিদ্ধান্ত কৰিছে। এই পৰিমাণৰ ধন ব্যয় কৰিলে দেশৰ ৭ লাখ ১০ হেজাৰ লোকৰ কৰ্ম্ম সংস্থাপনৰ ব্যৱস্থা কৰিব পৰা হব।

# বিশ্বকৃষি মেলা

যোৱা ১১ ডিচেম্বৰত ভাৰতৰ ৰাষ্ট্ৰপতি ডাঃ ৰাজেন্দ্ৰ প্ৰসাদে নতুন দিল্লীত হোৱা বিশ্ব কৃষি মেলা উদ্বোধন কৰে। এতিয়ালৈকে ভাৰতত হোৱা মেলা আদি সমূহৰ ভিতৰত এই খনেই সৰ্ব্ববৃহৎ আৰু গুৰুত্বপূৰ্ণ। এই কৃষি মেলাখনৰ আয়োজন কৰা হৈছে ভাৰত কৃষক সমাজৰ দ্বাৰা। বৈচিত্ৰ-পূৰ্ণ জন সমাবেশৰ মাজত ৰাষ্ট্ৰপতিয়ে বিশ্ব কৃষি মেলাখন উদ্বোধন কৰে আৰু এই উদ্বোধনী উৎসৱত উপস্থিত থাকে মাকিণ যুক্তৰাজ্যৰ প্ৰেচিডেণ্ট মিঃ আইছেন হাৱাৰ, উপ ৰাষ্ট্ৰপতি ডাঃ সৰ্ব্বপল্লী ৰাধা-কৃষ্ণণ, প্ৰধান মন্ত্ৰী শ্ৰীনেহৰু, লোক সভাৰ অধ্যক্ষ শ্ৰীআয়েঙ্গাৰ আৰু কেন্দ্ৰীয় মন্ত্ৰী সভাৰ মন্ত্ৰীবৰ্গ।

ভাৰত এখন বৈচিত্ৰপূৰ্ণ আৰু ঐতিহ্য থকা দেশ। এনে ঐতিহ্যপূৰ্ণ দেশত ভাৰত কৃষক সমাজে বিশ্ব কৃষি মেলা আয়োজন কৰি নতুন ইতিহাসৰ সৃষ্টি কৰিছে।

## অন্যান্য ৰাষ্ট্ৰৰ কৃষি প্ৰদৰ্শনী

পৃথিবীৰ অন্যান্য ৰাষ্ট্ৰ যেনে চোভিয়েট ৰুছিয়া, অষ্ট্ৰেলিয়া, নিউজিলেণ্ড, ফ্ৰান্স, ডেনমাৰ্ক আৰু বৃটেইন আদিত এনে ধৰণৰ মেলা বা কৃষি প্ৰদৰ্শনী খোলাৰ আয়োজন কৰা হয় আৰু এই ৰাষ্ট্ৰসমূহত সাধাৰণতে এনে মেলাক বছেৰেকীয়া অনুষ্ঠানসমূহৰ ভিতৰতে ধৰে।

চোভিয়েট ৰুছিয়াৰ ৰাজধানী মস্কোত প্ৰতি বছৰেই একোখন কৃষি প্ৰদৰ্শনী পতা হয় আৰু সেই প্ৰদৰ্শনীয়েই পৃথিবীৰ সৰ্ব্ববৃহৎ প্ৰদৰ্শনী বুলি পৰিগণিত হয়। এই প্ৰদৰ্শনী প্ৰায় ছমাহ ধৰি মুকলি কৰি ৰখা হয় আৰু দেশৰ বিভিন্ন ঠাইৰ পৰা কৃষক, বনুৱা আহি ইয়াত সমবেত হৈ নানা ধৰণৰ সমস্যা আলোচনা কৰে। নানা ধৰণৰ সমস্যাসমূহ তেওঁলোকে আলোচনা কৰি কৃষি বিজ্ঞানৰ বিভিন্ন কৌশল আৰু পদ্ধতি সম্বন্ধে সম্যক ধাৰনা লাভ কৰিবলৈ সমৰ্থ হয়।

## ভাৰতৰ প্ৰচেষ্টা

ভাৰতত সুসংগঠিতভাৱে কৃষি মেলাৰ প্ৰথম আয়োজন কৰে ভাৰত কৃষক সমাজে। ১৯৫৫ চনৰ এপ্ৰিল মাহত নতুন দিল্লীত ভাৰত কৃষক সমাজৰ উদ্যোগত প্ৰথম ৰাষ্ট্ৰীয় কৃষক সন্মিলন উপলক্ষে এখন ক্ষুদ্ৰ কৃষি প্ৰদৰ্শনীৰ আয়োজন কৰা হয়। ১৯৫৬ চনত দ্বিতীয় ৰাষ্ট্ৰীয় কৃষক সন্মিলনৰ বেলিকা অলপ সৰু হলেও বৃহদাকাৰৰ দৰেই আৰু এখন প্ৰদৰ্শনী পতা হয়। কিন্তু এই প্ৰদৰ্শনী আশানুৰূপ হৈ নুঠাত তেতিয়াৰ খাদ্য আৰু কৃষি মন্ত্ৰীৰ ওচৰত ভাৰত কৃষক সমাজে ভাৰতত এখন আন্তঃৰাষ্ট্ৰীয় খাদ্য আৰু কৃষি প্ৰদৰ্শনীৰ আয়োজনৰ প্ৰস্তাৱ কৰে। ১৯৫৮ চনৰ মাৰ্চ্চ মাহত চতুৰ্থ ৰাষ্ট্ৰীয় কৃষক সন্মিলনত এই সম্পৰ্কে এটি প্ৰস্তাৱো

গৃহীত হয়। উক্ত প্ৰস্তাৱ অনুসৰি ১৯৫৯-৬০ চনৰ জাৰকালি নতুন দিল্লীত বিশ্ব-কৃষি মেলা নামে এখন আন্তঃৰাষ্ট্ৰীয় খাদ্য আৰু কৃষি প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হয়।

## বিশ্বকৃষি মেলাৰ ভাগসমূহ

ভাৰত কৃষক সমাজৰ এই সিদ্ধান্ত অনুযায়ী নতুন দিল্লীৰ মথুৰা ৰোডৰ কাষত থকা এক্জি-বিশ্যন গ্ৰাউণ্ডত ৫২ লাখ বৰ্গ ফুট ঠাই সামৰি বিৰাট কৃষি মেলাৰ আয়োজন কৰা হয়। এই মেলাত অংশ গ্ৰহণ কৰিছে পৃথিবীৰ বিভিন্ন দেশে আৰু লগতে ভাৰতৰ কেন্দ্ৰীয় চৰকাৰ আৰু বিভিন্ন ৰাজ্য চৰকাৰ, গৱেষণা সংস্থা, উৎপাদন আৰু ব্যৱসায়ী প্ৰতিষ্ঠান আদিয়ে।

সমগ্ৰ মেলাখিনি ছটা সুকীয়া ভাগত ভাগ কৰা হৈছে :—

(১) আন্তঃৰাষ্ট্ৰীয় বিভাগ ; (২) সৰ্ব্বভাৰতীয় ৰাষ্ট্ৰীয় বিভাগ ; (৩) বাজ্যিক বিভাগ ; (৪) গ্ৰামো-দ্যোগ বিভাগ ; (৫) বিক্ৰী বিভাগ আৰু (৬) বিনোদন বিভাগ।

আন্তঃৰাষ্ট্ৰীয় বিভাগত ১২ খন দেশে যোগদান কৰিছে। এই দেশসমূহৰ উপৰিও দুটা আন্তৰ্জ্জাতিক সংস্থা আই এফ-এ-পি আৰু এফ এ-অ'ই যোগ দিছেহি। যোগদানকাৰী দেশসমূহ হৈছে—আফ-গানিস্থান, ব্ৰহ্ম, সিংহল, জাৰ্ম্মান, লোকতান্ত্ৰিক গণৰাজ্য, ইৰাণ, ইৰাক, চীন, মঙ্গোলিয়া, ভিয়েটনাম, পোলেণ্ড, মাৰ্কিণ যুক্তৰাষ্ট্ৰ আৰু চোভিয়েট ৰুছিয়া।

আন্তৰ্জ্জাতিক প্যেভিলিয়নসমূহৰ ভিতৰত মাৰ্কিণ পেভিলিয়নখনেই সৰ্ব্ববৃহৎ। তাৰ পিচতেই চোভিয়েট পেভিলিয়নখনৰ স্থান। চীন, জাৰ্ম্মানী আৰু পোলেণ্ডৰ প্যেভিলিয়ন কেইখনো বেছ আকৰ্ষণীয় হৈছে।

## ভাৰতীয় ৰাষ্ট্ৰীয় বিভাগ

মেলাত সৰ্ব্বভাৰতীয় ৰাষ্ট্ৰীয় বিভাগক ১৪টি শাখাত বিভক্ত কৰা হৈছে। এই শাখাসমূহৰ ভিতৰত কৃষি, পশুপালন, পাটসূতা, বন, ভূমি সংৰক্ষণ, সাৰ উৎপাদন, কৃষিৰ সা-সৰঞ্জাম খাদ্য, গাওঁ অঞ্চলত গৃহ-নিৰ্ম্মাণ, জলসিঞ্চন আৰু বিজুলী আৰু আণৱিক শক্তি সম্পৰ্কীয় শাখাবোৰ উল্লেখযোগ্য।

ভাৰতৰ বিভিন্ন ৰাজ্যৰ তৰফৰ পৰা মেলাত প্ৰদৰ্শনী মণ্ডপ খোলা হৈছে। প্ৰত্যেক মণ্ডপতে ৰাজ্যৰ নিজস্ব বৈশিষ্ট্যৰ নিদৰ্শন আছে।

খাদী আৰু গ্ৰামোদ্যোগ আয়োগৰ উদ্যোগত গ্ৰামোদ্যোগ বিভাগটিৰ প্ৰদৰ্শনৰ দিহা হৈছে। বিক্ৰী বিভাগত ভাৰতৰ বৈচিত্ৰময় বিভিন্ন শিল্পজাত সামগ্ৰীসমূহ বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। বিনোদন বিভাগৰ উদ্যোগত মুক্ত অঙ্গীয় নৃত্য, সঙ্গীত, কথাছবিৰ প্ৰদৰ্শনী আৰু বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উচ্চাঙ্গৰ সাংস্কৃতিক অনুষ্ঠানত বিদেশী শিল্পীয়েও অংশ গ্ৰহণ কৰিব। মেলাত কৃষি সম্পৰ্কীয় বিভিন্ন বিষয়ে বক্তৃতা আদিৰো ব্যৱস্থা কৰা হৈছে।

বিশ্ব কৃষি মেলা ১৯৬০চনৰ ১৪ ফেব্ৰুৱাৰীলৈকে খোলা থাকিব।

# অসমৰ বাৰ্ষিক পৰিকল্পনা ১৯৬০-৬১

অসমৰ ১৯৬০-৬১ চনৰ বাৰ্ষিক পৰিকল্পনাৰ বাবে ১৪.৪ কোটি টকা অনুমোদন কৰা হৈছে। অলপতে ৰাজ্যৰ প্ৰতিনিধিসকল আৰু পৰিকল্পনা আয়োগৰ মাজত হোৱা আলোচনাৰ ফল স্বৰূপে এই ধন অনুমোদন কৰা হয়।

দ্বিতীয় পৰিকল্পনাত প্ৰথমে অসমৰ বাবে ৫৭.৯ কোটি টকা নিৰ্দ্ধাৰণ কৰা হৈছিল। ইয়াৰে ১.৯ কোটি টকা নগা পাহাৰ ৰাজ্যক্ষেত্ৰলৈ হস্তান্তৰ কৰা হয়। পৰিকল্পনাৰ প্ৰথম চাৰি বছৰত প্ৰায় ৩৯ কোটি টকা ব্যয় হব।

পৰিকল্পনা সমাজ সেৱাৰ বাবে ( শিক্ষাৰ বাহিৰে বাকীবোৰ ক্ষেত্ৰ ) সৰ্ব্বাধিক পৰিমাণৰ ধন অৰ্থাৎ ৫.৫ কোটি টকা সন্নিবিষ্ট কৰা হৈছে। ৰাজ্যত নিম্ন আয় বিশিষ্ট লোকৰ গৃহ নিৰ্ম্মাণ আঁচনিৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি সধা হৈছে আৰু এই আঁচনিৰ বাবে ৮৯ লাখ টকাৰ ব্যৱস্থা কৰা হৈছে। দ্বিতীয় পৰিকল্পনাত প্ৰতিষ্ঠা কৰিবলৈ লক্ষ্য কৰা ৭৭ টা প্ৰাথমিক স্বাস্থ্য গোটৰ ভিতৰত ইতিমধ্যে ৫৩টা প্ৰাথমিক স্বাস্থ্য গোট প্ৰতিষ্ঠা কৰা হৈছে। আৰু বাকী কেইটা গোট পৰিকল্পনাৰ শেষৰ বছৰত প্ৰতিষ্ঠা হোৱা সম্ভাৱনা আছে। গুৱাহাটী আৰু শ্বিলঙৰ বাবে ডুখন পানী যোগান আৰু চাফচিকুণতাৰ আঁচনিৰ ব্যৱস্থা কৰা হৈছে।

পৰিকল্পনাত কৃষি আঁচনিৰ বাবে ২.৩ কোটি টকা নিৰ্দ্ধাৰণ কৰা হৈছে। দ্বিতীয় পৰিকল্পনাত প্ৰতিষ্ঠা কৰিবলৈ বিচৰা ১৪৪ খন সঁচ ফাৰ্ম্মৰ ভিতৰত ১১২ খন ফাৰ্ম্ম ইতিমধ্যে প্ৰতিষ্ঠা কৰা হৈছে। তৃতীয় পৰিকল্পনাৰ আঁচনিৰ বাবে প্ৰশিক্ষিত লোকৰ চাহিদা পূৰাবৰ অৰ্থে কৃষি কলেজ এখন প্ৰতিষ্ঠা কৰিবলৈকো ব্যৱস্থা কৰা হৈছে। ভূমি উন্নয়ন অনুসৰি ভূমিবিহীন কৃষি শ্ৰমিকৰ পুনৰ সংস্থাপনাৰ্থে কিছু ভূমিৰ ব্যৱস্থাও কৰা হৈছে। ওখ ভূমিত ৰবো ধান খেতিৰ উন্নয়নৰ বাবে পাৱাৰ পাম্পৰ যথেষ্ট চাহিদা আছে। কৃষকসকলক ঋণ আৰু সাহায্য ভিত্তিত পাম্প দিবলৈ বিচৰা হৈছে। পাম্পৰ মুঠ ব্যয়ৰ শতকৰা ২০ ভাগলৈ সাহায্য আৰু বাকীখিনি ঋণ হিচাপে দিয়া হব। ১৯৬০-৬১ চনত ১৫০টা পাম্প বিতৰণ কৰিবলৈ স্থিৰ কৰা হৈছে। কৃষকসকলক যাৰখানাৰ ব্যৱস্থা আৰু পাম্প পৰিচালনাত স্থানীয় লোকক প্ৰশিক্ষণ দিয়াৰ ক্ষেত্ৰত সুবিধা দিবলৈকো বিচৰা হৈছে। উপৰন্তু পৰিকল্পনাত মীনমহলৰ উন্নয়নৰ বাবেও ব্যৱস্থা কৰা হৈছে।

পৰিকল্পনাত পৰিবহনৰ উন্নয়নৰ বাবে ১.৪ কোটি টকা আৰু শিক্ষাৰ বাবে ১.৯ কোটি টকা ধৰা হৈছে। কাৰিকৰী শিক্ষাৰ আঁচনিৰ অধীনত বৰ্ত্তমানৰ সংস্থাবোৰৰ সম্প্ৰসাৰণ কৰাৰ উপৰিও গুৱাহাটী আৰু যোৰহাটত ইঞ্জিনীয়াৰিং কলেজ আৰু শিলচৰত পলীটেকনিক এখন প্ৰতিষ্ঠাৰ বাবে ব্যৱস্থা কৰা হৈছে।

পৰিকল্পনাত সমূহীয়া উন্নয়নৰ বাবে ১'২ কোটি টকা নিৰ্দ্ধাৰণ কৰা হৈছে। ১৯৫৯ চনৰ নৱেম্বৰৰ মাজভাগলৈ ১,৩৪৭ খন গ্ৰাম্য সমবায় সমাজ প্ৰতিষ্ঠা আৰু ৯৭২ খন সমাজ পুনৰ সংগঠন কৰা হয়। পৰৱৰ্ত্তী বছৰত ৩০০ খন সমাজ নতুনকৈ সংগঠন আৰু ৯০০ খন সমাজ পুনৰ সংগঠন কৰিবলৈ বিচৰা হৈছে। ১৯৬০-৬১ চনত ২০খন নতুন প্ৰাথমিক বজাৰ সমাজ প্ৰতিষ্ঠা কৰিবলৈকো বিচৰা হৈছে।

পৰিকল্পনাত জলসিঞ্চন আৰু বিদ্যুতৰ বাবে ২'৩ কোটি টকা ধৰা হৈছে। ৰাজ্যৰ উদ্যোগিক উন্নয়ন যাতে বাধাপ্ৰাপ্ত নহয়, তাৰ বাবে চিট্ৰিয়তৰ জৰুৰী চাহিদা পূৰাবৰ অৰ্থে আঠোটা অঞ্চলত ডীজেল ছেট প্ৰতিষ্ঠা কৰিবলৈ আঁচান এখন লোৱা হৈছে। বৰপানী জলবিদ্যুত আঁচনিৰ পৰা বিদ্যুত পোৱাত দেৰি থকা বাবে উক্ত আঁচনিখনৰ ব্যৱস্থা কৰা হৈছে।

পৰিকল্পনাত উদ্যোগৰ বাবে ১'২ কোটি টকা অনুমোদন আৰু চিমেণ্ট, কটা পাট আৰু কপাহ কটা আৰু কাৰিকৰী অৰ্থনৈতিক জৰীপ এটাৰ বাবে ব্যৱস্থা কৰা হৈছে। —পি-আই-জি।

✦✦✦✦✦✦✦

## [illegible]

### অসমত কৃষি সহায়ক সমবায়

ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদৰ সিদ্ধান্ত অনুযায়ী ১৯৬৩-৬৪ চনৰ ভিতৰত অসম চৰকাৰে অসমৰ সকলো গাৱঁকে সামৰিব পৰাকৈ কৃষি সহায়ক সমবায় সমিতি (চাৰ্ভিচ কো-অপাৰেটিভ্) গঠন কৰাৰ প্ৰচেষ্টা চলাইছে। বৰ্ত্তমান চলিত বছৰটোৰ ভিতৰতে কামৰূপ, নগাওঁ, দৰং, কাছাৰ, উত্তৰ লক্ষীমপুৰ আৰু সংযুক্ত মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰ জিলাৰ হাওৰাঘাট অঞ্চলত উক্ত কৃষি সহায়ক সমিতি গঠন কৰাৰ প্ৰস্তাৱ কৰা হৈছে। এই জিলাসমূহৰ বাহিৰে বৰ্ত্তমান অসমৰ বাকী জিলা কেইখনত সমূহীয়া উন্নয়ন আৰু ৰাষ্ট্ৰীয় সম্প্ৰসাৰণ সেৱা খণ্ড থকা ঠাইসমূহত মাত্ৰ উক্ত ধৰণৰ সমিতিসমূহ গঠন কৰা হব।

ওপৰত উল্লেখ কৰা মতে কৃষি সহায়ক সমবায় সমিতিসমূহ গঠন কৰাৰ মনস্থ কৰা হৈছে—১৯৫৯-৬০ চনৰ ভিতৰত ৩,০০০ খন; ১৯৬০-৬১ চনৰ ভিতৰত ১,৫০০ খন; ১৯৬১-৬২ চনৰ ভিতৰত ১,০০০ খন; ১৯৬২-৬৩ চনৰ ভিতৰত ৭৫০ খন আৰু ১৯৬৩-৬৪ চনৰ ভিতৰত ২৫০ খন।

এহেজাৰৰ পৰা এহেজাৰ পাচশ লোকৰ ভিতৰত একোখন গ্ৰাম্য কৃষি সহায়ক সমিতি গঠন কৰাৰ পৰিকল্পনা কৰা হৈছে। একোখন পঞ্চায়তত এখনতকৈ অধিক সমবায় সমিতি থাকিব। যিবিলাক গাৱঁত গ্ৰাম্য পঞ্চায়ত গঠন হব তাতহে সকলো প্ৰকাৰৰ সমবায় সমিতি গঠন কৰিব পাৰিব। যিবিলাক অতি সৰু গাওঁ, তেনে ঠাইত এহেজাৰ লোকৰ একোটা গোট বান্ধি একোখন কৃষি সহায়ক সমিতি গঠন কৰিব পৰা হব।

## পঞ্জাবৰ গুৰগাৱঁত অনুষ্ঠিত হোৱা সমবায় প্ৰশিক্ষণ কেন্দ্ৰ

যোৱা আগষ্ট মাহৰ ৫ তাৰিখৰ পৰা অক্টোবৰ মাহৰ ৩ তাৰিখলৈকে অনুষ্ঠিত হোৱা এই শিবিৰলৈ এইবাৰ ৬ জন প্ৰশিক্ষাৰ্থী অসমৰ পৰা পঠোৱা হৈছিল। সৰ্ব্বমুঠ সহযোগীৰ সংখ্যা আছিল ৪৮ জন।

এই শিবিৰটোৰ ডাইৰেক্টৰ আছিল অধ্যাপক চি, ভি, নায়াৰ। তেখেত এজন অভিজ্ঞ লোক আৰু সমবায় অন্দোলনৰ এজন উদ্যোক্তা। আমেৰিকাৰ ডঃ হেকমেন আছিল উপদেষ্টা। তেখেতে ইতিমধ্যে পৃথিবীৰ সমবায়মুখী আঁটাইবিলাক দেশতে ভ্ৰমণ কৰি প্ৰচুৰ অভিজ্ঞতা অৰ্জ্জন কৰিছে। ভাৰতত সমবায় আন্দোলনৰ প্ৰগতিৰ অৰ্থে বিশেষকৈ সমবায় শিক্ষা বিষয়ত পথ নিৰ্দ্দেশ দিবলৈ আমেৰিকা চৰকাৰ পৰা ভাৰত চৰকাৰে সাহাযাস্বৰূপে তেখেতক কিছু দিনৰ কাৰণে উপদেষ্টাৰূপে লৈছে। তাৰোপৰি আমেৰিকাৰ কেইবাজনো বিশিষ্ট লোকে শিবিৰটোৰ কৃতকাৰ্য্যতাৰ কাৰণে সকলো ভাবে সহায় কৰিছিল। এই সুযোগতে আমেৰিকাৰ টেক্‌নিকেল ক'অপাৰেশ্যন মিশ্যনৰ (TCM) অৱদান লেখত লবলগীয়া।

ইয়াৰ উপৰিও সমবায়ৰ বিভিন্ন বিষয়ৰ ওপৰত বক্তৃতা দিবলৈ অনেক অভিজ্ঞলোকক আমন্ত্ৰণ কৰা হৈছিল। ভাৰত চৰকাৰৰ কমিউনিটি প্ৰজেক্ট আৰু সমবায় বিভাগৰ মন্ত্ৰী শ্ৰী এছ, কে, দে, কেন্দ্ৰীয় মন্ত্ৰী আৰু এই সজ্বৰ সভাপতি শ্ৰী কে, ডি, মালবীয় ৰিজাৰ্ভ বেঙ্কৰ ডেপুটী গভৰ্ণৰ আৰু সমবায় বিভাগৰ অতিৰিক্ত আয়ুক্ত আদিয়ে শিবিৰলৈ গৈ প্ৰশিক্ষাৰ্থীসকলৰ লগত সমবায় আন্দোলন সম্বন্ধে আলোচনা কৰিছিল।

সমবায় নীতি আৰু পৰিচালনা সম্বন্ধে সম্পূৰ্ণ অৱগত হবলৈ প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা এখন সমবায় সমিতি গঠন কৰা হৈছিল। উক্ত সমিতিয়ে দুই মাহৰ খোৱা ব্যৱস্থা আৰু যাৱতীয় লাগতিয়াল বস্তুৰ যোগানৰ কাম কৰিছিল। এই সমিতিৰ তলত কাম নিয়াৰিকৈ চলাবৰ কাৰণে খাদ্য, হিচাব পত্ৰ, কৃষ্টি, ষ্টʼৰ আদি কৰি কেইবা খনো কমিটী কৰি দিয়া হৈছিল। এই সমিতিৰ যোগেদি সমবায়ৰ কাৰ্য্যপদ্ধতি সম্বন্ধে প্ৰশিক্ষাৰ্থী সকলে বহুতো কথা জানিব পাৰিছিল। প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা সমবায় সম্বন্ধীয় নাটক কৰোৱাই, বক্তৃতা দিয়াই আৰু দলীয় আলোচনাৰ যোগেদি সমবায় সম্বন্ধে সম্যক জ্ঞান দিবলৈ চেষ্টা কৰা হৈছিল।

সৰ্ব্বশেষত এনেধৰণৰ শিবিৰৰ দ্বাৰা অনেক কথা শিকিব পৰা যায়। আমাৰ অসমতো ৰাজ্যিক ভিত্তিত এনে শিবিৰ হলে সমবায় আন্দোলন সম্বন্ধে বুজাপৰাত আৰু আগবঢ়াতো যথেষ্ট সহায়ক হব।

## পশ্চিম বঙ্গত সমবায় আন্দোলনৰ সফলতা

স্বাধীনতা লাভ কৰাৰ পিছৰে পৰা পশ্চিম বঙ্গত সমবায় আন্দোলন দ্ৰুত গতিৰে আগবাঢ়িছে। ১৯৪৮ চনৰ পৰা ১৯৫৯ চনলৈকে পশ্চিম বঙ্গত সমবায় সমিতিৰ সংখ্যা বাঢ়ি ১২,৯৪৬ খনৰ পৰা ১৯,০২৯ খন হৈছে গৈ। সমিতি সমূহৰ সভ্য সংখ্যা বাঢ়ি ৬·৩৫ লাখৰ পৰা ১৪·০২ লাখ হৈছেগৈ আৰু কাৰ্য্যকৰী মূলধন বাঢ়িছে ১৩·৩৮ কোটিৰ পৰা ৫৯·২৫ কোটি টকা। সমবায় সমিতিসমূহৰ গুণাগুণো বিশেষ লেখত লব লগীয়া হৈছে। পশ্চিম বঙ্গ জনসাধাৰণৰ অৰ্থনৈতিক আৰু সামাজিক জীৱনক সেৱা কৰাত তাৰ সমবায়

সমিতিসমূহে এটা উল্লেখযোগ্য বৰঙনি আগবঢ়াইছে বুলি আজি সকলোৱেই স্বীকাৰ কৰিছে। তাৰ জনসাধাৰণৰ শতকৰা ২৬ ভাগেই বিভিন্ন প্ৰকাৰৰ সমবায় সমিতিসমূহৰ জৰিয়তে নিজকে আত্ম নিয়োগ কৰিছে।

পশ্চিম বঙ্গত সমবায় আন্দোলনক আগবঢ়াই নিবৰ বাবে তলৰ বিষয় সমূহৰ প্ৰতি বিশেষ লক্ষ্য কৰিব লগীয়া—কৃষি ঋণ সমবায় সমিতি গঠন, কৃষিজাত বস্তুৰ বেচা-কিনা সমিতি, শস্য বেংক স্থাপন, কৃষি সমবায় সমিতি, শিল্প সমবায়, গাখীৰ যোগান আদি।

## নিখিল ভাৰত সমবায় সপ্তাহ পালন

যোৱা ৭ নৱেম্বৰৰ পৰা ১৩ নৱেম্বৰলৈকে সমগ্ৰ অসমৰ চহৰ আৰু গাওঁ ভূঁইত বিশেষ উৎসাহ উদ্দীপনাৰে নিখিল ভাৰত সমবায় সপ্তাহ পালন কৰা হয়। এই উদ্দেশ্যে অসম ৰাজ্যিক সমবায় ইউনিয়নে প্ৰণয়ন কৰা কাৰ্য্যসূচীত চৰকাৰী আৰু বে-চৰকাৰী সকলো অনুষ্ঠানেই সহযোগ কৰি যোৱা কেইবছৰতকৈ এইবাৰৰ সমবায় সপ্তাহ অধিক প্ৰাণৱন্ত কৰি তোলে। সপ্তাহ জোৰা কাৰ্য্যসূচীত সমবায়ৰ সাতৰঙৰ পতাকা উত্তোলন কৰা হয় আৰু তাৰ উপৰিও অসমৰ সকলো প্ৰধান প্ৰধান কেন্দ্ৰসমূহত ৰাজহুৱা সভা-সমিতি কৰি সমবায় আন্দোলনৰ তাৎপৰ্য্য বিশদ ৰূপে বুজাই দিয়া হয়।

সমবায় সপ্তাহত কৃষক দিবস, যুবক দিবস, মহিলা দিবস, শিল্প উৎপাদনকাৰী গ্ৰাহক দিবস, সঞ্চয় আৰু পৰিকল্পনা দিবস, সভ্য ভক্তি দিবস, আন্তঃৰাষ্ট্ৰীয় সমবায় সংঘৰ ইস্তাহাৰ প্ৰকাশ, বসন্ত কুণ্ড দিবস আদি পালন কৰা হয়।

এই সপ্তাহ পালনৰ উদ্দেশ্যে অসমৰ প্ৰধান চহৰ গুৱাহাটীৰ ৭ নৱেম্বৰৰ দিনা এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। এই সভাত সকলো ৰাজনৈতিক দলৰ নেতৃস্থানীয় লোক সকলে সহযোগ কৰি সমবায় আন্দোলনৰ উত্তৰোত্তৰ কামনা কৰে। গুৱাহাটীৰ বাহিৰেও যোৰহাট, মঙ্গলদৈ, তেজপুৰ, বৰপেটা, ধুবুৰী, নগাওঁ, ডিব্ৰুগড়, উত্তৰলক্ষীমপুৰ গোলাঘাট আদি প্ৰধান প্ৰধান কেন্দ্ৰসমূহত বিশেষ উৎসাহ উদ্দীপনাৰে সমবায় সপ্তাহ পালন কৰাৰ বাতৰি ৰাজ্যিক সমবায় অফিচলৈ আহিছে।

## ৰাজ্যিক সমবায় ইউনিয়নৰ সভাপতি শ্ৰীকাকতিৰ

### বিদেশ ভ্ৰমণ সমাপ্ত

অলপতে ভাৰতীয় "ইণ্ডাষ্ট্ৰীয়েল এণ্ড মেনেজমেণ্ট অৰ্গেনাইজেচনেল ষ্ট্ৰাডী টীম" এটাই পশ্চিম জাৰ্ম্মানী, মাৰ্কিণ যুক্তৰাজ্য, আৰু ইংলণ্ড আদি দেশসমূহ ভ্ৰমণ কৰি নিজ দেশলৈ উভতি আহিছে। এই টীমটোত অসম ৰাজ্যিক সমবায় ইউনিয়নৰ সভাপতি শ্ৰীৰবীন কাকতিয়ো নিৰ্ব্বাচিত হৈ ভ্ৰমণ কৰে।

অধ্যয়নকাৰী দলটোৱে উক্ত দেশসমূহ পৰি-ভ্ৰমণ কৰি বিশেষকৈ তলৰ বিষয় সমূহ অধ্যয়ন কৰে। (১) সমূহীয়া ভাবে নিৰ্ম্মাণ হোৱা কাৰখানা আদিত উৎপাদনৰ ব্যৱস্থা আৰু ব্যৱসায়ী মহলৰ কাৰ্য্যকলাপ। (২) প্ৰতিনিধি স্বৰূপে গঠিত হোৱা ব্যৱসায়ী সন্থাৰ কাৰ্য্য। (৩) কোনো সন্থা আৰু ব্যক্তিগতলোকৰ দ্বাৰা গঠিত হোৱা ফাৰ্মৰ কাৰ্য্য-কলাপ আৰু (৪) শিক্ষা অনুষ্ঠানসমূহৰ প্ৰগতি।

অধ্যয়নকাৰী দলটোৰ নেতৃত্ব কৰে শ্ৰী আই, পি, আনন্দে।

সম্পাদকীয়—

# খাদ্য শস্যৰ চৰকাৰী ব্যৱসায়

দেশৰ দুখীয়া খেতিয়ক আৰু সৰ্ব্ব সাধাৰণ ৰাইজৰ উপকাৰৰ বাবে খাদ্য শস্যৰ চৰকাৰী ব্যৱসায়ক,—চৰকাৰে নীতি হিচাবে গ্ৰহণ কৰিছে। অসম চৰকাৰে এই নীতি প্ৰবৰ্ত্তন কৰাৰ আগন্তুক অসম বিধান সভাৰ মজিয়াত এই বিষয়টোৰ ওপৰত বিশদ আলোচনা কৰিছিল আৰু সকলো দলৰে সকলো সদস্যই এই নীতিক সমৰ্থনো জনাইছিল।

১৯৫৮-৫৯ চনত চৰকাৰে প্ৰথমতে নগাওঁ জিলাৰ হোজাই অঞ্চলত পৰীক্ষামূলক ভাৱে উক্ত নীতি প্ৰচলন কৰে। চৰকাৰৰ সৰবৰাহ বিভাগে তাৰ আঞ্চলিক সমবায় মাৰ্কেটিং সমিতি আৰু গাওঁলীয়া সমবায় সমিতিক ধান সংগ্ৰহ কৰাৰ একচেতিয়া ক্ষমতা দিয়ে। প্ৰথমতে এই ব্যৱসায় ধানৰ ক্ষেত্ৰতেই কৰে; কাৰণ ধানেই হৈছে অসমীয়া মানুহৰ মূল খাদ্য। সেই সময়ত নানা আহুকাল পোৱা সত্বেও বিভাগীয় কৰ্ম্মচাৰীসকলৰ যত্নত আৰু ৰাইজৰ সহযোগত উক্ত নীতি কাৰ্য্যকৰী কৰা সম্ভৱপৰ হৈছিল। তেওঁলোকে আহুকালৰ মাজেদিয়েই ১১ লাখ মোন ধান সংগ্ৰহ কৰিবলৈ সক্ষম হয়। যথা সময়তে খেতিয়ক ৰাইজেও ধানৰ উচিত মূল্যও পায়। খেতিয়কে যাতে সময়মতে উৎপাদন কৰা শস্যৰ উচিত মূল্য পাই তাৰ বাবেও বিশেষ চকু দিয়া হৈছিল।

নগাওঁ জিলাত উক্ত নীতি সফলকাম হোৱাৰ ফলত চৰকাৰে খাদ্য শস্যৰ চৰকাৰী ব্যৱসায়ৰ পৰিসৰ বৃদ্ধি কৰিবলৈ ইচ্ছা কৰে আৰু সেই উদ্দেশ্যে ১৯৫৯-৬০ চনৰ ভিতৰত নগাওঁ, মিকিৰ পাহাৰ জিলাৰ এক অংশ, দৰং, উত্তৰলক্ষীমপুৰ মহকুমা, কামৰূপ আৰু কাছাৰ জিলাত আঞ্চলিক মাৰ্কেটিং ছচাইটি আৰু কৃষি সহায়ক সমবায় সমিতিসমূহৰ জৰিয়তে ধান সংগ্ৰহৰ কাম হাতত লৈছে। এই কাম হাতত লোৱাৰ লগে লগেই কিছুমান সমস্যাই ইতি-মধ্যে জুমুৰি দি ধৰিছেহি।

খাদ্য শস্যৰ চৰকাৰী ব্যৱসায় প্ৰচলন কৰাৰ মূল উদ্দেশ্য হৈছে দেশৰ ধনী মহাজন আৰু একশ্ৰেণী দালাল লোকৰ শোষণৰ পৰা দুখীয়া হোজা খেতিয়ক ৰাইজক ৰক্ষা কৰি তেওঁলোকে উৎপাদন কৰা শস্যৰ উচিত মূল্য দিয়া। যুগ-যুগান্তৰ ধৰি এই শ্ৰেণীৰ লোকৰ পৰা গাৱঁৰ খেতিয়ক ৰাইজে অশেষ কষ্ট ভোগ কৰি আহিছে। খেতিয়কে খেতি চপোৱাৰ লগে লগেই মহাজন বা বেপাৰীলোকসকল গাৱঁলৈ গৈ খেতিয়কসকলৰ চোতালাত হাজিৰ হয়গৈ। নানা চলাহ

দি তেওঁলোকে কম মূল্যতে ধান আৰু অন্যান্য শস্যবিলাক কিনি লয়। হোজা খেতিয়কেও বজাৰৰ ভাও নজনাৰ ফলত আৰু দাৰিদ্ৰ্যৰ হেচাঁত তেওঁলোকৰ কথাতে বিশ্বাস কৰি কম দামতে শস্যাদি বিক্ৰী কৰি দিয়ে। মহাজন আৰু বেপাৰীসকলে সেই শস্যসমূহ কিনি আনি তেওঁলোকৰ গুদামত অতিলাভৰ আশাত মজুত কৰি ৰাখে। সময়ৰ ছেগ বুজি বিশেষকৈ দেশত আকাল হলে সেই শস্যবোৰ অতিলাভ ৰাখি বিক্ৰী কৰি দিয়ে। এই ধৰণেৰেই তেওঁলোকে চিৰদিন দুখীয়া খেতিয়কৰ মূৰৰ ওপৰতেই কঠাল ভাঙি খাই আহিছে। কোনো সময়ত এমুঠি ধানৰ বাবেও মহাজন সকলৰ ওচৰত একোঘৰ গৃহস্থীয়ে সা-সম্পত্তি, মাটিবাৰী বন্ধকত ৰাখি না-জল, না-স্থল হোৱাও আমাৰ চকুত পৰিছে।

সমাজৰ এই চিৰাচৰিত প্ৰথা অবসান ঘটাবৰ বাবেই ৰাজ্যত খাদ্য শস্যৰ চৰকাৰী ব্যৱসায় নীতি গ্ৰহণ কৰিছে। এই-নীতি প্ৰবৰ্ত্তন কৰাৰ লগে লগেই লাভখোৰ মহাজন, বেপাৰীসকলৰ চকু থিয় হ'ল আৰু তেওঁলোকৰ উচতনিত একশ্ৰেণী লোকে নানা বাধা বিঘিনীৰ সৃষ্টি কৰিবলৈ ধৰিছে। বৰ্ত্তমান ধান সংগ্ৰহ কৰাৰ বেলিকা ঠায়ে ঠায়ে এই শ্ৰেণীৰ লোকেই উত্তেজনাৰ সৃষ্টি কৰি ৰাইজৰ মাজত উক্ত নীতিৰ বিৰূপ সমালোচনা কৰিছে। মহাজন, বেপাৰীসকলৰ স্বাৰ্থত ব্যাঘাত ঘটাৰ বাবেই এই নীতিক ধ্বংস কৰিবৰ বাবে যত্ন কৰিছে। ৰাজনৈতিক স্বাৰ্থ সিদ্ধিৰ বাবেও দুই এক দল-উপদলেও এই ক্ষেত্ৰত বেপাৰী মহাজনসকলৰ কথাহে বাট বুলি সিছাতে কিছুমান হুকে বিহুকে চৰকাৰক সমালোচনা কৰিছে। আন কি তেওঁলোকে ৰাইজৰ গণতান্ত্ৰিক অধিকাৰো চৰকাৰে খৰ্ব কৰিছে বুলি সমালোচনা কৰা শুনা যায়। আগেয়ে খেতিয়কে মহাজন, বেপাৰীসকলক ঘৰতে বহি ধান আদি বিক্ৰী কৰিছিল; কিন্তু এতিয়া তেনে কৰিব নোৱাৰাত তাৰে অজুহাত লৈ ৰাইজৰ গণতান্ত্ৰিক অধিকাৰ আদিৰ প্ৰশ্ন তুলিছে।

আমি বিশ্বাস কৰো, ৰাইজে স্বাৰ্থ জড়িত লোকসকলৰ উচতনিত ভোল নগৈ উক্ত নীতিক সমৰ্থন যোগোৱা উচিত। এই নীতি কাৰ্য্যকৰী কৰিব লগীয়া হলে চৰকাৰী আৰু বেচৰকাৰী সকলো লোকৰেই সহায়-সমৰ্থন থকা উচিত; বিশেষকৈ এই ক্ষেত্ৰত বিভাগীয় কৰ্ম্মচাৰী সকলে এটা বিশেষ ভূমিকা গ্ৰহণ কৰি ৰাইজৰ প্ৰিয় পাত্ৰ হব লাগিত। এই নীতি প্ৰয়োগ কৰাৰ বেলিকা ৰাইজৰ যাতে কোনো অসুবিধাৰ সৃষ্টি নহয় তাৰ প্ৰতিও চৰকাৰে সতৰ্কতা অৱলম্বন কৰা উচিত।

Tele : Sugar, Dergaon Phone : Dergaon 8.

# THE ASSAM CO-OPERATIVE SUGAR MILLS LTD.

**MISSAMARA**
**P. O. BARUABAMUNGAON**

| | |
|---|---|
| AUTHORISED CAPITAL | 2 CRORES |
| ISSUED CAPITAL | 60 LACS |
| PAID UP CAPITAL | 38 LACS |

* The Mill has gone into production since the 8th December, 1958.
* The Mill will crush at least 24 lac maunds of sugarcane in a crushing season needing about 15,000 bighas of land only to yield the required quantity of sugarcane crop.
* The Mill has placed within the easy reach of the growers in the Mill area an opportunity of earning about Rs. 40 lacs in a crushing season by supplying sugarcane direct to their Mill.
* The Mill has solved unemployment problem of about 1,000 persons.
* The Mill is a purely public institution and all persons above the age of 18 years, throughout the State of Assam, are eligible for membership by subscribing to share capital for which sale of shares has been still kept open.
* The value of a share is Rs. 20/- only of which Rs. 10/- is to be paid, another Rs. 10/ is to be paid if called. Intending share holders may either contact local agents or write to the Secretary of the Mill for further particulars.
* The future of major industries and the co-operative movement in Assam depends, in a large measure, on this Mill whose success depends on your help, sympathy and co-operation.

*Chairman,*
**Assam Co-operative Sugar Mills Ltd.**